পু্যং খম টাই

PIOUNG KHOM TAI

টাই ভাষাৰ ব্যাকৰণ

ৰত্নেশ্বৰ বুঢ়াগোহাঞি

INSTITUTE OF TAI STUDIES AND RESEARCH
MORANHAT

পাতনি

ভাষাৰ ভেটি হৈছে ব্যাকৰণিক পদ্ধতি, যিকোনো ভাষা নিয়াৰিকৈ শিকিবলৈ হ'লে সেই ভাষাৰ শিক্ষণ পদ্ধতি অতীব প্ৰয়োজন। এনে পদ্ধতিৰ অবিহনে কোনো ভাষা তিষ্ঠি থাকিব নোৱাৰে। অন্যকথাত ক'বলৈ হ'লে এটা ভাষাৰ শিকণ পদ্ধতিয়ে সেই ভাষাটো জীয়াই ৰখাত ইন্ধন যোগায়। ভাষাৰ শিকণ পদ্ধতি সমূহৰ সমষ্টিয়েই হৈছে ব্যাকৰণ। ব্যাকৰণৰ নীতি-নিয়মসমূহ নিৰ্দ্ধাৰিণ কৰিবৰ বাবে শব্দৰ সমষ্টি তথা শব্দাৰ্থৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। মানৱ সভ্যতাৰ ক্ৰম বিকাশৰ লগে লগে ভাষাই মানুহৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে স্বীকৃতি লাভ কৰিলে। গতিকে শুদ্ধ আৰু বৈজ্ঞানিক প্ৰণালীৰে ভাষা শিকাৰ পদ্ধতিও বিকাশ হ'ল।

আহোম চাও ফা সকলে মৌঙ-দুন-স্থুন-খামত পদাৰ্পন কৰাৰ দিনৰে পৰা অসমত যোল্লশ খৃষ্টাব্দ পৰ্যন্ত টাই ভাষা প্ৰচলিত হৈ আছিল। কিন্তু অন্যান্য ভাষাৰ নিচিনাকৈ লিখিত ৰূপত প্ৰণালীবদ্ধভাৱে ভাষা শিকাৰ প্ৰথা উদ্ভাৱন হোৱা নাছিল। ঠিক সেইদৰে ভাষাৰ শব্দাৰ্থসমূহ লিখিত ৰূপত পোৱা নগৈছিল। উল্লেখ্য যে, স্বৰ্গদেও গৌৰীনাথ সিংহৰ ৰাজত্ব কালত ১৭৯৫ চনত খ্যাতনামা টাই আহোম ম'লুঙ টেঙাই মহন্তে পোন প্ৰথমতে টাই ভাষাৰ এখন শব্দকোষ লিখি উলিয়াইছিল। এই দিশৰ পৰা চাবলৈ গ'লে ভাষাৰ শব্দকোষ প্ৰণয়নৰ ক্ষেত্ৰত কেৱল অসমতেই নহয় সৰ্বভাৰতীয় ক্ষেত্ৰতো টেঙাই মহন্তেই প্ৰথম ব্যক্তি। ইয়াৰ পৰৱৰ্তী কালত বিশেষকৈ ইংৰাজৰ শাসনৰ সময়ত আহোম ভাষাৰ শিকণৰ ক্ষেত্ৰত ব্যাকৰণিক নীতি-নিয়মৰ সৈতে সেই সময়ৰ যোৰহাট নৰ্মাল স্কুলৰ শিক্ষক তথা যোৰহাট আহোম ভাষা আৰু বুৰঞ্জী অনুসন্ধান সমিতিৰ সভাপতি ঘনকান্ত বৰুৱাই ১৯৩৬ চনতেই ব্যাকৰণৰ সৈতে এখন **আহোম প্ৰাইমাৰ** নামৰ পুথি চৰকাৰী পৃষ্ঠপোষকতাত প্ৰকাশ কৰি উলিয়াইছিল। ইয়াৰ পৰৱৰ্তী কালত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে যথাক্ৰমে ১৯৬৮,১৯৮৭ আৰু ২০১০ চনত এই পুথিখনৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ সংস্কৰণ প্ৰকাশ কৰিছে। তদুপৰি ১৯৬৪ চনত বিমলা বৰুৱা আৰু নন্দনাথ দেওধাই ফুকনৰ দ্বাৰা সম্পাদিত **আহোম লেক্সিকনছ** (LEXICONS) নামৰ পুথিখন বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে প্ৰকাশ কৰিছিল। এই পুথিখনৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ হৈছিল ১৯৯১ চনত। ওপৰত উল্লেখিত কেওখন পুথিয়েই আহোম ভাষা শিকাৰ ক্ষেত্ৰত অভূতপূৰ্ব বৰঙণি যোগাই আহিছে। স্বাধীনোত্তৰ কালৰ যোৱা শতিকাৰ ষাঠি দশকৰ পৰাই টাই আহোম সকলৰ মাজত টাই ভাষা শিকাৰ প্ৰৱণতা বৃদ্ধি পাবলৈ ধৰিলে। মহন, দেওধাই, বাইলুঙ সন্মিলন (১৯৬৪); পূৰ্বাঞ্চল টাই সাহিত্য সভা (১৯৮২); সদৌ অসম টাই ছাত্ৰ সন্থা (১৯৬৪) আদি সংগঠনসমূহৰ প্ৰতিষ্ঠাই এনে প্ৰৱণতাক দুগুণে বৃদ্ধি কৰিলে আৰু টাই ভাষা শিকাৰ ব্যাকৰণিক পদ্ধতিৰ আৱশ্যকতাও বৃদ্ধি পালে।

তদুপৰি ১৯৭৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত টাই ভাষাৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন, আৰু ১৯৯৪ চনত স্কুল পৰ্য্যায়ত টাই ভাষাৰ পাঠদানৰ ব্যৱস্থা কৰাত টাই ভাষা ব্যাকৰণিক পদ্ধতিৰে শিকাৰ অতীব আৱশ্যক হৈ পৰিল। সেয়েহে যোৱা শতিকাৰ আশী দশকৰ পৰা বৰ্ত্তমানলৈকে টাই ভাষাৰ অভিধান; শব্দকোষকে ধৰি ভালেসংখ্যক ভাষা সম্পৰ্কীয় টাই ভাষাত লিখিত কিতাপ

প্ৰকাশিত হৈ আহিছে। এইবিলাকৰ ভিতৰত ড° যোগেন্দ্ৰ নাথ ফুকনৰ **এন ইনট্ৰডাক্টৰী প্ৰাইমাৰ এণ্ড গ্ৰামাৰ অৱ আহোম (টাই) লেংগুৱেজ** (An Introductory Primer and Grammar of Ahom (Tai) Language) (২০০৮), ড° নোমল গগৈৰ **টাই ভাষাৰ অভিধান** (১৯৮৭), পাটসাঁকো কেন্দ্ৰীয় টাই একাডেমীয়ে প্ৰকাশ কৰা জোনাৰাম ছাঙ্বুন ফুকনৰ **টাই আহোম প্ৰাইমাৰ** (১৯৮৮), আইম্যাখেঙ গোহাঁইৰ **টাই ভাষাৰ প্ৰাথমিকপাঠ** (১৯৯২), পোনাৰাম মহন ফুকনৰ **টাই আহোম শব্দকোষ** (১৯৯৮), ইষ্টিফেন ম'ৰেৰ The Tai Languages of Assam : A Grammar and Texts (২০০৪), ড° পুষ্প গগৈৰ **টাই ডিক্সনাৰী** (Tai-Assamese-English Dictionary)২০০৭, বাবুল ফুকনৰ **লিত পুঙ খম টাই** (২০১০), ফণীধৰছাঙ্বুন ফুকনৰ **লিক চাম তু খাম টাই পয় কা না** (২০১১), আদি বিশেষভাৱে উল্লেখযোগ্য।

ওপৰত উল্লেখিত টাই ভাষা সম্পৰ্কীয় গ্ৰন্থ সমূহে টাই ভাষা সাহিত্যলৈ নিঃসন্দেহে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। কিন্তু টাই ভাষা শিকাৰ ব্যাকৰণিক পদ্ধতি সম্পৰ্কীয় গ্ৰন্থ অতি নগণ্য। এক কথাত ক'বলৈ হ'লে পূৰ্ণাঙ্গ ৰূপত টাই আহোম ভাষাৰ ব্যাকৰণ পুথি নাছিল বুলিয়েই ক'ব পাৰি। এনে অভাৱ পূৰণ কৰিবৰ বাবে টাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা টাই ভাষাৰ বিশেষজ্ঞ ডাম চাও ৰত্নেশ্বৰ বুঢ়াগোহাঞিয়ে ১৯৯৪ চনত "প্যুঙ-খম-টাই" (টাই ভাষাৰ ব্যাকৰণ) ৰচনা কৰে আৰু এই পুথিখন প্ৰকাশ কৰে পূৰ্ব্বাঞ্চল টাই সাহিত্য সভাই। এই ব্যাকৰণখনৰ দ্বিতীয় সংস্কৰণ ২০০৬ চনত পূৰ্ব্বাঞ্চল টাই সাহিত্য সভাই পুৰ্নমুদ্ৰণ কৰে। সাম্প্ৰতিক সময়ত টাই ভাষা শিকাৰ ধাউতিৰ প্ৰতি লক্ষ্য ৰাখি টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানে এই **প্যুঙ খম টাই** পুথিখনৰ তৃতীয় সংস্কৰণ প্ৰকাশ কৰিলে। গ্ৰন্থখনিত লেখকে পূৰ্বতে ব্যৱহাৰ কৰা বাক্য গাঠনিকে ধৰি বিভিন্ন ব্যাকৰিণক পদ্ধতিসমূহ কোনো সাল-সলনি নঘটোৱাকৈ ৰখা হৈছে। কিন্তু ছপাৰ বৰ্ণাশুদ্ধিকে ধৰি অন্যান্য খুটি-নাতিবোৰ এই সংস্কৰণত শুধৰণি কৰা হ'ল। এই কামখিনি অতি সাৱধানতাৰে কৰি দিয়া বাবে সহকৰ্মী জীৱেশ্বৰ মহন আৰু মেদিনী মোহন গগৈৰ ওচৰত কৃতজ্ঞ। অন্য এটি উল্লেখযোগ্য কথা হ'ল যে- এই সংস্কৰণত পূৰ্ব্বতে লেখকে ব্যৱহাৰ কৰা 'তাই' শব্দটো দন্ত্য 'ত'ৰ পৰিৱৰ্তে মূৰ্ধণ্য 'ট' ব্যৱহাৰ কৰি টাই লিখা হৈছে। কাৰণ অসমীয়া ব্যাকৰণৰ নিয়ম অনুসৰি ইন্সটিটিউট অৱ টাই ষ্টাডিজ এণ্ড ৰিৰ্চাচয়ে "টাই" শব্দটোহে ব্যৱহাৰ কৰি আহিছে। যেই কি নহওক, এই গ্ৰন্থখনিত অন্তৰ্ভূক্ত কৰা উল্লেখযোগ্য ব্যাকৰণিক কেইটামান দিশ হৈছে—লিপিপাঠ, যৌগিক শব্দ, কৰ্ত্তা-কৰ্ম্ম পূৰক, বিশেষ্য-বিশেষণ, বাক্য গাঁঠনিৰ প্ৰক্ৰিয়া, ক্ৰিয়া আৰু অব্যয় পদ, বাক্যত ক্ৰিয়া বিভক্তিৰ স্থান আদি। আশা কৰোঁ, এই কিতাপখনিয়ে টাই ভাষাৰ ন-শিকাৰু সকলক বহুপৰিমাণে উপকৃত কৰিব আৰু টাই ভাষাৰ বিকাশত ইন্ধন যোগাব।

(ড° গিৰিন ফুকন)
সঞ্চালক
ইন্সটিটিউত অফ টাই ষ্টাডিজ এণ্ড ৰিৰ্চাচ

১১ মাৰ্চ, ২০১২

লিখকৰ দুৱাৰ
১ম সংস্কৰণ

অসমত তাই ভাষা চৰ্চাৰ পাতনি আহোম যুগতেই আৰম্ভ হৈছিল। সেই উদ্দেশ্যৰে আহোম ভাষাত লতি অম্র, বৰ অম্র, বৰ্ণমালা পৰিচয় পুথি মধ্য যুগতেই লিখা হৈছিল বুলি অনুমান কৰিব পাৰি। আহোম ভাষাৰ পণ্ডিত সকলে সময়ে সময়ে আহোম ভাষাৰ বিকাশ সাধন কৰাতো যত্নপৰ হৈছিল। আহোমৰ ৰাজত্ব হেৰুৱাৰ পাছৰ বৃটিছ যুগতো বহু হেঁচাতো মহন-দেউধাই-বাইলুঙ পণ্ডিত সকলে তাই ভাষাৰ চৰ্চা পৰম্পৰাগত ভাৱেই কৰি আহিছিল। বৃটিছসকলৰ দুই এজনে আৰু অসমৰো দুই এজনে তাই ভাষাৰ চৰ্চাত মনোনিবেশ কৰিছিল। সেই দৰেই অসমত তাই ভাষাৰ চৰ্চাৰ পৰম্পৰাৰ এক ধাৰাবাহিকতা ৰক্ষা হৈ আহিছিল। কিন্তু খামতি গ্ৰামাৰ, শ্যান গ্ৰামাৰ লিখা হ'লেও আহোম প্ৰাইমাৰ আৰু ড° গ্ৰীয়াচনৰ টোকাৰ বাহিৰে তাই আহোম ভাষাৰ প্ৰচলিত পৰম্পৰাগত বৈশিষ্ট্য সমূহ উদ্ধাৰ কৰি ব্যাকৰণৰ অভাৱ পূৰণ কৰিবলৈকে এই অভাজনে বহু বছৰ অধ্যয়নত মনোনিবেশ কৰি আহোম শিক্ষা পুথিখনি লিখি উলিয়ালোঁ। পুথিখনিৰ আকাৰ বিস্তৃত হ'লে সকলোৰে সহজলভ্য নহ'ব বুলি ভাবিয়েই কিছু পৰিসৰ কমাই আৰু দুটা খণ্ড কৰি প্ৰকাশ কৰিবলৈ তাই সাহিত্য সভাক দিলোঁ । বহু বছৰৰ পূৰ্বেই তাই সাহিত্য সভাই পুথিখনি প্ৰকাশৰ বাবে সিদ্ধান্তগ্ৰহণ কৰি লিখকৰ পৰা পাণ্ডুলিপি লৈ কাৰ্যালয়ত জমাকৰি ৰাখিছিল। পুথিখনি প্ৰকাশ কৰিবলৈ লোৱাৰ বাবে তাই সাহিত্য সভাৰ ওচৰত আৰু সভাৰ সুধী সদস্য বৃন্দ ওচৰত মই কৃতজ্ঞ।

পুথিখনিয়ে তাই আহোম ভাষাৰ বিশেষ বৈশিষ্ট্যসমূহ শিকাত সহায় কৰিলে মই সুখী হম। দুই এটা ভুল বিশ্লেষণ আৰু দুই এটা ভুল ৰৈ যোৱা স্বাভাৱিক। সুধীজনে ভুল সমূহ আৰু বাদ পৰি যোৱা দিশ সমূহ আঙুলিয়াই দেখুৱালে পাছৰ সংস্কৰণত শুধৰাবলৈ যত্ন কৰিম। আশা কৰোঁ তাই সাহিত্য সভাৰ আৰু লিখকৰ প্ৰচেষ্টাক ৰাইজে গ্ৰহণ কৰিব।

ৰঙ বয় বয়—

ৰত্নেশ্বৰ বুঢ়াগোহাঞি
লংকাক গোহাঁই গাঁও
পানী বিল, শিৱসাগৰ।

২/৯/৯৪

সূচীপত্ৰ

প্ৰথম খণ্ড ঃ

দ্বিতীয় খণ্ড ঃ

প্ৰথম পাঠ

ব্যঞ্জন বৰ্ণ পৰিচয়

𑜀	𑜁	𑜂	𑜃	𑜄	𑜆
কা	খা	ঙা	না	তা	পা
𑜇	𑜈	𑜉	𑜊	𑜋	𑜌
ফা	বা	মা	জা	চা	থা
𑜍	𑜎	𑜏	𑜐	𑜑	𑜒
ৰা	লা	ছা	ঞা	হা	আ
𑜓	𑜔	𑜕	𑜗	𑜘	𑜙
দা	ধা	গা	ঘা	ভা	ঝা

ব্যঞ্জন বৰ্ণত মন কৰিব লগীয়া কেইটামান দিশ ঃ

১। ব্যঞ্জন বৰ্ণ মুঠতে ২৪ টা

২। বৰ্ণমালাত বৰ্ণৰ ক্ৰম অসমীয়াৰ সৈতে একে নহয়।

৩। বৰ্ণবোৰৰ উচ্চাৰণটো মতেই বৰ্ণবোৰৰ নাম। বৰ্ণবোৰ আকাৰান্ত কৰি মতা হয়।

৪। লিখোঁতে ওপৰত বাঁও ফালে আৰম্ভ কৰি প্ৰথমে সোঁফালে অলপ নি তললৈ আনি তাৰ পাচত সোঁফাললৈ নি বৰ্ণটো লিখা হয়।

৫। আ বৰ্ণটো আহোম ভাষাত ব্যঞ্জন বৰ্ণ মালাত ধৰা হয়। স্বৰবৰ্ণ মালাত নহয়।

৬। অসমীয়াত থকা শ, ষ, স, ক্ষ, ং, ঁ বৰ্ণ কেইটা আহোম ভাষাত নাই।

৭। ভাৰতীয় ভাষাৰ দৰে পৃথক দন্ত্যবৰ্ণ, মূৰ্ধণ্য বৰ্ণ নাই।

৮। 𑜗 𑜘 𑜔 বৰ্ণ কেইটা পুৰণি পুথিত [illegible] [illegible] [illegible] ৰূপে লিখাহে পোৱা হয়। বৰ্ণ বিলাকৰ মাজত কিছুমান পৰম্পৰা সাদৃশ্য আৰু পাথক্য আছে সেই সাদৃশ্য পাৰ্থক্যখিনি মনত ৰাখি বৰ্ণবোৰ শিকিবলৈ সহজ হয়।

৬। সংযুক্ত স্বৰ কাৰ বিলাকত সংযোগ হোৱা কিছুমান মৌলিক কাৰৰ নিজা উচ্চাৰণ ওলাই থাকে কিন্তু কিছুমান মৌলিক কাৰৰ উচ্চাৰণ লুপ্ত হয়। একোটা নতুন উৰ্চ্চাৰণ সৃষ্টি হয়।

৭। উৰ্চ্চাৰণৰ দিশ বিচাৰ কৰি দেখা যায় স্বৰ কাৰ বিলাকৰ কিছুমান সদায় অন্ত্য কাৰ, কিছুমান সদায় মধ্য কাৰ কিছুমান হে আদ্য, মধ্য, অন্ত্য কাৰ ৰূপে ব্যৱহাৰ হয় সেই বিলাক –

ক) শব্দ আৰম্ভণিতে উচ্চাৰণ হোৱা স্বৰবোৰ আদ্য স্বৰ। স্বৰ বৰ্ণৰে আৰম্ভ হোৱা শব্দবিলাক আৰম্ভণিৰ স্বৰ আদ্য স্বৰ।

খ) ব্যঞ্জনৰে আৰম্ভ আৰু ব্যঞ্জনৰে শেষ হোৱাত শব্দ মাজত উচ্চাৰিত স্বৰ মধ্যস্বৰ। এনে স্বৰ কাৰ লিখাৰ পাচত সদায় এটা ব্যঞ্জন বৰ্ণ থাকিবই লাগে, ইয়াতে শব্দ শেষ হব নোৱাৰে। মধ্য স্বৰ কেইটা হ'ল - [illegible] কাৰ হীন ব্যঞ্জনত উৰ্চ্চাৰিত 'আ'।

গ) ব্যঞ্জনৰে আৰম্ভ হৈ স্বৰৰে শেষ হোৱা শব্দৰ শেষ স্বৰটোহঁত অন্ত্য স্বৰ। কিছুমান সদায় অন্ত্যস্বৰ – অন্ত্য স্বৰবোৰ হ'ল - [illegible] আৰু দ্বি স্বৰ ধ্বনিত স্বৰবোৰ। দ্বিস্বৰ ধ্বনিত স্বৰৰ পাচত কেতিয়াও ব্যঞ্জন বৰ্ণ নাথাকে। তাৰ এটা ব্যতিক্ৰম হৈছে - [illegible]

ঘ) এটা স্বৰ বৰ্ণৰে এটা শব্দ হ'লে সেই স্বৰ হয় আদ্য অন্ত্য স্বৰ।

৮। তেউ খ কাৰটো আচলতে মধ্য কাৰ হ'লেও কেতিয়াবা অন্ত্য কাৰ ৰূপে লিখা দেখা যায়। মধ্য কাৰ ৰূপে ই লিখান্ত সাধাৰণতে 'টাঙ টু' কাৰলৈ ৰূপান্তৰিত হয় আৰু ইয়াৰ পাচত ব্যঞ্জন বৰ্ণ থাকে। গতিকে তেউ খ কাৰক মধ্য কাৰ ৰূপে লিখাটো সমীচীন নহয়।

৯। 'টাঙ' কাৰ মধ্য কাৰ। ইয়াৰ উৰ্চ্চাৰণ স্পষ্ট ভাৱে ই হ'লে টাঙ ৰূপান্ত লিখা হয়, কিন্তু যদি উৰ্চ্চাৰণ অস্পষ্ট হয় তেন্তে ইয়াক টাঙ টু ৰূপতহে লিখা হয়।

১০। স্বৰ উৰ্চ্চাৰণ বুজাবলৈ বিভিন্ন স্বৰ কাৰ ব্যৱহাৰ হোৱাৰ দৰে ব্যঞ্জন বৰ্ণ একোটাৰ লগত স্বৰ উৰ্চ্চাৰণ নোহোৱা বুজাবলৈ বৰ্ণটোৰ ওপৰত ছাট চিন ব্যৱহাৰ কৰা হয়।

* * *

চতুৰ্থ পাঠ
সংযোগী ব্যঞ্জন আৰু ব্যঞ্জন কাৰ

আহোম ভাষাত সাধাৰণ ভাবে সংযোগী ব্যঞ্জন বৰ্ণ নাই। কিন্তু লিখিত ৰূপত সংযোগী ব্যঞ্জন বৰ্ণ নাথাকিলেও উৰ্চ্চাৰণত কেইটামান সংযোগী ব্যঞ্জন উচ্চাৰণ আছে। অন্য ব্যঞ্জনৰ লগত সংযোগী ভাবে উৰ্চ্চাৰণ হোৱা ব্যঞ্জন কেইটা হ'ল - ৰ ল ৱ য়।

'ৰ' সংযোগ ঃ - 𑜁 𑜄 𑜇 আৰু কেতিয়াবা 𑜈 বৰ্ণৰ লগত 'ৰ' উৰ্চ্চাৰণ সংযোগ হ'ব পাৰে। ইয়াৰ বাবে কেতিয়াব 'ৰ' কাৰ বৰ্ণৰ তলত যোগ দিয়া হয়। কেতিয়াবা কিন্তু কাৰ চিন নেথাকে কেৱল উৰ্চ্চাৰণতহে 'ৰ' সংযোগ হয়। যেনে —

𑜁𑜡, 𑜁𑜞𑜡 খ্ৰা, 𑜁𑜩, 𑜁𑜞𑜩 খ্ৰাই, 𑜄𑜡 𑜄𑜞𑜡 ত্ৰা

বিশেষ বানান 𑜁 𑜁𑜞 ত 'ৰ' কাৰ ◌ বৰ্ণৰ তলত নহৈ ওপৰতে।

'ৰ' কোনো বৰ্ণৰ আগত স্বৰ হীন হৈ ৰেফ ´ ৰূপে কোনো চিন বা উৰ্চ্চাৰণটো আহোম ভাষাত নাই।

'ৰ' কেৱল 𑜁 𑜄 𑜇 বৰ্ণৰ লগতহে সংযোগী হয় অন্য বৰ্ণৰ লগত নহয়। কেতিয়াবা অৱশ্যে 𑜈 ৰ লগতো হয় যেনে ঃ 𑜈𑜞𑜄

'ল' সংযোগ ঃ- 𑜀 𑜆 𑜈 𑜇 কেৱল এই চাৰিটা বৰ্ণৰ লগতহে আৰু কেৱল উৰ্চ্চাৰণহে 'ল' সংযোগ হয়। যেনে ঃ-

𑜀𑜂	𑜀𑜂	𑜆𑜡	𑜆𑜤	𑜈𑜀	𑜈𑜦𑜃	𑜇𑜃
ক্লঙ	ক্লাঙ	প্লা	প্লাউ	ব্লক	প্লেন	ফ্লন

'ৱ' সংযোগ ঃ - কেতিয়াবা অৰ্থ বিশেষে শব্দত বৰ্ণৰ লগত ৱ সংযুক্ত হৈ বৰ্ণটো উৰ্চ্চাৰিত হয়। এইৱ সংযোগৰ চিন স্বৰূপে কেতিয়াবা "খেন" কাৰটো থাকিলেও কেতিয়াবা ই নথকাকৈয়ে ৱ সংযুক্ত উৰ্চ্চাৰণ। কেতিয়াবা আকৌ খেন কাৰ থাকিলেও 'ৱ' সংযুক্ত নহয়। যেনে ঃ-

𑜀𑜡	𑜦𑜀	𑜀𑜂	𑜀𑜨	𑜈𑜨
ক্বা	ক্ব	ক্বাঙ	ক্বাও	স্বাও

'য়' সংযোগ ঃ কিছুমান শব্দ কেৱল উৰ্চ্চাৰণতহে য় সংযুক্ত হৈ উৰ্চ্চাৰিত হয়। ইয়াৰবাবে

কোনো কাৰ চিন নাথাকে। যেনে ঃ-

m໋ໂ m໌ຮ໌ ຮ໌ô ôn໌ ບໂຮ໌ ຟ໌ ບໂຮ໌ ນ໌ô

কৌ কেঙ ঙাও তেম বাঁঙ লেম মাঁঙ চাও

টাই লোকৰ মুখত কোনো ক্ষেত্ৰত ৰ, ল, ব বৰ্ণ কেইটাৰ ক্ষেত্ৰত উৰ্চ্চাৰণ বিচ্যুটি ঘটি এটাৰ ঠাইত অন্য এটা অৰ্থাৎ 'ৰ' ৰ ঠাইত ল, ৱ, 'ল' ৰ ঠাইত 'ৰ' সংযোগী উৰ্চ্চাৰণ ঘটে।

✱ ✱ ✱

পঞ্চম পাঠ

বানান

ক) একোটা ব্যঞ্জন বৰ্ণত স্বৰ কাৰ যোগ কৰাৰ নিয়ম আৰু উদাহৰণ ৩য় পাঠত দেখুৱা হৈছে। মুখেৰে কওঁতে কাৰ আৰু বৰ্ণৰ ক্ৰম মতে নামবোৰ কব লাগে। যেনে ঃ-

m; ກຼ ທບ ທon

কা মাইনা কা খা ছাতু খু তেউখ পা লেবা পা তেউখ তা ছাট তে

খ) দুটা ব্যঞ্জন বৰ্ণ যুক্ত শব্দত (আগৰটো স্বৰ যুক্ত পাচৰটো স্বৰ হীন হয়) আগৰ বৰ্ণ যদি 'আ' উৰ্চ্চাৰণ যুক্ত হয় তেন্তে কোনো স্বৰ কাৰ যুক্ত নহয় , কেৱল বৰ্ণটোহে লিখা হয়। যেনে ঃ- mຄ, ບon

গ) কোনো ব্যঞ্জন বৰ্ণ স্বৰ হীন হ'লে (ব্যঞ্জনান্ত শব্দৰ শেষৰ বৰ্ণটো) তাৰ ওপৰত 'ছাট' চিনটো লিখিব লাগে, মুখেৰে কওঁতেও কব লাগে।

যেনে ঃ- mon, ບ໌ຄ

স্বৰ হীন ব্যঞ্জন বৰ্ণটো 'ম' হ'লে ৬ বা ˙ কাম কাৰ যোগ দি কৰা হয়।

যেনে ঃ- ṁ ຄ໋ ນ໋ ।

ঘ) আহোম ভাষাত কেইটামান বিশেষ বানানৰ শব্দ আছে, ব্যঞ্জনৰ স্বৰ কাৰ যুক্ত হ'লেও সেই কাৰ অনুযায়ী উৰ্চ্চাৰণ নহৈ অন্য নিজা একোটা উৰ্চ্চাৰণহে হয়।

যেনে ঃ- ນ; ນ໌ໃ

হা নহয় ঐ/অই   হিআ নহৈ হিত

খাইআ নহৈ খাই ফা   ফা, ফ্রা, ফফা   বাব নহৈ বৌ

ঙ) **কাৰৰ দ্বিত্বতা ঃ** এটা স্বৰান্ত শব্দ যদি একে লগে পুনৰাবৃত্তি হৈ অৰ্থাৎ দুবাৰ কোবা হৈ এটা নতুন যৌগিক শব্দ হয় তেন্তে স্বৰ কাৰৰ সৰ্ব্বশেষ চিনটো দুবাৰ লিখা হয়। সেই বিলাক শব্দৰ উদাহৰণ ঃ-

কা কা   লা লা   কাই কাই   মাও মাও   কিউ কিউ   কয় কয়

মম মম   কাম কাম   কিম কিম   কুম কুম

চ) **একাধিক স্বৰ কাৰ ঃ-** একেটা ব্যঞ্জনতে বিভিন্ন স্বৰ কাৰ যোগ হৈ হোৱা দুটা শব্দ লগলাগি যদি এটা যৌগিক শব্দ হয় তেন্তে ব্যঞ্জন বৰ্ণতো এবাৰ লিখি তাতেই দুয়োটা কাৰ সংযোগ কৰা হয়। যেনে —

কাম কিউ   চাম চাও   নাম না   চে চাও

কাও কয়   ফ ফা   কাই কা

ছ) ব্যঞ্জনান্ত শব্দ যদি পুনৰাবৃত্তি হয় তেন্তে দুবাৰ নিলিখি শেষৰ ব্যঞ্জনৰ ওপৰত থকা 'ছাট' চিনটো দুবাৰ লিখা হয়। যেনে ঃ-

কুন কুন   তাক তাক   বাঙ বাঙ

জ) আগৰ ব্যঞ্জনান্ত শব্দটো যিটো ব্যঞ্জনৰে শেষ সেই ব্যঞ্জনৰে 'আ' উচ্চাৰিত হৈ আৰম্ভ হোৱা শব্দ মিলি এটা নতুন যৌগিক শব্দ হয় তেন্তে পাচৰ শব্দটো আৰম্ভণি ব্যঞ্জনটো লিখা নহয়। যেনেঃ-

কুন নাঙ   থিন নাঙ   খট টাঙ   ৰাক কান

ঝ) কেতিয়াবা আগৰ স্বৰান্ত শব্দত থকা ব্যঞ্জন বৰ্ণটোৱে পাচৰ শব্দ 'আ' উৰ্চ্চাৰণ যুক্ত হৈ আৰম্ভ হ'লে পাচৰ শব্দৰ ব্যঞ্জনটো লিখা নহয়। যেনে ঃ-

𑜄𑜩𑜃𑜫	𑜀𑜩;
তাইতান	কাইকা

* * *

ষষ্ঠ পাঠ

শব্দ

ক) **টাই আহোম শব্দৰ বৈশিষ্ট্য ঃ** টাই ভাষাৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্য বিলাক আহোম ভাষাতো আছে। তেনে বৈশিষ্ট্য কিছুমান হ'ল ঃ-

১) **একস্বৰ ধ্বনি ঃ** টাই ভাষা একস্বৰ ধ্বনিত শব্দৰ ভাষা (Monosyllabic বা Isolating ভাষা। একোটা টাই শব্দত মাত্র এটা স্বৰ বৰ্ণ বা বৰ্ণ উৰ্চ্চাৰণহে হব পাৰে। এটা মাত্র স্বৰ বৰ্ণ (Simple or diphthong) উৰ্চ্চাৰণ হোৱা বৰ্ণ বা বৰ্ণ সমষ্টিয়ে একোটা Syllable। টাই ভাষাত এনে একোটা Syllable এই একোটা অৰ্থযুক্ত সম্পূৰ্ণ সৰল শব্দ হয়। একাধিক Syllable (অৰ্থযুক্ত স্বতন্ত্ৰ শব্দ) লগ লাগি একোটা যৌগিক শব্দ সৃষ্টি হ'লেও তাৰ প্ৰতিটো Syllable একোটা অৰ্থযুক্ত স্বতন্ত্ৰ শব্দ। একাধিক অৰ্থশূন্য Syllable থকা শব্দৰে গঠিত কোনো শব্দ হ'লে বুজিব লাগিব যে যি টাই আহোম শব্দ নহয়, বাহিৰাগত শব্দহে।

২) **সুৰ প্ৰধান (Tonal) ঃ** টাই ভাষা সুৰ প্ৰধান ভাষা (Tonal Language)। একোটা বানানৰে একোটা শব্দ বিভিন্ন উচ্চাৰণ আৰু সুৰৰে কোৱা হয় আৰু বিভিন্ন সুৰত অৰ্থ আৰু ভাবো বিভিন্ন হয়। ফলত একোটা শব্দৰে অনেক অৰ্থ হব পাৰে। সেই দৰে বিভিন্ন পদৰূপে বাক্যত ব্যৱহাৰ হয়। শব্দৰূপে পদ নিৰ্ণয় নহৈ বাক্যত ব্যৱহাৰৰ অনুযায়ীহে পদ নিৰ্ণয় হয়।

৩) **ৰূপৰ অপৰিৱৰ্ত্তন ঃ** বাক্যত যি স্বৰূপেই ব্যৱহাৰ নহওক বা যাৰ লগতেই ব্যৱহাৰ নহওক একোটো শব্দ ৰূপ কাহানিও সলনি নহয়। সদায় একেৰূপতে একে বানানতে

থাকে। (অৱশ্যে উৰ্চ্চাৰণৰ ক্ষেত্ৰত কেইটামান সলনি ঘটে যেনে - এটা স্বৰান্ত শব্দ অন্য প্ৰধান শব্দৰ লগত বিভক্তি আদি সহায়ক শব্দ ৰূপে আগত যোগ হ'লে সেই শব্দৰ পাচত থকা প্ৰধান শব্দৰ আৰম্ভণিৰ স্বৰ উৰ্চ্চাৰণৰ লগত সামঞ্জস্য ৰাখি উচ্চাৰণ সলনি হয়। যেনে :-

an° mań তা কাত   an° m°ǵ তি কিন

৪) **সন্ধি হীনতা :** আহোম ভাষাত সন্ধি নাই। গতিকে সন্ধি হব পৰা দুটা শব্দ একেলগে থাকিলেও দুয়ো মিলি এক হব নোৱাৰে।

৫) **ব্যৱহাৰ :** আহোম ভাষাত শব্দৰ ব্যৱহাৰ প্ৰধানত পাঁচ প্ৰকাৰে হয়।

ক) প্ৰধান শব্দ ৰূপ

খ) যৌগিক শব্দ অংশ ৰূপ

গ) বিভক্তি বা অন্য সহায়ক চিন ৰূপে

ঘ) বিশেষ ভাব বা অৰ্থ প্ৰকাশক চিন ৰূপে

ঙ) অহৈতুকী শব্দ ৰূপে।

খ) **স্বৰান্ত শব্দ :** স্বৰ বৰ্ণৰ উৰ্চ্চাৰণৰে যি সৰল শব্দ অন্ত হয় সিয়েই স্বৰান্ত শব্দ। স্বৰান্ত শব্দৰ গঠন : ১) একো স্বৰ বৰ্ণ নিজে এটা শব্দ হ'লে শেষ উৰ্চ্চাৰণ স্বৰ হয়। ২) একোটা ব্যঞ্জন বৰ্ণৰ লগত স্বৰ কাৰ চিন যোগ হৈ শব্দ হ'লে শেষ উৰ্চ্চাৰণ স্বৰ হয়।

গ) **ব্যঞ্জনান্ত শব্দ :** যি সৰল শব্দ ব্যঞ্জন বৰ্ণৰ উৰ্চ্চাৰণৰে অন্ত হয় সিয়ে ব্যঞ্জন বৰ্ণ। এনে শব্দত শেষ স্বৰহীন ব্যঞ্জন বৰ্ণ থাকে। ব্যঞ্জনান্ত শব্দৰ গঠন : ১) এটা স্বৰবৰ্ণৰ পাচত এটা স্বৰহীন ব্যঞ্জন বৰ্ণৰে। ২) মধ্য স্বৰ (কাৰ বা উৰ্চ্চাৰণ) যুক্ত হোৱা এটা ব্যঞ্জন বৰ্ণৰ পাচত এটা স্বৰহীন বৰ্ণৰে। ৩) 'ম' উৰ্চ্চাৰণৰে শেষ হোৱাব্যঞ্জনান্ত শব্দ হ'লে শেষত কেতিয়াবা ᴍ লিখিব পাৰিলেও সাধাৰণতে -ঁ (কাম) কাৰটোহে লিখা হয়।

ঘ) **শব্দ গঠনত মন কৰিব লগীয়া :**

১) কেৱল এটা স্বৰ বৰ্ণৰে এটা শব্দ হব পাৰে কিন্তু এটা ব্যঞ্জনৰে শব্দ নহয়।

২) এটা শব্দত ২ টাতকৈ অধিক ব্যঞ্জন বৰ্ণ থাকিব নোৱাৰে।

৩) দ্বিস্বৰ ধ্বনিত স্বৰ বৰ্ণ সদায় অন্তস্বৰ হেতুকে ইয়াৰ পাচত কোনো ব্যঞ্জন বৰ্ণ ব্যৱহাৰ হ'ব নোৱাৰে। মধ্যস্বৰ সদায় একস্বৰ ধ্বনিত হেতুকে ব্যঞ্জনৰে আৰম্ভব্যঞ্জনৰে শেষ হোৱা শব্দত আগৰ বৰ্ণত যোগ হোৱা স্বৰ কাৰ এক স্বৰ ধ্বনিত হ'ব লাগে।

৪) এটা শব্দত মাত্ৰ এটা (একস্বৰ ধ্বনিত বা দ্বিস্বৰ ধ্বনিত) স্বৰ বৰ্ণহে থাকিব পাৰে।

৫) শেষত থকা ব্যঞ্জন বৰ্ণটোক স্বৰ হীন বুজাবৰ বাবে ওপৰত 'ছাট' চিন দিয়া হয়। অৱশ্যে 'ছাট' চিন নিদিলেও হ'ব পাৰে, কাৰণ শেষত থকা আৰু কোনো চিন নথকা ব্যঞ্জন সদায় স্বৰ হীন।

৬) 𑜀 𑜂 𑜄 𑜃 𑜆 𑜉 𑜈 এই ৭ টা ব্যঞ্জন বৰ্ণৰেহে টাই ভাষাৰ শব্দ শেষ হ'ব পাৰে, অন্য বৰ্ণৰে নহয়। অন্য বৰ্ণৰে শেষ হোৱা শব্দ পালে বুজিব লাগে সি টাই শব্দ নহয় বাহিৰাগত শব্দহে।

৭) 'আ' বৰ্ণটো ব্যঞ্জন বৰ্ণমালাত ধৰিলেও 'আ' উৰ্চ্চাৰণৰে অন্ত হোৱা 'মাইনা বা লেবা' চিনৰে শেষ হোৱা শব্দ ব্যঞ্জনান্ত নহয় স্বৰান্তহে। দুটা ব্যঞ্জন বৰ্ণৰে গঠিত শব্দত আগৰ ব্যঞ্জন 'আ' উৰ্চ্চাৰণ যুক্ত হ'লে কোনো কাৰ লিখা নহয়। আগৰ ব্যঞ্জনত কোনো কাৰ যুক্ত নহ'লে 'আ' উৰ্চ্চাৰণ যুক্ত কৰি মাতিব লাগে।

৮) 'এ্ঞ' বৰ্ণটো পঢ়োতে ইয়াৰ উৰ্চ্চাৰণ কেতিয়াবা 'য়' কেতিয়াবা 'ন্য' আৰু কেতিয়াবা ন হয়।

সপ্তম পাঠ
লিপি পাঠ

ক। লিখিত আহোম ভাষা পাঠ কৰিবৰ বাবে জানিব লগীয়া বিষয় বিলাক আগৰ পাঠ কেইটাত আলোচনা কৰা হৈছে। সেই আলোচিত বিষয় কেইটি ঃ-

১। তৃতীয় পাঠত (৬) (৮) (৯) (১০)

২। চতুৰ্থ পাঠ

৩। পঞ্চম পাঠত (গ) (ঘ) (ঙ) (চ) (ছ) (জ) (ঝ)

৪। ষষ্ঠ পাঠত ক) (৪) (৫) ঘ) (৪) (৫) (৬) (৭)

খ। একোটা যৌগিক শব্দত থকা দুয়োটা বা কেওটা শব্দ একেলগে নিলিখি স্বতন্ত্র শব্দৰ দৰেই লিখা হয় যদিও একলগে মাতিব পাৰিব, কিন্তু সন্ধি যুক্ত কৰি মাতিব নেলাগে। আধুনিকীকৰণ কৰিলে যৌগিক শব্দবোৰত শব্দবোৰৰ মাজত "—" হাইফেন চিন যোগ দি লিখাটো উচিত।

গ। পুৰণি লিখিত পুথিত যতি চিহ্ন ব্যৱহাৰ নাই। গতিকে পঢ়োতাই নিজে অৰ্থবুজি সেই যতি চিহ্নৰ ব্যৱহাৰ কৰি পঢ়িব লাগে। [আধুনিকীকৰণ কৰিলে ইংৰাজী অসমীয়াৰ দৰে যতি চিহ্ন ব্যৱহাৰ কৰিব লাগে]

ঘ। যিহেতু উচ্চাৰণ আৰু সুৰ ভেদে শব্দ বা বাক্যৰ অৰ্থ আৰু ভাব বেলেগ বেলেগ হয়। সেইবাবে উপযুক্ত উৰ্চ্চাৰণ আৰু সুৰৰে পাঠ কৰিব লাগে।

ঙ। পুৰণি পুথিত কাচিৎ লিখিত কেইটামান শব্দ মনত ৰাখিব লাগে।

[illegible]	[illegible]	[illegible]	[illegible]
ক্রেম ক্রেম ক্লু ক্লু	পি প্লেত	তে জাও	ক্রেন

১। লিপি পাঠৰ অভ্যাসৰ বাবে—

[illegible] — চাও নু ন্ধ চাও কাও ঐ।
[illegible] — ফ্রা তু চিঙ ফ্রঙ হুম ঐ।
[illegible] — ফা লাই বেত ফা পিন বেত।
[illegible] — লিত লাই পেঞ কা কা।
[illegible] — চুম ফা কঙ হেঙ মৌঙ।
[illegible] — পিন এঞঙ জিম মী ৰান ক।
[illegible] — তাউ ফা পাই মী দিন।
[illegible] — লা লা জু ছি প্লাউ।
[illegible] — চাও ফা ছী তাম ম্লা পিন খুন জাও।
[illegible]
[illegible] — চাও ছী ক্রেন মৌঙ লুক মান চাও ছী হুম।
[illegible] — আও মা ব্লক চিঙ ফা চাম ব্লক তঙ।
[illegible] — প্লা চাম মাক খু নাম নাম অক তা কাত।

[illegible]

****

অষ্টম পাঠ

যৌগিক শব্দ

টাই ভাষাত একস্বৰ ধ্বনিত একোটা বৰ্ণৰ সমষ্টিৰে একাটা অৰ্থপূৰ্ণ সৰল শব্দ হয় অৰ্থাৎ এটা Syallable এটা অৰ্থযুক্ত শব্দ। অৰ্থপূৰ্ণ শব্দ নোহোৱা syallable টাই ভাষাত নাই ।এই একস্বৰী বৰ্ণৰ প্ৰতিটো সমষ্টিকে একোটা শব্দ বোলা হয়।

যৌগিক শব্দ ঃ - দুটা বা ততোধিক সৰল শব্দ লগ লাগি একোটা গোট হৈ এটা শব্দৰ দৰে একোটা স্বতন্ত্ৰ অৰ্থ প্ৰকাশ কৰি একোটা শব্দ হব পাৰে। এনে দৰে হোৱা শব্দবোৰক যৌগিক শব্দ বা যোৰীয়া শব্দ বোলা হয়।

যৌগিক শব্দৰ লক্ষণ ঃ যৌগিক শব্দ বিলাকৰ অৰ্থ প্ৰকাশত কিছুমান লক্ষণ আছে। তেনে কিছুমান লক্ষণ হৈছে-

১) লগ লগা সৰল শব্দ কেইটা প্ৰতিটোৰে কেইবাটাকৈ অৰ্থ থাকে আৰু কেউটাৰে এটা উমৈহতীয়া অৰ্থ থাকে। সেই উমৈহতীয়া অৰ্থটোৱেই যৌগিক শব্দটোৰো অৰ্থ হয়। যেনে- **[illegible]**

[illegible] (অৰ্থ - চাকৰ, বন্দী দুখীয়া, কটা) দুয়োৰে উমৈহতীয়া অৰ্থ কটা।

[illegible] (অৰ্থ- আদেশ, দুখীয়া, কটা) গতিকে **[illegible]** অৰ্থ হৈছে কটা।

২) লগ লগা সৰল শব্দ কেইটাৰ এটা উমৈহতীয়া ভাৱ থাকে। সেই উমৈহতীয়া মূল ভাবটো ৰক্ষা কৰি এটা অৰ্থ হয়। যেনে —

[illegible]	[illegible]	[illegible]
অৰ্থ - গোটোৱা	অৰ্থ -থোৱা	গতিকে জমা কৰা

আহোম সংখ্যা

অসমীয়া সংখ্যা	আহোম সংখ্যা	আধুনিক টাই সংখ্যা	উৰ্চ্চাৰণ	আহোম পুথিত থকা সংখ্যাৰ চিন
০	০	၀	𑜌𑜤 𑜏𑜤𑜂	
১	𑜱	၁	𑜎𑜢𑜂	𑜱
২	𑜲	၂	𑜏𑜨𑜂	𑜲
৩	𑜏𑜪	၃	𑜏𑜪	𑜏𑜪
৪	𑜏𑜣	၄	𑜏𑜣	𑜏𑜣
৫	𑜑	၅	𑜑	𑜑
৬	𑜶	၆	𑜍𑜤𑜀𑜫	𑜍𑜤𑜀𑜫
৭	𑜷	၇	𑜋𑜢𑜄𑜫	𑜷
৮	𑜸	၈	𑜆𑜦𑜄𑜫	𑜸
৯	𑜹	၉	𑜀𑜧	𑜀𑜧
১০	𑜺	၁၀	𑜏𑜢𑜆𑜫	𑜺

আহোম পুথিত থকা মতে ১ ৰ পৰা ১০ লৈকেহে সংখ্যা কেইটাৰ লিখিত চিন ব্যৱহাৰ হয়। অন্য সংখ্যাবোৰ কেৱল আখৰেৰেহে লিখা হয়। এপৰোক্ত ১০ টাৰ ভিতৰতো 𑜏𑜪 𑜏𑜣 𑜑 এই তিনিটা সংখ্যা আখৰেৰেহে লিখিত। এই আহোম সংখ্যাৰে অন্য সংখ্যাবোৰ লিখিব বা অংক কৰিব নোৱাৰি।

আধুনিক টাই সংখ্যা ৰূপে গৃহীত হোৱা সংখ্যাবোৰ মূলতে বাৰ্মীজ সংখ্যাহে। অন্যান্য সংখ্যা নেওতা লিখা, অঙ্ক কৰিবলৈ এই সংখ্যাৰে সুবিধা হেতুকে ম্যানমাৰ আৰু ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ টাই লোক সকলে এই বাৰ্মীজ সংখ্যাকে বৰ্ত্তমান ব্যৱহাৰ কৰিবলৈ লৈছে।

*****

দ্বিতীয় খণ্ড

প্ৰথম পাঠ

এটা ভাষা জানিবলৈ হ'লে সেই ভাষাটো শব্দবিলাক অৰ্থসহ জনাৰ যি দৰে অতিশয় প্ৰয়োজন সেইদৰে সেই শব্দ বিলাক ভাষাটোৰ ৰীতি অনুযায়ী সজাই একোটা সম্পূৰ্ণ ভাব প্ৰকাশক কথা বা বাক্য প্ৰস্তুত কৰিব জনাটোও অতিশয় প্ৰয়োজন। তাকে নেজানিলে ভাষাটো জনাটো কেতিয়াও সম্ভৱ নহয়। পদ্ধতিগতভাৱে শিক্ষা গ্ৰহণ নকৰিলে একোটা ভাষা শিকাটো সহজ নহয়, ভাষা জ্ঞানো ত্ৰুতি যুক্ত অথবা অসম্পূৰ্ণ হৈ থকাৰ সম্ভাৱনা। সেইহে পদ্ধতিগত ভাৱে ভাষা একোটা শিকাটো প্ৰয়োজনীয়।

টাই ভাষা শিক্ষাৰ এটি পদ্ধতি ঃ-

১। **বাক্যত খণ্ড বিভাজন ঃ** মানুহে কোৱা একোটা কথা বা বাক্যত কেইটামান খণ্ড থাকে। সেই বিলাক ক্ৰিয়া, কৰ্ত্তা, কৰ্ম্ম, পূৰক; ক্ৰিয়া বিশেষণীয়া কৰ্ত্তা, কৰ্ম্ম পূৰক আদিৰ বিশেষণীয়; সংযোগাত্মক শব্দ আদি। বাক্যত থকা এই খণ্ড বিলাকৰ উপযুক্ত ধাৰণাৰ অতি প্ৰয়োজন। এই প্ৰতিটো খণ্ডৰ লক্ষণ কি, ৰীতি কি, কাৰ্য কি, কেনেকৈ হয় ইত্যাদি কথাৰ সম্যক ধাৰণা হ'লেহে ভাষাটো ভালকৈ শিকিব পাৰি।

২। **পদ বিভাজন ঃ** বাক্যত ব্যৱহাৰ হ'লেই একোটা শব্দক একোটা পদ বোলে। ওপৰোক্ত খণ্ড বিলাকৰ কোনোবা খণ্ডত কোনো কাৰ্যত ব্যৱহাৰ হোৱা অনুযায়ী পদবিলাকৰ নামকৰণ হয় বিশেষ্য; সৰ্ব্বনাম; বিশেষণ; ক্ৰিয়া; ক্ৰিয়া বিশেষণ; অব্যয়।

৩। **পদৰ লক্ষণ কাৰ্য আৰু লগৰীয়া ঃ** বাক্যৰ খণ্ড বিলাকত যেইকোনো পদ ব্যৱহাৰ নহয়। খণ্ডটোৰ বাবে প্ৰয়োজনীয় পদহে ব্যৱহাৰ হয় আৰু সি বিশেষ উদ্দেশ্য সাধন কৰে। ইপ্সিত উদ্দেশ্য সাধনৰ বাবে পদে কেতিয়াবা লগৰীয়া অন্য শব্দ লগত লয়। এই বিলাক উদ্দেশ্যানুযায়ী স্থান গ্ৰহণ কৰে বিশিষ্ট শব্দ লগত লয়। এই বিলাকৰ বাবেও আকৌ নিৰ্দিষ্ট ৰীতি আছে।

৪। **খণ্ড আৰু পদৰ উদ্দেশ্য ঃ** বিভিন্ন উদ্দেশ্য পূৰণৰ বাবে বিভিন্ন খণ্ড আৰু খণ্ডত থকা পদ বিভিন্ন স্থানত, বিভিন্ন প্ৰকাৰে, বিভিন্ন লগৰীয়াৰে ব্যৱহাৰ হোৱাৰ ৰীতি আছে। সেই ৰীতি পালন কৰি শব্দ গাঁথনি কৰিলেহে বাক্যত ইপ্সিত ভাব প্ৰকাশ হয়।

ওপৰোক্ত খণ্ড বিলাকে (ক) কি কাম কৰে, কি উদ্দেশ্য সাধন কৰে (খ) কি পদ ব্যৱহাৰ হয় (গ) কেনেদৰে কিহৰে গঠন হয় (ঘ) বিভিন্ন উদ্দেশ্যৰ বাবে কেনে কেনে

লগৰীয়া শব্দ লয় (ঙ) বাক্যত খণ্ডটোৰ স্থান বা লগৰীয়া অংশ বিলাকৰ স্থান ক'ত (চ) এই ৰীতি বিলাকৰ বিশেষ ব্যতিক্ৰম আদি আছে নেকি; যদি আছে কি আৰু কেনে ব্যতিক্ৰম আদি আছে এই কথা বিলাকৰ সম্যক জ্ঞান থাকিব লাগে। বাক্যৰ প্ৰতিটো খণ্ডৰ এনে বিষয় বিলাকৰ স্পষ্ট ধাৰণা আহৰণ কৰিব পাৰিলেহে এটা ভাষা ভালদৰে শিকা হয়।

এনে দৃষ্টি ৰাখিয়েই এই পুথিত বিষয়বস্তু বিলাক পাঠ অনুযায়ী ভাগ কৰি আলোচনা কৰা হৈছে।

দ্বিতীয় পাঠ

বাক্যৰ প্ৰাৰম্ভিক গাঁঠনি

বাক্যৰ মূল ভিত্তি খণ্ড দুটা — কৰ্ত্তা আৰু ক্ৰিয়া। এই দুই খণ্ড বাধ্যতা মূলক। বাক্য হবলৈ হ'লে এই দুয়োটা খণ্ড থাকিবই লাগিব, অন্য খণ্ড কেইটা থাকিবও পাৰে নেথাকিবও পাৰে।

কৰ্ত্তা খণ্ডৰ বাবে লাগে বিশেষ্য পদ বা বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা সৰ্ব্বনাম পদ আৰু ক্ৰিয়া খণ্ডৰ বাবে লাগে ক্ৰিয়া পদ। গতিকে বাক্য গাঁঠনিৰ আলোচনা কৰাৰ আগতে কিছমান বিশেষ্য, সৰ্ব্বনাম আৰু ক্ৰিয়া পদৰ তালিকা দিয়া হ'ল।

কিছুমান সংজ্ঞাবোধক শব্দ ঃ

[illegible]	কুন	মানুহ	[illegible]	হু	গৰু
[illegible]	খাই	মহ	[illegible]	মা	কুকুৰ/ ঘোঁৰা/ শিয়াল/গাধ
[illegible]	চাঙ	হাতী	[illegible]	ছু/ছীৱ	বাঘ
[illegible]	ছেঙ লুঙ	সিংহ	[illegible]	মিউ	মেকুৰী
[illegible]	মূ	গাহৰি	[illegible]	মী	ভালুক
[illegible]	লা লিঙ	বান্দৰ	[illegible]	পে ভা	ছাগলী

𑜄𑜤, 𑜄𑜧𑜈𑜫	তু/তৌব	জন্তু	𑜃𑜤𑜀𑜫	নুক	চৰাই
𑜂𑜤	ঙু	সাপ	𑜆𑜡	প্লা	মাছ
𑜉𑜤𑜄𑜫	মুত	পৰুৱা	𑜒𑜤𑜂𑜫	এুঙ	মহ
𑜆𑜦𑜄𑜫	পেত	হাঁহ	𑜀𑜩	কাই	কুকুৰা
𑜀𑜡	কা	কাউৰী	𑜀𑜡 𑜀𑜦	কা কে	পাৰ
𑜄𑜤	তু	জন্তু	𑜀𑜤𑜃𑜫	কুন	কনোৰা
𑜊𑜂𑜫	জাঙ	বগলী	𑜄𑜤𑜃𑜫	তুন	গছ
𑜈𑜝𑜀𑜫	ব্লক	ফুল	𑜉𑜀𑜫	মাক	গুটি
𑜉𑜨 𑜉𑜨𑜂𑜫	ম মঙ	আম	𑜉𑜀𑜫 𑜎𑜂𑜫	মাক লাঙ	কঠাল
𑜋𑜨𑜀𑜫	চক	সুমথিৰা	𑜇𑜡	ফা	নেমু
𑜇𑜡𑜀𑜫	ফাক	শাক	𑜒𑜡	এৱা	বন/দৰব
𑜀𑜤𑜦𑜂𑜫	কুএঙ	কল	𑜉𑜀𑜫 𑜉𑜤	মাক মু	তামোল
𑜁𑜧	খাও	ভাত/ ধান	𑜁𑜧 𑜏𑜃𑜫	খাও ছান	চাউল
𑜁𑜧 𑜆𑜦𑜂𑜫	খাও পেঙ	পিঠা	𑜁𑜧 𑜋𑜢	খাও চি	চিৰা
𑜂𑜩	ঙাই	জলপান	𑜃𑜪	নাম	পানী
𑜃𑜪 𑜃𑜢𑜂𑜫	নাম নিঙ	চাহ পানী	𑜃𑜪 𑜎𑜧	নাম লাও	মদ পানী
𑜍𑜤𑜃𑜫, 𑜍𑜨𑜃𑜫	ৰান	ঘৰ	𑜁𑜧𑜂𑜫 𑜏𑜤𑜃𑜫	খৌঙ ছুন	বিদ্যালয়
𑜁𑜨𑜀𑜫	খক	গোহালী	𑜁𑜨𑜂𑜫	খঙ	বস্তু
𑜎𑜢𑜀𑜫, 𑜎𑜢𑜄𑜫	লিক/লিত	কিতাপ	𑜄𑜨𑜂𑜫	টঙ	পাত্র
𑜓𑜡	দা	দা	𑜉𑜢𑜄𑜫	মিত	কটাৰী
𑜇𑜡	ফা	কাপোৰ	𑜇𑜡 𑜏𑜤	ফা ছু	চোলা
𑜇𑜡 𑜃𑜩	ফা নয়	চুৰিয়া	𑜇𑜡 𑜏𑜢𑜃𑜫	ফা ছিন	মেখেলা
𑜇𑜡 𑜋𑜢𑜄𑜫	ফা চিত	গামোচা	𑜓𑜩	দয়	পৰ্ব্বত
𑜁𑜦	খে	নৈ	𑜃𑜨𑜂𑜫	নঙ	বিল
𑜎𑜡 𑜎𑜡	লা লা	সাগৰ	𑜃𑜡	না	পথাৰ
𑜈𑜤𑜀𑜫	বুক	মাটি	𑜄𑜡𑜂𑜫	টাঙ	বাট

𑜈𑜃𑜫	বান	সূৰ্য্য, গাঁও, বাটি, দিন	𑜓𑜢𑜃𑜫	দিন	পৃথিৱী, মাটি
𑜓𑜣𑜃𑜫	দীন	চন্দ্ৰ, মাহ	𑜋𑜦	চে	নগৰ, কাগজ
𑜓𑜧	দাও	তৰা	𑜀𑜢𑜧	কিও	গ্ৰহ
𑜉𑜨𑜂𑜫	মৌঙ	দেশ	𑜄𑜣	তী	ঠাই
𑜉𑜨𑜧	মৌৱ	সময়	𑜆𑜣	পী	বছৰ
𑜁𑜦𑜃𑜫	খেন	ৰাতি	𑜉𑜦𑜡	ম	পণ্ডিত, পুৰোহিত
𑜁𑜄𑜫	খত	শিক্ষক	𑜋𑜡, 𑜌𑜦	ছা থে	সদাগৰ, ধনীলোক
𑜄𑜣 𑜆𑜦	তি পে	ছাত্ৰ	𑜇𑜞𑜡	ফ্ৰা	আকাশ, ঈশ্বৰ
𑜇𑜣	ফী	দেৱতা	𑜋𑜂𑜫	ছাঙ	দেৱতা
𑜓𑜪	ডাম	মৃতক	𑜋𑜧, 𑜁𑜥𑜃𑜫	চাও, খুন	ৰজা
𑜋𑜧 𑜇𑜡	চাও ফা	স্বৰ্গদেউ	𑜓𑜥𑜂𑜫	দুঙ	হাবি
𑜇𑜥	ফু	টো, মতা	𑜄𑜞𑜢𑜂𑜫	ত্ৰিঙ	মাইকী
𑜌𑜧	থাউ	বুঢ়া	𑜈𑜧	বাও	ডেকা
𑜎𑜥𑜀𑜫 𑜋𑜩	লুক চাই	লৰা	𑜎𑜥𑜀𑜫 𑜄𑜞𑜢𑜂𑜫	লুক ত্ৰিঙ	ছোৱালী
𑜉𑜦, 𑜉𑜣	মে, মী	মাইকী	𑜁𑜪	খাম	সোণ
𑜂𑜢𑜃𑜫	ঙেন/ঙীন	ৰূপ	𑜎𑜢𑜀𑜫	লিক	লোহা, কিতাপ
𑜄𑜪	তাম	তাম	𑜀𑜝𑜤	ক্লু	নিমখ
𑜎𑜥𑜪	লুম	বতাহ	𑜍𑜡, 𑜇𑜥𑜃𑜫	ৰা, ফুন	বৰষুণ
𑜓𑜢𑜄𑜫	দেত	ৰ'দ	𑜃𑜥𑜀𑜫	নক	আনন্দ
𑜍𑜥	ৰূ	মূৰ, জ্ঞান	𑜇𑜥𑜪	ফুম	চুলি
𑜆𑜢𑜀𑜫	পিক	কাণ	𑜄𑜡	তা	চকু
𑜉𑜥	মূ	হাত	𑜋𑜥𑜆𑜫, 𑜆𑜡𑜀𑜫	ছপ, পাক	মুখ

সৰ্ব্বনাম শব্দ বিলাক ঃ

𑜀𑜧	কাও	মই	𑜉𑜧	মাউ	তুমি

𑜉𑜧 𑜋𑜧	মাউ চাও	আপুনি	𑜉𑜃𑜫	মান	সি, তাই
𑜉𑜃𑜫 𑜋𑜧	মান চাও	তেখেত	𑜀𑜤𑜃𑜫 𑜃𑜩	কুন নাই	এইজন
𑜀𑜤𑜃𑜫 𑜃𑜃𑜫	কুন নান	সেইজন	𑜒𑜃𑜫	আন	যি জন, যিটো
𑜒𑜃𑜫 𑜃𑜩	আন নাই	এইটো	𑜒𑜃𑜫 𑜃𑜃𑜫	আন নান	সেইটো
𑜒𑜃𑜫 𑜎𑜧	আন লাউ	কোনটো	𑜇𑜧	ফাউ	কোন
𑜒𑜢, 𑜒𑜣 𑜒𑜤	ই, ঈ, উ	এইটো, এইজন	𑜇𑜤𑜉𑜫	ফম	গোট, চুলি
𑜄𑜂𑜫	টাঙ	লগত	𑜄𑜂𑜫 𑜎𑜩	টাঙ লাই	সকলো
𑜄𑜂𑜫 𑜉𑜤𑜄𑜫	টাঙ মুত	সকলো, সমস্ত	𑜍𑜧	ৰাও	আমি
𑜏𑜤	ছু	তহঁত	𑜏𑜤 𑜋𑜧	ছু চাও	আপোনালোক
𑜁𑜧	খাও	সিহঁত	𑜁𑜧 𑜋𑜧	খাও চাও	তেখেতসকল
𑜉𑜃𑜫 𑜋𑜧	মান চাও	এখেত	𑜆𑜃𑜫 𑜀𑜤	পান কু	যি, যিটো
𑜃𑜩	নাই	এইটো	𑜃𑜃𑜫	নান	সৌটো
𑜎𑜧	লাউ	কোনটো	𑜇𑜤 𑜎𑜧	ফু লাউ	কোন জন
𑜀; 𑜏𑜂𑜫	কা ছাঙ	কি	𑜄𑜂𑜫 𑜁𑜧	টাঙ খাউ	সিহঁতৰ লগত
𑜀𑜤	কু	প্ৰত্যেক			

কিছুমান ক্ৰিয়া পদ

𑜒𑜤	উ	থকা	𑜊𑜂𑜫	জাঙ	আছে
𑜀𑜞𑜢𑜂𑜫	ক্ৰিঙ	হোৱা	𑜁𑜤𑜍𑜫	খ্যুৰ	হোৱা
𑜆𑜢𑜃𑜫	পিন	হোৱা	𑜍𑜤𑜂𑜫	ৰুঙ	হোৱা
𑜆𑜩	পাই	হোৱা	𑜊𑜤	জু	থকা
𑜑𑜢𑜄𑜫, 𑜀𑜤𑜃𑜫	হিত, কুন	কৰ	𑜏𑜤𑜄𑜫	ছুত	পিয়া
𑜀𑜢𑜉𑜫	কিম	ভোগ কৰা	𑜉𑜡	মা	অহা
𑜉𑜡 𑜌𑜦𑜂𑜫	মা থেঙ	আহি পোৱা	𑜁𑜦𑜃𑜫 𑜉𑜡	খেন মা	উভতি অহা
𑜒𑜨𑜀𑜫 𑜉𑜡	অক মা	ওলাইআহ	𑜁𑜦𑜃𑜫	খেন	উঠা

[Tai Ahom script]	প মান ৰু আন নান	দেউতাই সেইটো জানে।
[Tai Ahom script]	মে মান চুম কান লিক খা লিক খী	মাকে লৰা ছোৱালীক মৰম কৰে।
[Tai Ahom script]	চাও ফা কিন মৌঙ	স্বৰ্গদেৱে দেশ শাসন কৰে।
[Tai Ahom script]	ক মল খী চাঙ	কমলে হাতীত উঠে।
[Tai Ahom script]	নুক জাঙ কিম প্লা	বগলীয়ে মাছ খায়।
[Tai Ahom script]	পী কাই তেম লিক	ককাইদেৱে কিতাপ লিখিছে।

কৰ্ত্তা + ভাৱবধি ক্ৰিয়া + পুৰক ঃ বাক্যৰ গঠন ঃ

বাক্যত কৰ্ত্তা আৰু ক্ৰিয়াটো কলেই বাক্যটো সম্পূৰ্ণ হব পাৰে অৰ্থাৎ ভাৱটো পূৰ্ণাঙ্গ হব পাৰে। কিন্তু বিশেষ 'হোৱা' বুজোৱা বা তেনে ধৰণৰ ক্ৰিয়া কেইটা মানৰ ক্ষেত্ৰত কৰ্ত্তা আৰু সমাপিকা ক্ৰিয়াটো কোৱা স্বত্বেও ভাৱটো পূৰ্ণাঙ্গ নহয়, অন্য আৰু এটা বিশেষ্য/সৰ্বনাম পদ কলেহে পূৰ্ণাঙ্গ হয়। এনে ক্ৰিয়াকে 'ভাৱবধি ক্ৰিয়া' (Incomplete Verb) বোলা হয় আৰু যিটো বিশেষ্য দি পূৰ্ণাঙ্গ কৰা হয় তাক বোলা হয় 'পুৰক'।

এনে ক্ষেত্ৰত কৰ্ত্তাৰ পাচত ক্ৰিয়া, ক্ৰিয়াৰ পাচত পুৰক দিয়া হয়। মন কৰিব লগীয়া ঃক) কেতিয়াবা এনে ক্ৰিয়া বাক্যত উহ্য হৈ থাকে।

খ) কেতিয়াবা ক্ৰিয়াটোৰ সলনি [Tai Ahom script] শব্দটো দিয়া হয়।

গ) কেতিয়াবা ক্ৰিয়াটো পুৰকৰ পাচতো দিব পাৰি।

উদাহৰণ ঃ-

[Tai Ahom script]	আন নাই উ কুন	এইটো মানুহ।
[Tai Ahom script]	আন নান ৰীন উ	সৌটো ঘৰ।
[Tai Ahom script]	মান চাও উ আও চাও	তেখেত দদাইদেউ/হয়।
[Tai Ahom script]	লংকেক বান উ	লংকাক গাওঁ/হয়।
[Tai Ahom script]	পাতকাই উ দয়	পাতকাই পৰ্ব্বত/হয়।
[Tai Ahom script]	তি লাও চাম নাম খে	তিলাও নদী/হয়।
[Tai Ahom script]	ইউ পি কাই	এই জন ককাইদেউ।

[illegible]	চাওছু ক্লেন পিন খুন	চাওছুক্লেন ৰজা হ'ল।
[illegible]	আই খেক চাম চাও ফ্রণ্ড ম্যুঙ	আই খেক বুঢ়াগোহাই / আছিল।

***

তৃতীয় পাঠ ঃ
কৰ্ত্তা - কৰ্ম্ম - পূৰক ঃ বিশেষ্যৰ বিশেষণ

ক্ৰিয়াৰ কৰ্ত্তা, কৰ্ম্ম, পূৰক ৰূপে কাম কৰা পদ বোৰে কোনো ব্যক্তি, প্ৰাণী, বস্তু, অৱস্থা, বিষয়, কৰ্ম্ম, গুণ আদিক বুজায় অৰ্থাৎ এই বিলাকৰ নাম হয়। এইদৰে বস্তু, অৱস্থা, গুণ আদিৰ নাম হোৱা পদ বিলাকক বোলা হয় বিশেষ্য।

বিশেষ্য পদ বিলাক কৰ্ত্তা, কৰ্ম্ম, পূৰক আদি ৰূপে বাক্যত ব্যৱহাৰ হওঁতে সদায় অকলে নবহে বিভিন্ন উদ্দেশ্যত বিভিন্ন শব্দ লগত লৈ বহে। এইদৰে লগত লৈ বহা শব্দ বিলাক হৈছে- (ক) উপশব্দ (খ) লিঙ্গবোধক শব্দ (গ) বহু বচনবোধক শব্দ (ঘ) কাৰক বোধক শব্দ বিভক্তি (ঙ) বিশেষ বিশেষ ভাববোধক শব্দ (চ) গুণ, পৰিমাণ আদি বোধক বিশেষণ পদ।

বিশেষ্য শব্দৰ লগত জড়িত বিষয় বিলাক হ'ল ঃ উপশব্দ, লিঙ্গ, বচন, পুৰুষ, কাৰক, শব্দ বিভক্তি, বিশেষ ভাব বোধক লগৰীয়া শব্দ, বিশেষণ শব্দ।

কেতিয়াবা বিশেষ্যৰ বাহিৰে অন্য পদো বাক্যত কৰ্ত্তা, কৰ্ম, পূৰক ৰূপে ব্যৱহাৰ হয়। তেতিয়া সেই অন্য পদকো বিশেষ্য ৰূপেই ধৰা হয়।

কৰ্ত্তা কৰ্ম, পূৰক ৰূপে কাম কৰা বিলাক হৈছে -(ক) বিশেষ্য পদ (খ) সৰ্ব্বনাম শব্দ (কোনো বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদ) (গ) কৰ্ম ক্ৰিয়াৰ যোগ হৈ হোৱা যুগ্ম শব্দ

ক্রিয়া বোধক বিশেষ (ঘ) বিশেষণ বিশেষ্যৰ সমাস সিদ্ধ হোৱা যুগ্ম শব্দ (ঙ) [illegible] আদি লগত লৈ যুগ্ম হোৱা দ্বিপদ ক্রিয়া।

প্ৰথমা শব্দ বিভক্তি যুক্ত হৈ কৰ্ত্তা কাৰকত বিশেষ্য বিলাক ক্ৰিয়াৰ কৰ্ত্তা আৰু পূৰক হয় - দ্বিতীয়া আৰু চতুৰ্থী শব্দ বিভক্তি যুক্ত হৈ কৰ্ম সম্প্ৰদান কাৰকত বিশেষ্য বিলাক ক্ৰিয়াৰ কৰ্ম হয়। তৃতীয়া, পঞ্চমী আৰু সপ্তমী বিভক্তি যুক্ত হৈ কৰণ, অপাদান, অধিকৰণ কাৰকত বিশেষ্য বিলাক ক্ৰিয়াৰ ক্ৰিয়া বিশেষণীয় (Adjunct of Verb) হয়।

সৰ্ব্বনাম পদ যিহেতু বিশেষ্য পদৰ সলনি ব্যৱহাৰ হৈ কৰ্ত্তা কৰ্ম পূৰক ৰূপে বিশেষ্যৰহে কাম কৰে গতিকে সৰ্ব্বনাম বিলাককো বিশেষ্য বুলিহে ধৰা হয়।

০০০

চতুৰ্থ পাঠ
উপশব্দ

ইংৰাজী ভাষাত Noun ৰ লগত article (A, An, the) অসমীয়াত বিশেষ্যৰ লগত টো, টা, জন, খন, দাল, চটা, খিলা, জোপা আদি উপশব্দ যোগ হোৱাৰ নিচিনাকৈ আহোম ভাষাটো বিশেষ্যৰ লগত কিছুমান শব্দ উপশব্দ ৰূপে যোগ হয়।

তলত দিয়া ৰীতি মতে আহোম ভাষাত উপশব্দবোৰ ব্যৱহাৰ হয়।

১) ক) ব্যক্তিবোধক বিশেষ্যৰ লগত যোগ হয়ঃ [illegible], [illegible], [illegible], [illegible], [illegible], [illegible] - টো, টা, জন, জনী, দেৱ, ঘৰ।

খ) প্ৰাণীবোধক বিশেষ্যৰ লগত যোগ হয়ঃ [illegible], [illegible] টো, টা, জনী।

গ) বস্তুবোধক বিশেষ্যৰ লগত যোগ হয়ঃ [illegible] টো, টা, খন, খিলা, দাল।

ঘ) পাত্র, নাওঁ আদি বস্তু বুজোৱা বিশেষ্যত যোগ হয়ঃ [illegible] খন, টা।

ঙ) ঘৰ বুজোৱা বিশেষ্যৰ লগত যোগ হয়ঃ [illegible] টো, টা।

চ) গছৰ গুটি বা তেনে বস্তু বুজোৱা বিশেষ্যত যোগ হয়ঃ [illegible] টা, টো।

ছ) কাপোৰ বুজোৱা বিশেষ্যত যোগ হয়ঃ [illegible] খন।

জ) কটাৰী অস্ত্ৰ আদিৰ দৰে বস্তু বুজোৱা বিশেষ্যত যোগ হয়ঃ [illegible] খন।

ঝ) অনিদিষ্ট ভাবে কোনো এক ব্যক্তি, প্ৰাণী বস্তু আদি বুজালে বিশেষ্যৰ লগত যোগ হয় ঃ [illegible], [illegible] এটা, এজন আদি।

ঞ) বিশেষ্যৰ লগত নিৰ্দ্দেশক শব্দ (Demonstrative) থাকিলে যোগ হয় ঃ [illegible], [illegible] এইটো, সৌটো।

২। ক) এখন ঘৰ বা পৰিয়ালৰ সকলোকে সামৰি গোট বুজালে যোগ হয় ঃ [illegible]

খ) অংশ বা ভাগ বুজালে বিশেষ্যৰ লগত যোগ হয় ঃ [illegible]

গ) বাৰ বা গুণ বুজাবলৈ বিশেষ্যৰ লগত যোগ হয় ঃ [illegible]

ঘ) মুঠি, গোট, সমষ্টিগত গোট বুজাবলৈ যোগ হয় ঃ [illegible]

ঙ) জোৰ, দুটা গোট বুজাবলৈ যোগ হয় ঃ [illegible]

চ) জাক বুজাবলৈ বিশেষ্যত যোগ হয় ঃ [illegible]

৩। সংখ্যা, পৰিমাণ বাচক উপশব্দ ঃ-

ক) একোটা সংখ্যাইও উপশব্দৰ দৰে কাম কৰে (এটা, পাচটা, দাল)। উপশব্দৰ দৰে কাম কৰা সংখ্যাটো এক হ'লে বিশেষ্যটোৰ পাচত আৰু অন্য সংখ্যা হ'লে বিশেষ্যটোৰ আগত যোগ হয়। [illegible] গৰু এটা। [illegible] ৫টা গৰু।

খ) পৰিমাণ বাচক শব্দ (সকলো, কিছুমাণ, অলপ, তোলা, পোৱা, বহুত আদিৰ দৰে) বিলাকও উপশব্দৰ দৰে কাম কৰে। আহোম ভাষাত এনে শব্দবোৰ সাধাৰণতে বিশেষ্যটোৰ পাচত বিশেষণৰ দৰে যোগ দিয়ে।

৪। সংখ্যা সহ উপশব্দ ঃ বিশেষ্যৰ লগত উপশব্দ থকাৰ ওপৰিও যদি তাৰো সংখ্যা বুজোৱা সংখ্যা থাকে তেন্তে সেই সংখ্যাটো এক হ'লে উপশব্দটোৰ পাচত আৰু অন্য সংখ্যা হ'লে আগত যোগ হয়, কেতিয়াবা আকৌ সংখ্যাটো বিশেষ্যটোৰো আগত আৰু উপশব্দটো বিশেষ্যটোৰ পাচত যোগ হয়। যেনে ঃ- [illegible] মানুহ এজন।

[illegible] মানুহ তিনিজন। [illegible] তিনিজন মানুহ।

মন কৰিবলগীয়া যে উপশব্দ বিলাক ১, ২ কৈ গণিব পৰা বিশেষ্য (Countable) বিলাকৰ লগতহে যোগ হয়। গণিব নোৱৰা বিশেষ্যৰ একক গোট (তোলা, সেৰ, ডজন আদি)ৰ লগত ব্যৱহাৰ হব পাৰে কিন্তু বিশেষ্যটোৰ লগত পোনে পোনে উপশব্দ যোগ হব নোৱাৰে।

উপশব্দ ব্যৱহাৰৰ উদাহৰণ ঃ-

[illegible]	কুন ফু ক্লিন নাম নিঙ	মানুহজনে চাহ পানী খায়।
[illegible]	কাও হান হ তু লেঙ	মই এটা গৰু দেখিছো।
[illegible]	কুন লেঙ জাঙ ছঙ তা	মানুহ এজনৰ চকু দুটা থাকে।
[illegible]	মান চাও জাঙ চাঙ ছাম তু	তেখেতৰ ৩টা হাতী আছে।
[illegible]	কুন ছঙ ফু খী ছঙ মা	দুজন মানুহ দুটা ঘোঁৰাত উঠিছে।
[illegible]	লঙ কেক উ বান লেঙ	লংকাক এখন গাঁও।
[illegible]	মান হাউ কাও খাইছঞ্চ লেঙ	সি মোক কণী এটা দিলে।
[illegible]	ৰাও জাঙ বান ছি লুক	আমাৰ চাৰিটা বাটি আছে।
[illegible]	ৰুক কুন ৰী দাই ৰুক-হ লাঙ	ছজন মানুহে ছটা ঘৰ সাজিব পাৰে।
[illegible]	মে মান নুঙ ফা ছিন লেঙ-চাম ফা দাই ফুন লেঙ	তইএখন মেখেলা আৰুএখন ৰিহা পিন্ধে।
[illegible]	পি কাই আও মা মিত -মাও লেং লিক ছঙ আন	ককাইদেৱে এখন কটাৰী দুখন কিতাপ আনিছে।
[illegible]	লুক নাই ফাত লিক নান	এইটো লৰাই সৌটো কিতাপ পঢ়ে।
[illegible]	মাউ হাউ মান খাম ছঙ তক	তুমি তাক দুতোলা সোণ দিলা।
[illegible]	ছঙ লুক ক লিন উ	দুটা লৰাই খেলি আছে।
[illegible]	থাও মীঙ লুঙ জাঙ লুক-মান ছিপ কুন	বৰগোহাঁইৰ ১০ জন পুতেক আছিল।
[illegible]	মক পুঙ লেঙ জেন পিন পু তাও খাঙ	ডাবৰে পু তাও খাঙ ৰূপ ধৰিলে।
[illegible]	নুক কা কুপ লেঙ চাম নুক জাঙ ফ্রিঙ লেঙ বিন উ	এজোৰ কাউৰী আৰু এজাক বগলী উৰি আছে।

পঞ্চম পাঠ
লিঙ্গ

আহোম ভাষাত কেৱল জীৱ থকা বস্তু (প্ৰাণী) বুজোৱা শব্দৰহে লিঙ্গ আছে। লিঙ্গ দুটা - পুং লিঙ্গ আৰু স্ত্ৰী লিঙ্গ, ক্লীৱ লিঙ্গ নাই।

জাতিবাচক বিশেষ্য বিলাকে সাধাৰণতে মতা মাইকী উভয়কে বুজায়। মতা মাইকী বিশেষ ভাৱে দেখুৱাবলৈ হ'লে সিহঁতৰ লগত মতা বুজোৱা মাইকী বুজোৱা বিশেষ্য শব্দ যোগ হয়। লিঙ্গৰ ক্ষেত্ৰত মন কৰিব লগীয়া ঃ-

১) কেৱল বিশেষ্য শব্দটোহঁত মতা মাইকী উভয়ৰে ক্ষেত্ৰত ব্যৱহাৰ হোৱা উভয়লিঙ্গ।

২) সৰ্ব্বনাম শব্দবোৰ দুয়োটা লিঙ্গতে থাকে।

৩) উপশব্দ, ক্ৰিয়া বিশেষণ আদিত লিঙ্গৰ কোনো কথা নাই। সকলোতে একেই।

৪) সমন্ধ বুজোৱা বিশেষ্য বিলাক দুয়োটা লিঙ্গতে বেলেগ বেলেগ একোটা শব্দ হয়। কিন্তু [illegible], [illegible] আদিৰ দৰে কেইটা মান উভয় লিঙ্গ শব্দ আছে।

৫) পদবী বুজোৱা শব্দবোৰো দুয়োটা লিঙ্গতে বেলেগ বেলেগ।

৬) কিছুমান সদায় একে লিঙ্গতে ব্যৱহাৰ হোৱা শব্দ আছে। যেনে ঃ- ৰজা, ৰাণী, কোঁৱৰ, কুঁৱৰী, ৰাজমাও, সতী, বেশ্যা আদি।

৭) জাতি বাচক বিশেষ্য বিলাকৰ মতা মাইকী স্পষ্টকৈ কব লগা হ'লে মতা মাইকী বুজোৱা তলত দেখুৱা বিশেষ শব্দবোৰ যোগ হয়।

ক) ব্যক্তিবোধক শব্দ হ'লে -

মতা বুজাবলৈ শব্দৰ পাচত - [illegible], [illegible], [illegible], [illegible] শব্দ যোগ হয়।
মাইকী বুজাবলৈ শব্দৰ পাচত - [illegible], [illegible] শব্দ যোগ হয়। কেতিয়াবা [illegible] শব্দও যোগ হয়।

খ) সাধাৰণ প্ৰাণীবোধক শব্দ হ'লে ঃ-

মতা বুজাবলৈ শব্দৰ পাচত যোগ হয় - [illegible], [illegible] ।
মাইকী বুজাবলৈ শব্দৰ পাচত যোগ হয় - [illegible]

উদাহৰণঃ-

[illegible]

মে মান হাউ খাও তি প মান - আইয়ে দেউতাক ভাত দিয়ে।

[illegible]

মান জাও লুক মান ছুঙ ফু চাম লুক এ্রেঙ ফু লেঙ -

তাৰ দুটা পুতেক আৰু দুজনী জীয়েক আছে।

[illegible]

নি ছা নুঙ ফা ৰেম আ পা নুঙ ফা ছিন -

নিছাদেৱে চুৰিয়া পিন্ধে আপাদেৱে মেখেলা পিন্ধে।

[illegible]

ফু চাই ফু এ্রেঙ কিন মাক ম মঙ - লৰা-ছোৱালীয়ে আম খায়।

[illegible]

পি কাই উ লুক চাই পি এ্রেঙ উ লুক এ্রেঙ - ককায়েক লৰা, বায়েক ছোৱালী।

[illegible]

নাঙ জয়মতী উ লাক খা না - নাঙ জয়মতী এগৰাকী সতী।

[illegible]

নঙ ত্রিঙ চাও ফ্রঙ পেন নাঙ মৌঙ চাও ফা

বুঢ়াগোহাঁই ভনিয়েক স্বৰ্গদেৱৰ ৰাণী হয়।

[illegible]

কুন ফু কুন মী টাঙ লাই নাম খা লাপ -

পুৰুষ তিৰোতা সকলোৱে চাহ পানী খায়।

[illegible]

মে থাও লেঙ হাঙ চাঙ থীক তু লেঙ চাম চাঙ মে লেঙ-

বুঢ়ী এজনীয়ে এটা মতা হাতী আৰু এজনী মাইকী হাতী দেখিছে।

[illegible]

ৰাম চাম সীতা জু নাঙ ফু লে মি লে -

ৰাম আৰু সীতাই পতীপত্নীৰূপে বাস কৰিছিল।

[illegible]

ছাম ম মীঙ তাউ জু ফু মা ফু মী মাই -

তিনি পণ্ডিতে দৰা কন্যাক আৰ্শীবাদ দিছে।

ষষ্ঠ পাঠ

বচন

আহোম ভাষাত বিশেষ্যৰ বচন দুটা - এক বচন আৰু বহু বচন। ক্ৰিয়াৰ ক্ষেত্ৰত বচনৰ সালসলনি নাই। সদায় একোটাই থাকে।

বচনৰ ক্ষেত্ৰত মন কৰিব লগীয়া ঃ-

১) একোটা শব্দক এক বচন বুলিয়েই ধৰা হয়। বহু বচন কৰিবলৈ তাৰ লগত অন্য বিশেষ শব্দ যোগ কৰা হয়।

২) ব্যক্তি বাচক সৰ্ব্বনাম পদ কেইটামানহে এক বচন বহু বচন অনুযায়ী বেলেগ বেলেগ শব্দ হয়।

৩) শব্দ লগত তলত উল্লেখ কৰা শব্দ বা চিন বিলাক যোগ দি বহু বচন কৰা হয়।

ক) সম্বন্ধ বুজোৱা শব্দৰ আগত [illegible] শব্দ যোগ দি বহু বচন কৰা হয়।

খ) ব্যক্তি আৰু প্ৰাণী বাচক শব্দ পাচত ([illegible] শব্দটো থাকিলে আগত) এই শব্দবোৰ যোগ দি বহু বচন কৰা হয়। যেনে -

𑜱) [illegible] | 𑜵) [illegible]
𑜲) [illegible] | 𑜶) [illegible]
𑜳) [illegible] | 𑜷) [illegible]
𑜴) [illegible]

গ) বস্তু বাচক শব্দৰ পাচত (১) [illegible] (২) [illegible]

চাও কাও ঐ হাউ ৰাক তি কাও খা - হে ঈশ্বৰ, মই অধমক কৃপা কৰা।

[illegible] ॥

চাও ফা চাঙ হাউ ৰাও খা পাই তি চে মুন -

স্বৰ্গদেৱে আমি নিঃকিনসৱক ৰংপুৰলৈ পঠাইছে।

[illegible] ॥

কাউ খা বয় তাঙ মাও চাও - মই বন্দীয়ে আপোনাক সেৱা জনাইছো।

[illegible] ॥

ৰু ৰিং ৰু পাক খাও ছঙ খা মা - হাজৰিকা শইকীয়া এই দুজন আহিছে।

২) [illegible] -

মান -অৰ্থ ঃ সি, ই, শকত, আৰ্চি, আলু, তেল, শাস্ত্ৰ ।

সমান বুজাবলৈ সাধাৰণতে সম্বন্ধ বাচক শব্দ পাচত [illegible] শব্দ যোগ দিয়া হয়।

ব্যক্তি বাচক শব্দৰ পাচত [illegible] যোগ দি পুং লিঙ্গ কৰা হয়।

উদাহৰণ ঃ-

[illegible] ॥

প মান হাউ কাও ত্ৰা লেঙ - দেউতাই মোক এটা টকা দিছে।

[illegible] ॥

ফুকন লুঙ লাচিত উ নঙ মান লা লুক - লাচিত বৰফুকন লালুকৰ ভায়েক।

[illegible] ॥

লুক মান ছু তেউ ফা পিন চাও ফা- পুতেক ছাতেউ ফা স্বৰ্গদেউ হ'ল।

৩) [illegible] -

চাও - অৰ্থ ঃ- ডাঙৰ, দৈৱিক, দেৱতা, গৰাকী, ৰজা, ঈশ্বৰ, দেৱ, ডাঙৰ মানুহ।

মান্যাৰ্থত মানুহৰ নামৰ আৰু পদবীৰ আগত [illegible] যোগ দিয়া হয়। আৰু সম্ভ্ৰমাৰ্থত ২য়, ৩য়, পুৰুষৰ সৰ্ব্বনামৰ পাচত [illegible] যোগ দিয়া হয়।

উদাহৰণ ঃ

[illegible]

প চাও কাও উ চাও খাম পেঙ - মোৰ দেউতা শ্ৰীযুত খাম পেঙ।

[illegible]

চাও ফু দাম উ চাও মা ৰাঙ কী - চাও ফুদাম মৰঙি খোৱা গোহাঁই (আছিল)

[illegible]

মান চাও বা খম মান তী মাও চাও - তেখেতে আপোনাক কথাটো কৈছে।

৪) [illegible]

ম্যুঙ/মৌঙ - অৰ্থ ঃ দেশ, ৰাজ্য, সংসাৰ

সম্ভ্ৰমশীলতা, মহানতা, গাম্ভীৰ্যপূৰ্ণতা বুজাবলৈ বিশেষ্য পাচত (বহুসময়ত ক্ৰিয়াৰ পাচতো) [illegible] শব্দতো যোগ দিয়া হয়। (ইয়াত দেশ অৰ্থ নহয়)।

উদাহৰণঃ

[illegible]

পেঞ্চ কাকা উ লিত মৌঙ আন লেঙ - পেঞ্চ কাকা এখন শাস্ত্ৰ।

[illegible]

চাও ফা তেন থিন মৌঙ - স্বৰ্গদেউ সিংহাখনত উঠিছে।

[illegible]

খাও কাও খম মৌঙ লেঙ দন - সিহঁতে লেঙদনৰ বাণী মনত পেলালে।

[illegible]

মৌঙ দীন হা চাম মে মৌঙ চাও ফা ৰাই ছি মৌঙ -

চ'ত মাহত স্বৰ্গদেৱৰ মাক (ৰাজমাও) ঢুকাল।

[illegible]

চু মান চাও কিন মৌঙ ছিপ পী - এইজন ৰজাই দহ বছৰ শাসন কৰিলে।

[illegible]

চাও ফা হেউ হিত ৰিক খন মৌঙ - স্বৰ্গদেৱে ৰিক খন ম্যুঙ পতালে।

[illegible]

প কুন মৌঙ ৰাঙ কান পঙ কান - ৰাইজে নিৰলে আলোচনা কৰিলে।

[illegible]

চাও ফ্ৰঙ মৌঙ জু তি চে মুঙ - বুঢ়াগোহাঁই ডাঙৰীয়া ৰাজধানীত থাকিল।

ডাঙৰ, বৰ সৰ্ব্ব প্ৰধান বুজাবলৈ বিশেষ্যৰ পাচত [illegible] শব্দ যোগ দিয়ে। অসমীয়াতো এনে অৰ্থ শব্দ আৰম্ভত বৰ শব্দ দিয়ে।

উদাহৰণ ঃ-

[illegible]

থাও মুঙ লুঙ চাও ছেঙ লুঙ ফুকে লুঙ ফুকন লুঙ খাও তাঙ লুঙ মা তি চাও ফা - বৰগোহাঁই, বৰপাত্ৰ গোহাঁই, বৰবৰুৱা, বৰফুকন এই সকলো স্বৰ্গদেৱৰ ওচৰলৈ আহিল।

[illegible]

চাও ফা হাউ হিত হ' লুঙ লে পুক তুন লুঙ -

স্বৰ্গদেৱে হলুঙ ঘৰ সজালে আৰু বৰগছ ৰুৱালে।

[illegible]

কুন ৰাও দাই কঙ লুঙ ৰু লাঙ তি চে লুঙ -

আমাৰ সৈন্যও বৰনগৰত বৰহিলৈ, বৰনাও পালে।

[illegible]

নাঙ লুঙ জু তি পাত তু লুঙ - বৰ কুঁৱৰী বৰ দুৱাৰ মুখত থাকিল।

নৱম পাঠ
কাৰক

কাৰক শব্দৰ অৰ্থ কৰোতা, কিবা এটা যি সাধন কৰে সি। ব্যাকৰণত কাৰক শব্দ অৰ্থ হয়, বাক্যত কৰ্ত্তা কৰ্ম্ম বিশেষনীয় পুৰক আদি বিভিন্ন খণ্ডবোৰ প্ৰস্তুত কাৰক, এনে খণ্ড ৰূপে বিশেষ্য পদৰ ক্ৰিয়াৰে সম্বন্ধ স্থাপন কাৰক। ক্ৰিয়াৰ লগত এনে খণ্ডৰূপে সম্বন্ধ স্থাপন কৰে বিশেষ্য পদে। গতিকে বিশেষ্যৰ লগত জড়িত এটি বিষয় হৈছে কাৰক। ক্ৰিয়াৰ লগত কৰ্ত্তা-ক্ৰিয়া সম্বন্ধ স্থাপন কাৰক হ'লে বিশেষ্য হয় কৰ্ত্তা কাৰক।

ক্রিয়াৰ লগত কর্ম ক্রিয়া সম্বন্ধ স্থাপন কাৰক হ'লে বিশেষ্য হয় কর্ম কাৰক।
ক্রিয়াৰ লগত ক্রিয়া সম্পাদনৰ আহিলা বুজোৱা সম্বন্ধ স্থাপন কৰিলে কৰণ কাৰক।
ক্রিয়াৰ লগত দানৰ পাত্র সম্বন্ধ বুজালে বিশেষ্য হয় সম্প্রদান কাৰক।
ক্রিয়াৰ লগত গতিবাচক ক্রিয়া সম্পাদনৰ আৰম্ভণিৰ স্থান কাল বুজালে অপাদান কাৰক।
এটা বিশেষ্যৰ লগত তাৰ গৰাকী আস্থান আদিৰ সম্বন্ধ বুজালে সম্বন্ধ পদ।

কাৰক হবলৈ বিশেষ্য পদৰ লগত চিন ৰূপে কেইটামান শব্দ যোগ হব লাগে। এই যোগ হোৱা চিন ৰূপী শব্দক বোলে – শব্দ বিভক্তি। সম্বন্ধ পদ হবলৈ লগত কোনো বিভক্তি নহলেও হয়।

বিভিন্ন কাৰক ৰূপে বিশেষ্যক সজাবলৈ ব্যৱহাৰ হোৱা চিন/বিভক্তি বোৰক তলত উল্লেখ কৰা মতে নাম দিয়া হয়।

কৰ্ত্তা কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	১মা বিভক্তি
কর্ম কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	২য়া বিভক্তি
কৰণ কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	৩য়া বিভক্তি
সম্প্রদান কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	৪ৰ্থী বিভক্তি
অপাদান কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	৫মী বিভক্তি
সম্বন্ধপদ কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	৬ষ্ঠী বিভক্তি
অধিকৰণ কাৰক কৰিবলৈ যোগ হোৱা বিভক্তিক বোলে	৭মী বিভক্তি

এই শব্দ বিভক্তি বিলাক সাধাৰণতে কেৱল বিশেষ্য আৰু সৰ্ব্বনাম শব্দত হে যোগ হয়। কিন্তু কেতিয়াবা উদ্দেশ্য বোধক কৰিবলৈ ক্রিয়াৰ লগতো হয়। শব্দ বিভক্তি বিলাকে ইংৰাজী ভাষাৰ Preposition বিলাকৰ কাম কৰে।

শব্দ বিভক্তি বিলাক ঃ-

বিভক্তি	টাই চিন	অসমীয়া চিন	বিশেষ্যত যোগ হোৱা ঠাই	কাৰক
১মা	[illegible]	এ, ই	বিশেষ্যৰ পাচত	কৰ্ত্তা কাৰক

২য়া	ษ°	ক, অক	বিশেষ্যৰ পাচত	কৰ্ম্ম কাৰক
	on°, on;,		বিশেষ্যৰ আগত	
	onṁ, ɲ8,		বিশেষ্যৰ আগত	
	ɣm̃l		বিশেষ্যৰ পাচত	
৩য়া	on8,	ৰে, দি, দ্বাৰা	বিশেষ্যৰ আগত	কৰণ কাৰক
	ɣṁ	সৈতে, লগত	বিশেষ্যৰ আগত	
	ɣm̃l		বিশেষ্যৰ পাচত	
৪ৰ্থী	on°, on;	অক, লৈ	বিশেষ্যৰ আগত	সম্প্ৰদান কাৰক
	ษ°		বিশেষ্যৰ পাচত	
৫মী	ȯn, on;,	পৰা, তকৈ	বিশেষ্যৰ আগত	অপাদান কাৰক
	ɲṁ, ɲṁ ȯn		,, ,,	
৭মী	on°, on;	ত, লৈ	বিশেষ্যৰ আগত	অধিকৰণ কাৰক
৬ষ্ঠী	চিন নাই	ৰ	কেৱল বিশেষ্য শব্দ	সম্বন্ধ পদ
	কেতিয়াবা ษ°		বিশেষ্যটোৰ পাচত	

মন কৰিব লগীয়া ঃ-

১) কাৰক অনুযায়ী বিভক্তি চিনবোৰ ব্যৱহাৰ হব লগীয়া ক্ষেত্ৰতো যদিহে বিভক্তি নহলেও অৰ্থ প্ৰকাশ হয় তেন্তে বিভক্তি চিন দিয়া নহয় কেৱল শব্দৰেই হয়।

২) আহোম বুৰঞ্জী আদি পুৰণি আহোম লিখনিত on°, on; ȯn onṁ বিভক্তি কেইটা আনটো ব্যৱহাৰ হোৱা দেখা যায়।

৩) পুৰণি আহোম লিখনিত ২য়া বিভক্তি ɲ8 ব্যৱহাৰ দেখা নাযায়। এই ɲ8 টো আচলতে খামতি, ফাকে আদিতহে ব্যৱহাৰ হয়। ษ° ২য়া বিভক্তিৰো ব্যৱহাৰ পুৰণি লিখনিত অতি কম।

৪) খামতি আদি অন্য ভাষাত ɲ° শব্দ বিভক্তি ৰূপে সঘনে ব্যৱহাৰ হয় কিন্তু আহোমত বিভক্তি স্বৰূপে ɲ°ৰ ব্যৱহাৰ নাই।

৫) সম্বন্ধ পদৰ সাধাৰণতে বিভক্তি চিন নাই। প্ৰধান বিশেষ্য পদটোৰ পাচত "কাৰ"

"ক'ৰ" বুজা বৰ বাবে বিশেষ্য শব্দটোৰ দিলেই হয় আৰু সি বিশেষণ পদৰ দৰে কাম কৰে।

যদিহে প্ৰধান বিশেষ্যটো কেতিয়াবা উল্লেখ লগতে নহৈ লুকাই থাকে তেন্তে সম্বন্ধ পদত [Ahom script] বিভক্তি দিব পাৰি। যেনে -

[Ahom script] আজি আমাৰ উৎসৱ মে-দাম মে-ফী হৈছে। ৰ ঠাইত [Ahom script] আজি আমাৰ মে-দাম মে-ফী হৈছে।

[Ahom script] অসম আমাৰ দেশ। ৰ ঠাইত [Ahom script] - অসম দেশ আমাৰ।

৬) ইংৰাজীত Preposition বিলাকে শব্দ বিভক্তিৰ দৰে কাম কৰে আৰু ইইঁতৰ অনুবাদ আহোম বিভক্তিৰে কৰিব পাৰি (to = [Ahom script], from = [Ahom script], with, by = [Ahom script])

কিন্তু এই Preposition ৰ অনুবাদ আহোম বিভক্তিৰে কৰিবলৈ তেনে বিভক্তি নাই। তেনে ক্ষেত্ৰত "মাই" বিভক্তি দিলেই হয়। যেনে ঃ- about --[Ahom script], for --[Ahom script]

৭) ১মা, ২য়া বিভক্তি যুক্ত হ'লে বিশেষ্যই কৰ্ত্তা কাৰক কৰ্ম্ম কাৰক কৰে কিন্তু ৩য়া, ৫মী, ৭মী বিভক্তি যুক্ত হৈ বিশেষ্যৰ পাচত বহি বিশেষণীয় হে কৰে।

শব্দ বিভক্তি প্ৰয়োগৰ উদাহৰণ ঃ

[Ahom script]

চাও ফা চাঙ খেন মা তি চে হুঙ তাম চে মুন -

স্বৰ্গদেউ ৰংপুৰৰ পৰা গড়গাঁৱলৈ ওভতিলে।

[Ahom script]

মান ক পাই তি হ হুন তাঙ নঙ কাও — সি মোৰ ভাইৰ লগত বিদ্যালয়লৈ যায়।

[Ahom script]

কাও জু তি ৰীন লংকেক — মই লংকাকৰ ঘৰত থাকো।

মাউ পাত ছি কাই লেঙ তাঙ মিত লেঙ - তুমি এখন কটাৰীৰে কুকুৰ এটা কাটিছা।

পী ঞেঙ মাই মে মান হাউ ফা খক ফুন লেঙ –

বাইদেউক তাৰ মাকে এখন মুগাৰ কাপোৰ দিছে।

কাও বা তি মান চাম লিক কাও হাউ তি কাও –

মই তাক ক'লো বোলো মোৰ কিতাপটো মোক দে।

টাঙ খাও মান পাই তি ফাই তাক ফাক নাম ছাউ –

সিহঁতৰ লগত সি দিখৌৰ পাৰত ফুৰিবলৈ যায়।

তি বান লেঙ কুন লেঙ চু তাঙ লঙ ছাম জাঙ উ –

এখন গাঁৱত লঙ ছাম নামেৰে এজন মানুহ বাস কৰে।

তাঙ ডেন তাঙ খাম ৰাও কিঙ ৰপ চপ – আমি সোন- ৰূপৰে আঙুঠি গঢ়াও।

তি ছুন খম টাই খাও মা লুক তাম তি ফাও তি পাটসাকো –

টাই ভাষা শিকিবলৈ সিহঁত ডিব্ৰুগড়ৰ পৰা পাটসাঁকোলৈ আহিছে।

তু খাই খেঞঙ লুঙ লুক তু হু – মহ গৰুতকৈ ডাঙৰ।

***

দশম পাঠ

বিশেষণ পদ

বিশেষণ পদ হৈছে বিশেষ্যৰ লগত বহি সেই বিশেষ্যটোৰ গুণ, পৰিমাণ বুজোৱা অৰ্থাৎ কেনেকুৱা কিমান তাক কবলৈ ব্যৱহাৰ হোৱা শব্দ এই বিশেষণ একোটা শব্দ বা শব্দৰ একোটা সমষ্টি বাক্যাংশ বা খণ্ড বাক্যও হব পাৰে।

অসমীয়া ইংৰাজী ভাষাৰ দৰে আহোম ভাষাত বিশেষণ পদ বিশেষ্যৰ আগত নবহে। বিশেষ্যৰ পাচতহে বহে। টাই ভাষাৰ ই এটা বিশেষ বৈশিষ্ট্য, অতি মন কৰিব লগীয়া কথা।

সম্বন্ধ পদ হোৱা বিশেষ্য বিলাকো বিশেষণ ৰূপেহে ব্যৱহাৰ হয়, গতিকে বিশেষ্যৰ পাচত বহে।

বিশেষণৰ দৰে অন্য কোনো পদে কোনো বিশেষ্যৰ গুণ বুজালে অৰ্থাৎ কেনেকুৱা, কাৰ, ক'ৰ, তাক ক'লে সিও বিশেষণ ৰূপেই পৰিগণিত হয়। গতিকে বিশেষ্য, সৰ্ব্বনাম, ক্ৰিয়া আদিও বিশেষণ ৰূপে বাক্যত ব্যৱহাৰ হব পাৰে।

কিছুমাণ বিশেষণ শব্দ ঃ-

ক) গুণবোধক বিশেষণ ঃ এই বিলাক বিশেষণে ই যুক্ত হোৱা বিশেষ্য বা সৰ্ব্বনামটোৰ গুণ অৰ্থাৎ কেনেকুৱা তাক কয়।

[illegible] - ভাল

[illegible] - বেয়া

[illegible] - উত্তম

[illegible] - ধুনীয়া

[illegible] - ডাঙৰ

[illegible] - বয়সত সৰু

[illegible] - শকত

[illegible] - মূৰ্খ, অজ্ঞান

[illegible] - কুঁজচ, আকুৰূপ

ছ) ক্রিয়া বাচক বিশেষণ ঃ-

এটা ক্রিয়া যদি বিশেষ্যৰ পাচত বহি বিশেষ্যটো কেনেকুৱা তাক কয় তেন্তে সেই ক্রিয়াটোও বিশেষণ ৰূপে পৰিগণিত হয়। যেনে -

[illegible] ভাত খোৱা চাউল। [illegible] কোৱা কথা

[illegible] শুনা বাতৰি।

এনেবিলাক বিশেষণ থাকিলে বহু সময়ত ক্রিয়া-কর্ম যেন ধাৰণা হয় কিন্তু আচলতে ক্রিয়া কর্ম নহৈ ক্রিয়াটো বিশেষণহে হয়। তাৰোপৰি বহু সময়ত এনেদৰে থকা দুয়োটা শব্দ মিলি একোটা যৌগিক শব্দ হয়।

জ) বাক্যাংশ / খণ্ডবাক্য বিশেষণ ঃ-

এটা শব্দই বিশেষণৰ কাম কৰাৰ দৰে শব্দৰ ক্রিয়াহীন সমষ্টি বা ক্রিয়া যুক্ত খণ্ডবাক্যই ও কৰিব পাৰে। তেনে সমষ্টি (বাক্যাংশ) বা খণ্ড বিশেষণ। যেনে ঃ-

[illegible] তুমি দেখা গৰুটো আমাৰ।

[illegible] সি কোৱা বাতৰিটো অসত্য।

একাদশ পাঠ

বিশেষণৰ ব্যৱহাৰ

মন কৰিবলগীয়া দিশ ঃ

(ক) [১] বিশেষ্য পদটো আগত আৰু বিশেষণ পদটো তাৰ পাচত দিব লাগে।

[২] বিশেষ্য পদটো আগত আৰু সম্বন্ধ পদ হোৱা বিশেষ্য পদটো পাচত দিব লাগে।

✱ দুটা বিশেষ্য শব্দ একেলগে বহিলে আগৰটো বিশেষ্য আৰু পাচৰটো বিশেষণ অথবা সম্বন্ধ পদ হব পাৰে। নাইবা দুয়োটা মিলি এটা যৌগিক শব্দও হ'ব পাৰে।

[৩] ক্রিয়া পদে বিশেষণৰ কাম কৰিলে সি বিশেষ্যটোৰ পাচত বহে।

✱ একেলগে এটা বিশেষ্য আৰু এটা ক্রিয়া থাকিলে বুজিব লাগে ক্রিয়াটো পাচত

থাকিলে সি বিশেষণো হব পাৰে অথবা দুয়োটা মিলি এটা ক্রিয়া বাচক যৌগিক বিশেষ্য পদ হব পাৰে। ক্রিয়াটো আগত থাকিলে বুজিব লাগে সি ক্রিয়াৰ কাম আৰু পাচৰ বিশেষ্যটোৱে কৰ্মৰ কাম কৰে।

[৪] এটা বিশেষ্যৰ লগত ১ ৰ বাহিৰে অন্য সংখ্যা থাকিলে সংখ্যাটো যদি আগত দিয়া হয় সি বিশেষ্যটোৰ পৰিমাণ অৰ্থাৎ কেইটা তাক বুজায় আৰু সংখ্যাটো যদি পাচত দিয়া হয় (কেতিয়াবা আগত "তি" যোগ দি) তেন্তে সি ক্রমৰ স্থান বুজায়।

[৫] বিশেষ্যৰ লগত উপশব্দ থাকি সংখ্যা যুক্ত হ'লে পৰিমাণ বুজাবলৈ সংখ্যাটো উপশব্দৰ আগত ক্রম বাচক বিশেষণ বুজাবলৈ উপশব্দৰ পাচত (কেতিয়াবা আগত "তি" যুক্ত কৰি) দিয়া হয়। যেনেঃ-

বিশেষ্য + সংখ্যা + উপশব্দ = পৰিমাণ। বিশেষ্য + উপশব্দ + সংখ্যা = ক্রমিক স্থান বাচক বিশেষণ।

[৬] উপশব্দ বিশেষ্যৰ লগত বিশেষণ যোগ হবলৈ হ'লে বিশেষ্যটোৰ পাচতে বিশেষণটো আৰু তাৰ পাচতহে উপশব্দটো হয়।

[৭] আগত বিশেষণটো পাচত বিশেষ্যটো হ'লে সাধাৰণতে দুয়োমিলি এটা যৌগিক শব্দহে হয়। বিশেষ্য বিশেষণ নহয়।

(খ) ১] এটা বিশেষ্যৰ দুটা বা তিনিটা একেজাতীয় বিশেষণ থাকিলে প্রতিটো বিশেষণৰ লগতে বিশেষ্য উল্লেখ কৰিব লাগে। একজাতীয় নহ'লে বিশেষণ পংক্তি হয়।

২] এটা বিশেষণে দুটা অধিক বিশেষ্যৰ গুণ বুজালে প্রতিটো বিশেষ্যৰ লগতে বিশেষণটো উল্লেখ কৰিব লাগে।

৩] বিশেষণ শব্দ ভাৱাবধি ক্রিয়াৰ পুৰক (Complement of Incomplete Verb) হ'লে কেৱল বিশেষণটো নহৈ লগত সি গুণ বুজোৱা বিশেষ্যটোও দিব লাগে।

গ) **বিশেষণ পংক্তি ঃ** বহু বিশেষণ বা সম্বন্ধ পদ একোটা বিশেষ্যৰে পংক্তি বা ক্রমাগত শাৰী হ'লে বিশেষণবোৰ বা সম্বন্ধ শব্দবোৰ য'তে ত'তে লিখিলে নহয় বিশেষ স্থানতহে বহুৱাব লাগে।

এনে কৰোঁতে কেইবাটাও বস্তুলৈ মন কৰিব লগীয়া হয়। বিশেষ্যটোৰ উপশব্দ, লিঙ্গ-কাৰক, বচন কাৰক শব্দ, সংখ্যা বা পৰিমান বাচক শব্দ গুণ বোধক, পৰিমাণ বোধক

নির্দ্দেশক বোধকাদি বিশেষণ শব্দ, সম্বন্ধ পদ আদি আৰু এই বিলাকৰ কোনটো স্থানত বহুৱাব লাগে ইত্যাদি।

মন কৰিব লগীয়া দিশ ঃ

১] লিঙ্গ কাৰক শব্দ থাকিলে তাক বিশেষ্যটো লগতে লিখি পাচত অন্য বিলাক লিখা হয়।

২] গুণ বোধক (অৰ্থাৎ কেনেকুৱা বুজায়) বিশেষণ থাকিলে বিশেষ্যবোৰ ঠিক পাচতে বহুৱাই তাৰ পাচত অন্য বিলাক বহুৱা হয়।

৩] বিশেষণটো যোগ কৰি বিশেষ্য বিশেষণ দুয়োটাৰে সমষ্টিক এটা যৌগিক শব্দ (বিশেষ্য) ৰূপে চাই সেই যৌগিক বিশেষ্যটোৰ পাচত বহিব লগীয়া বিশেষণটোৰ পাচত বহুৱাব লাগে।

৪] সম্বন্ধ পদ থাকিলে বিশেষ্যটোৰ পাচত বহিব লগীয়া বিশেষণটোৰ পাচত বহুৱাব লাগে।

৫] সম্বন্ধ পদ থাকিলে তাৰো বিশেষণ বা সম্বন্ধ পদ আছেনেকি চাব লাগে। যদি আছে তাক সম্বন্ধ পদটোৰ পাচত বহুৱাব লাগে।

৬] উপশব্দ থাকিলে বিশেষণৰ পাচত দিব লাগে (সম্বন্ধ পদৰ ক্ষেত্ৰতো সেয়ে)। (সম্বন্ধ পদৰো নিজা উপশব্দ, লিঙ্গ, বিশেষণ সম্বন্ধ পদ থাকিব পাৰে)।

উদাহৰণঃ

[illegible] — ৰীন নাই উ ৰীন কাও — এইটো মোৰ ঘৰ/এইটো ঘৰ মোৰ

[illegible] — নঙ মাউ চাম লুক দী — তোমাৰ ভায়েৰ ভাল লৰা

[illegible] — হু মাউ মাও পা তি না — তোমাৰ নতুন গৰুটো পথাৰত চৰিছে।

[illegible] — কা উ নুক দাম — কাউৰী কলা।

[illegible] — লিক দেঙ আন উ লিক খম টাই— ৰঙা কিতাপটো আহোম ভাষাৰ কিতাপ।

[illegible]

তি বান লেঙ কুন ফান ফু লেঙ জাও হু মে ক্যু হুঙ তু –

এখন গাঁৱত এজন দুখীয়া মানহৰ দুজনী শকত মাইকী গৰু আছিল।

[illegible]

খাউ ছন খম টাই তি হ ছন লঙ কেক –

সিহঁতে লংকাকৰ বিদ্যালয়ত টাই ভাষা শিকে।

[illegible]

কাও জন চু মাক বান লেঙ লে মাও হাউ কুঞ হক –

মই এটা মিঠা ফল খুজিলো, তুমি পকা কল দিলা।

[illegible] নাম নাম ছাউ উ নাম ছাউ –দিখৌ নৈৰ পানী নিজনি।

[illegible] ফু কন টাই মৌঙ মা তি চাও ফ্রঙ

নাম খুম – দিহিঙ্গীয়া ফুকন পুখুৰীপৰীয়া বুঢ়াগোহাঁইৰ ওচৰলৈ আহিছে।

[illegible] কুন ছুঙ দু ছুঙ কুন –

দ্বিতীয় মানুহজনে দুটা মানুহ দেখিলে।

[illegible] তি বান লুক লেঙ নাম কাম ফ্রঙ জাও উ

বাটি এটাত পানী অলপ মান আছে।

[illegible] পী ভ্রিঙ কাও নুঙ ৰপ চপ খাম লেঙ -

মোৰ বাইদেউৱে সোণৰ আঙুঠি এটা পিন্ধিছে।

[illegible] নাম ক্লিন আন নান উ নাম নাম খুম –

সেই খোৱা পানীখিনি পুখুৰীৰ পানী।

[illegible]

কুন কাও হান তি ৰৗন মান মা লুক তাম দয় চে –

মই তাৰ ঘৰত দেখা মানুহজন চৰাইদেউৰ পৰা আহিছে।

[illegible]

কুন চু মান লাপেত জু তাঙ থাও মুঙ লুঙ মাদুৰী –

লাপেত নামৰ মানুহটো মাদুৰীয়াল বৰগোহাঁই লগত থাকে।

ফু লেঙ লা ছাম জু তি চে টাই মীঙ -
লাছাম নামৰ কোনোবা এটা (মানুহ) দিহিং নগৰত (বা ৰাজধানীত) থাকে।

(খ)

কাও চম কুন মাঙ কুন ফুক ফু লেঙ –

মই এজন বগা শকত মানুহ লগ পালো।

হু দী খাই দী নাম নাম অক তি কাত –

বহুত ভাল ভাল গৰু মহ বজাৰত ওলায়।

লুক নান চাম লুক মঙ – সেই লৰাটো টেঙৰ।

কুন খুঙ ফু প লুক ফিত ছুঙ ফু –খঙাল মানুহ জনে দোষী লৰা দুটাক কোবালে।

নঙ মান মাও কী ফু ছুন লিক –

তোমাৰ কেইজন ভায়েৰে পঢ়িছে?

(গ)

কাও দু ৰীন নান চে ছুঙ পী কাই প মান মাও –

মই তোমাৰ দেউতাৰ ককায়েকৰ গড়গাৱঁত থকা সেই ঘৰটো দেখিছো।

হাউ কাও লিক দেঙ মাও আও মা লুক তী কাত–

তোমাৰ বজাৰৰ পৰা অনা ৰঙা কিতাপটো মোক দিয়া।

মান তাক ছি ফা কাও ৰীন পী কাই কাও –

সি মোৰ ককাইদেউৰ ঘৰৰ পুৰণা বেৰখন ভাঙিছে।

হু দাম নান কুন ফান ফু নাই লঙ কেক ৰাই দাই –

লংকাকৰ এই দুখীয়া মানুহ জনৰ সেই ক'লা গৰুটো মৰিল।

দ্বাদশ পাঠ
বিশেষণৰ তুলনা

(ক) দুটা বিশেষ্য পদ এটা বিশেষণে বুজোৱা গুণৰ তুলনা হ'লে (গুণৰ কম বেছি) যিটো বিশেষ্যৰ গুণক তুলনা কৰা হয় সেই বিশেষ্যটোক কৰ্ত্তা কৰিব লাগে। বিশেষণবোধৰ আগত [illegible] দিব লাগে আৰু যিটো বিশেষ্যৰ গুণৰ লগত কৰা হয় সেই বিশেষ্যৰ আগত [illegible] বা [illegible] যোগ দিব লাগে।

উদাহৰণঃ

[illegible]

তূ খাই খেঞ লুঙ লুক তূ হ —গৰুতকৈ মহ ডাঙৰ / মহ গৰুতকৈ ডাঙৰ।

[illegible]

হৰি উ খেঞ বঙ ত লুক যদু —হৰি যদুতকৈ পৰিশ্ৰমী।

[illegible]

কাই নাই উ খেঞ পু চে কাই নান —এইটো কুকুৰা সেইটোতকৈ শকত।

[illegible]

নঙ কাও খেঞ লিও লুক নঙ মাও —মোৰ ভাই তোমাৰ ভায়েৰতকৈ টেঙৰ।

[illegible]

দাই কিন নাম লেত খেঞ দী চে দাই কিন নাম জিন —

তপত পানী খোৱাটো চেঁচা পানী খোৱাতকৈভাল।

(খ) একোটা বিশেষ্যৰে দুটা বিশেষণৰ তুলনা হ'লে যিটোক তুলনা কৰা হয় তাৰ আগত [illegible] আৰু যিটোৰ লগত তুলনা কৰা হয় তাৰ আগত [illegible] বা [illegible] দিব লাগে।

[illegible] মান উ খেঞ বঙ লুক খুঙ —

সি খঙালতকৈ বেছি টেঙৰ / সি যিমান খঙাল তাতকৈ বেছি টেঙৰ।

[illegible] প' মান মাও খেঞ ৰা লুক মাক —

তোমাৰ দেউতা ধনীতকৈ বেছি ৰুগীয়া / যিমান ধনী তাৰ তুলনাত বেমাৰী।

(গ) "আটাইতকৈ" "সকলোতকৈ" বুজোৱা তুলনা হ'লে অৰ্থাৎ সকলোখিনি বিশেষ্যৰ

ভিতৰত কোনো এটাৰ বিশেষণৰ গুণৰ পৰিমাণ অন্য প্ৰত্যেকৰ গুণৰ লগত তুলনা কৰিলে বিশেষণটো আগত [illegible] আৰু [illegible] বা [illegible] পাচত [illegible] বা [illegible] দিব লাগে। নতুবা [illegible], [illegible] ৰ পাচত বিশেষ্যটো দি তাৰ পাচত [illegible] বা [illegible] দিব লাগে।

উদাহৰণঃ

[illegible]

তু চাঙ উ খেঞ জাও লুক তু টাঙ লাই – হাতী আটাইতকৈ ডাঙৰ জন্তু।

[illegible]

মনি উ খেঞ দী চে নাম নাম – মনি আটাইতকৈ ভাল।

[illegible]

মী নান ছীকাফা জাঙ খেঞ জু লুক টাঙ লাই –

সেই কালত ছীকাফা আটাইতকৈ ক্ষমতা শালী ৰজা আছিল।

[illegible]

কুন খেঞ ৰা লুক নাম নাম উ কুন খেঞ ৰাও লুক তাঙ লাই –

আটাইতকৈ ৰুগীয়া মানুহজন আটাইতকৈ দুখীয়া।

ত্ৰয়োদশ পাঠ

বিশেষ্যৰ পৰিচয় বাচক বিশেষ্য শব্দ বা বাক্যাংশ আৰু সম্বন্ধপদ

কোনো বিশেষ্য শব্দ বা বাক্যাংশ এটা বিশেষ্য পদৰ ঠিক পিচতে বহি বিশেষ্য পদটোৱে বুজোৱা ব্যক্তি বা বস্তুটোকে বুজায় আৰু তাৰ বৰ্ণনামূলক পৰিচয় দিলে সেই বিশেষ্য শব্দ বা বাক্যাংশক ইংৰাজী ভাষাত Case in Apposition বোলে। আহোম ভাষাটো এনে পৰিচয় বাচক বিশেষ্য আছে। এনে পৰিচয় বাচক বিশেষ্য বিলাক বিশেষ্যৰ পদটোৰ পাচতহে বহে।

এনে পৰিচয় মূলক শব্দ আৰু সম্বন্ধ পদ দেখাত দুয়োটা একে যেন লাগে কিন্তু অৰ্থ

বেলেগ। ইইংতৰ ব্যৱহাৰৰ সাদৃশ্য হেতুকে বহু সময়ত অৰ্থৰ বিভ্ৰাট ঘটাৰ সম্ভাৱনা আছে।

মন কৰিব লগীয়া কথা ঃ–

১) দুটা বিশেষ্যৰ একেলগে থাকি প্ৰত্যেকটোৱে যদি একেটা বস্তুকে বুজায় আৰু আগৰটো "কোন বা কি" তাক পিচৰটোৱে কৈ দিয়ে তেন্তে আগৰটো "মূল বিশেষ্য" পদ আৰু পাচৰটো হয় "পৰিচয় বাচক" বিশেষ্য (Case in Apposition)।

২) দুটা বিশেষ্য একেলগে থাকি আগৰটো "কাৰ বা ক'ৰ" তাক যদি পিচৰটোৱে কৈ দিয়ে তেন্তে আগৰটো হয় "মূল বিশেষ্য" আৰু পিচৰটো হয় সম্বন্ধ পদ, আৰু আগৰটো "কেনেকুৱা" তাক যদি পিচৰটোৱে কৈ দিয়ে পিচৰটো হয় বিশেষণ।

৩) বহু সময়ত এটা বিশেষ্য আৰু তাৰ সম্বন্ধ পদ লগ লাগি একগোট হৈ (বাক্যাংশ হৈ) একোটা পৰিচয় মূলক বাক্যাংশ হয়।

উদাহৰণ ঃ-

[illegible]

লুক মান ছী তেউ ফা হিত চাও – পুতেক ছীতেউ ফা ৰজা হয়।

[illegible]

ছী তেউ ফা লুক মান ছী কা ফা হিত চাও –

ছীকাফা পুতেক ছীতেউ ফা ৰজা হ'ল।

* ১ম বাক্যত [illegible] মুল বিশেষ্য [illegible] = [illegible] ৰ পৰিচয়

২য় বাক্যত [illegible] মূল বিশেষ্য [illegible] পৰিচয়

[illegible] পৰিচয় [illegible] - [illegible] ৰ সম্বন্ধ পদ।

পৰিচয় সম্বন্ধ পদ।

[illegible] লুক মান ছী তেউ ফা পিন খুন –

ছীতেউ ফা পুতেক ৰজা হ'ল / ছীতেউ ফা [illegible] ৰ সম্বন্ধ পদ।

[illegible]

[illegible] তি চাও ছেঙ লুঙ লা কও দে নঙ মান ফূ কন জী ৰ

দে তাঙ লুঙ নঙ চাম হেউ তাই ছি – বৰপাত্ৰ গোহাঁই লাকুদেৱৰ ভায়েক নাওশলীয়া

ফুকনক ককাই ভাই পো পোৱালীৰে সৈতে মৰালে।

[illegible]

চাও মাৰাঙকী লুক লান চিঙ জপৰ জল হেউ হিত ৰূ ছেক – জপৰজল চেতিয়াৰ নাতিয়েক মৰণ্ডি খোৱা গোহাঁইক সেনাপতি পাতিলে।

[illegible]

তি লাচিত লুক ফুকে লুঙ লান ফী মা চাম হেউ জূ তি ছাউ লা – লান ফিমা বৰবৰুৱাৰ পুতেক লাচিতক ছাউ লাত ৰখালে।

[illegible] – ৰাম হিঙ ৰূ ছেক ফাঙ লঙ কা তাঙ নাম তি লাও – মুছলমানৰ সেনাপতি ৰামসিংহ লুহিতেদি ভটিয়াই গ'ল।

[illegible]

তি নৰনাৰায়ণ খুন কত ছ চাও ফা চাঙ হাউ চাঙ ছঙ তৃ – কোঁচ ৰজা নৰনাৰায়নলৈ স্বৰ্গদেৱে দুটা হাতী দিলে।

✱ ✱

চতুৰ্দশ পাঠ
ক্ৰিয়া পদ

ক্ৰিয়া পদে কৰা কাম ঃ –

১) ক্ৰিয়াই কোনো এটা কাম বুজায়।

২) সেই কামটো সম্পন্ন কৰা বা হোৱা বুজায়।

৩) ক্ৰিয়াটোৱে বুজোৱা কামটো সম্পৰ্কে অৰ্থাৎ হোৱা বা থকা বা সম্পন্ন কৰাৰ ক্ষেত্ৰত কোনো এটা বিশেষ্যৰ বিষয়ে একোযাৰ কথা কয়।

ক্ৰিয়াৰ ক্ষেত্ৰত শিকিব লগীয়া বিষয় ঃ –

১) কাল ঃ ক্ৰিয়া সম্পন্ন হোৱা সময় আৰু লক্ষণ।

২) ক্ৰিয়া বিভক্তি।

৩) সমাপিকা, অসমাপিকা, Participle, Infinitive।

৪) বিভিন্ন ভাবানুযায়ী বিভিন্ন সহায়কাৰী ক্ৰিয়া।

৫) পাঁচনি ক্রিয়া - সিদ্ধা সাধ্যা ক্রিয়া।

৬) সর্ত্ত পৰিণাম বাচক বাক্যত ক্রিয়া।

৭) বিভিন্ন প্রকাৰৰ বাক্যত ক্রিয়া (সাধাৰণ কথা ঃ হ্যা বাচক না বাচক, প্রশ্ন, আদেশার্থক, আশীবাদ কামনা, প্রস্তাবাদি)।

৮) সদুগামী আবৃত ক্রিয়া।

৯) দ্বিপদ ৰূপী ক্রিয়া।

ক্রিয়াৰ লগত জড়িত বিষয় ঃ –

১) কৰ্ত্তা ২) কৰ্ম ৩) পুৰক ৪) ক্রিয়া বিশেষণীয়, ক্রিয়া বিশেষণ পদ।

সমাপিকা আৰু অসমাপিকা ক্রিয়া ঃ–

সমাপিকা ক্রিয়া ঃ একোটা পূৰ্ণ ভাব প্রকাশ কৰিবলৈকে একোটা কথা কোৱা হয়। কৰ্ত্তা আৰু এটা ক্রিয়া কলেই এটা ভাব পূৰ্ণ হব পাৰে আৰু তেতিয়াই ই এটা কথা বাবাক্য হৈ পৰে। যেনে ঃ- [illegible] এনেদৰে কৰ্ত্তাৰ লগত যি ক্রিয়াটো কলে ভাব পূৰ্ণ হৈ একোটা বাক্য বা কথা একোটা হয় সেই ক্রিয়াকে "সমাপিকা ক্রিয়া" বোলে।

একোটা ক্রিয়া পদ সমাপিকা ক্রিয়া হবলৈ হ'লে ইয়াৰ লগত "ক্রিয়া বিভক্তি" যোগ হব লাগে বা বিশেষ ভাব প্রকাশক কোনো "সহায়কাৰী ক্রিয়া" যোগ হব লাগে।

সমাপিকা ক্রিয়াই কৰ্ম সম্পাদানৰ সময়, লক্ষণ আদি বুজাবৰ বাবে কাল নিৰ্দ্দেশ কৰে বিভিন্ন কাল বুজাবলৈ বিভিন্ন ক্রিয়া বিভক্তি যোগ কৰা হয়। কেতিয়াবা কেতিয়াবা ক্রিয়া বিভক্তি ক্রিয়াৰ লগত ওলাই নেথাকিলেও বুজিব লাগে যে বিভক্তি চিনটো উহ্য হৈহে আছে।

ভাব প্রকাশ কৰা বাক্য বা কথা নহৈ অসম্পূৰ্ণ কথাহে হয় তেন্তে সেই ক্রিয়াক "অসমাপিকা ক্রিয়া" বোলে।

অসমাপিকা ক্রিয়াত ক্রিয়া বিভক্তি যোগ নহয়। কেতিয়াবা কেৱল ক্রিয়া পদটোৱেই হয়। কেতিয়াবা ক্রিয়াৰ লগত [illegible] চিন কেইটা যোগ কৰি অসমাপিকা ক্রিয়া কৰা হয়।

অসমাপিকা ক্রিয়াৰ লগত সাধাৰণতে কালৰ কোনো সম্পৰ্ক নেথাকে। সকলো কালতে একে দৰে থাকে। কিন্তু এটা ক্রিয়া সম্পন্ন হোৱাৰ আগত অন্য এটা ক্রিয়া সম্পন্ন

হোবা ভাব প্ৰকাশ কৰিবলৈ (অৰ্থাৎ পূৰাঘটিত ভাব) আগতে সম্পন্ন হোবা ক্ৰিয়াটোত [illegible] [illegible] বা [illegible] [illegible] চিন দি পূৰাঘটিত অসমাপিকা কৰা হয়।

সহায়কাৰী ক্ৰিয়া ঃ— বিশেষ বিশেষ অৰ্থ বা ভাব প্ৰকাশ কৰিবলৈ সমাপিকা ক্ৰিয়াৰ লগত কিছুমান ক্ৰিয়া পদ যোগ দিয়া হয়। এই ক্ৰিয়া পদৰ সহায়ত প্ৰয়োজনীয় ভাবটোহঁত প্ৰকাশ হয়। এনে বিলাক ক্ৰিয়া পদকে সহায়কাৰী ক্ৰিয়া বোলা হয়।

যেনে ঃ-

[illegible]	সি পঢ়িব পাৰে।
[illegible]	সি যাব পাৰে (যোৱাৰ সম্ভাৱনা)
[illegible]	সি যোৱা উচিত।
[illegible]	সি যাব লগা হৈছে।

পঞ্চদশ পাঠ

কাল ঃ ক্ৰিয়া বিভক্তি

প্ৰতিটো সমাপিকা ক্ৰিয়া বাক্যত ব্যৱহাৰ হওঁতে একোটা কাম, সেই কাম সম্পাদন হোৱা সময় আৰু লক্ষণ নিৰ্দ্দেশ কৰে। এই সময় আৰু লক্ষণ দুয়োটাকে একত্ৰ কাল বোলে।

কাল বিভাজন ঃ- সমাপিকা ক্ৰিয়াই নিৰ্দ্দেশ কৰা সময়টো অনুসৰি ক্ৰিয়া কাল তিনিটা —

বাক্যটোৰ বক্তাই কথা কোৱা সময় থিনি ক্ৰিয়াটোৱে বুজালে বা সামৰি ললে সি হয় "বৰ্ত্তমান কাল" কথা কোৱা সময়ৰ আগতে পাৰ হৈ যোৱা সময় বুজালে "অতীত কাল" কথা কোৱা সময়ৰ পাচৰ আহিব লগীয়া সময় বুজালে হয় 'ভৱিষ্যত কাল"।

ক্ৰিয়াই নিৰ্দ্দেশ কৰা লক্ষণ কেইটা মান হৈছে ঃ (ক) নিদিষ্ট লক্ষণৰ ইঙ্গিত বা সাধাৰণভাৱে একোটা সময়ৰ ইঙ্গিত (খ) ক্ৰিয়াই বুজোৱা কাম নিদিষ্ট ক্ষণত চলি থকা বা ক্ষণৰ পূৰ্ব্বে অন্ত পৰা (গ) কামটো আৰম্ভ হৈ অন্ত হোৱা আৰম্ভ হৈ আংশিক ভাৱে বাকী থকা। এনে লক্ষণৰ ওপৰত ভিত্তি কৰি কাল হয় ৪ প্ৰকাৰৰ।

১) সাধাৰণ কাল ঃ ক) সাধাৰণ বৰ্ত্তমান খ) সাধাৰণ অতীত গ) সাধাৰণ ভবিষ্যত

২) ঘটমান কাল ঃ নিৰ্দ্দিষ্ট ক্ষণ বুজায়, ক্ষণটোত ক্ৰিয়াৰ কাম চলি থকা ক্ষণটোৰে পূৰ্ব্বে কাম আৰম্ভ হোৱা আংশিক সম্পন্ন হৈ আংশিক বাকী থকা অন্ত নোহোৱা বুজায়। এনে কাল (ক) ঘটমান বৰ্ত্তমান (খ) ঘটমান অতীত (গ) ঘটমান ভবিষ্যত।

৩) পূৰাঘটিত কাল ঃ নিৰ্দ্দিষ্ট ক্ষণ বুজায়, ক্ষণটোৰ আগতে ক্ৰিয়াৰ কাম আৰম্ভ হৈ অন্ত হোৱা কিন্তু ক্ষণটোলৈকে কামটোৰ কোনো ফলাফল প্ৰতিক্ৰিয়া আদি থকা বুজায় এনে কাল (ক) পূৰাঘটিত বৰ্ত্তমান (খ) পূৰাঘটিত অতীত (গ) পূৰাঘটিত ভবিষ্যত।

৪) পূৰাঘটিত ঘটমান কাল ঃ নিৰ্দ্দিষ্ট ক্ষণ বুজায়। নিৰ্দ্দিষ্ট ক্ষণটোৰ আগতে ক্ৰিয়া কাম আৰম্ভ হয়। ক্ষণটোলৈ আৰম্ভণিৰ পৰা কামটো চলি থাকে। ক্ষণটোতো কাম চলি থাকে কামটো ক্ষণটোতো অন্ত নহৈ আংশিক বাকী থাকে। এনে কাল হ'ল (ক) পূৰাঘটিত ঘটমান ভূত (খ) পূৰাঘটিত ঘটমান বৰ্ত্তমান (গ) পূৰাঘটিত ঘটমান ভবিষ্যত

ওপৰোক্ত ২,৩,৪ এই নিৰ্দ্দিষ্ট ক্ষণ নিৰ্দ্দেশ কৰা কাল কেইটাত নিৰ্দ্দিষ্ট ক্ষণ কেইটা অতীত, বৰ্ত্তমান, ভবিষ্যত কালত অন্তভূক্ত হোৱা মতে সিহঁতৰো অতীত, বৰ্ত্তমান, ভবিষ্যত হোৱাটো নিৰ্ণয় হয়।

এই কেইটাৰ ওপৰিও অন্য এটা কাল হ'ল "সম্ভাব্য ভূত কাল" ক্ৰিয়াই বুজোৱা কামটো অতীতত সম্পন্ন কৰাৰ সম্ভাবনা আছিল বা ইচ্ছা আছিল কিন্তু কামটো সম্পন্ন কৰা নহ'ল তেনে অৰ্থ বুজালে "সম্ভাব্য ভূত কাল" হয়।

মন কৰিব লগীয়া যে টাই আহোম ভাষাত এটা বৈশিষ্ট্য যে প্ৰাতিপাদিকেই হওক বা ধাতুৱেই হওক ইহঁতৰ লগত বিভক্তি, প্ৰত্যয় বা অন্য কোনো সহায়কাৰী শব্দ যোগ হলেও কাল, লিঙ্গ, বচন ইত্যাদি ভেদেও মূল শব্দৰ কোনো ৰূপান্তৰ নঘটি একেই থাকে।

মূল ক্ৰিয়া শব্দৰ ৰূপ একেই থাকে। বিভিন্ন কাল বুজাবলৈ মূল ক্ৰিয়া শব্দৰ লগত মাত্ৰ কিছুমান শব্দ বা চিন যোগ কৰা হয়। এই শব্দ বা চিন বোৰকে ক্ৰিয়া বিভক্তি বোলে।

	বৰ্ত্তমান	অতীত	ভৱিষ্যত
সাধাৰণ	কেবল ক্ৰিয়া	ক্ৰিয়া + m;	an' + ক্ৰিয়া
		ক্ৰিয়া + r/ym	anm = ক্ৰিয়া
		ক্ৰিয়া + w'	
		ক্ৰিয়া + wó, w'	

	বৰ্ত্তমান	অতীত	ভৱিষ্যত
ঘটমান	ক্ৰিয়া + ym	ক্ৰিয়া + ym wó	an' + ক্ৰিয়া + ym
Continuous	ক্ৰিয়া + w	ক্ৰিয়া + w wó	anm + ক্ৰিয়া + w
পূৰাঘটিত ঘটমান	ক্ৰিয়া + m'	ক্ৰিয়া + m' + wó	ক্ৰিয়া + an' + ym
		ক্ৰিয়া + wó r/ym	an' + ক্ৰিয়া + m'
		ক্ৰিয়া + wó + w'	an' + ক্ৰিয়া + wó
পূৰাঘটিত	ক্ৰি + ym + m'	ক্ৰি + ym m' wó	ক্ৰিয়া + an' ym m'
সম্ভাব্য ভূত তথা		ym an' + ক্ৰি + m'	
ভূত ভৱিষ্যত		ym an' + ক্ৰি + wó	

মন কৰিব লগীয়া ঃ-

১) কেৱল ক্ৰিয়াৰে সাধাৰণ বৰ্ত্তমান কালৰ ক্ৰিয়া হয়। কিন্তু কেৱল ক্ৰিয়াৰে অসমাপিকা ক্ৰিয়া আৰু উৰ্দ্দেশ্য বোধকাদি ক্ৰিয়াও হব পাৰে।

২) ঘটমান কালত w' ym বা wló লাগে।

৩) পূৰাঘটিত কালত m' বা দ্বিত্ব অতীত লাগে।

৪) পূৰাঘটিত ঘটমান কালত ঘটমান চিন w' ym, wló আৰু পূৰাঘটিত চিন লাগে m'

৫) ভৱিষ্যত কালৰ চিন an', anm

৬) বৰ্ত্তমান কালৰ ক্ৰিয়াৰ লগত উপযুক্ত স্থানত wó দিলে অতীত an' দিলে ভৱিষ্যত কাল হৈ পৰে। বাক্যৰ শেষত wó দিলে গোটেই কথা খিনি অতীত আৰু আৰম্ভত an' দিলে ভৱিষ্যত কাল হৈ পৰে।

৭) ক্ৰিয়া - ক্ৰিয়া বিভক্তি একে লগে নেথাকি মাজত অন্য শব্দ লৈ আতৰা আঁতৰি হৈ থাকিবও পাৰে।

৮) বিষয় বস্তু বা অন্য কথাৰ পৰা যদি ক্ৰিয়াৰ কালৰ বিষয়ে ধাৰণা হব পাৰে তেন্তে ক্ৰিয়াৰ লগত ক্ৰিয়া বিভক্তি চিন যোগ নিদিলেও হয়।

৯) বাক্যত ক্ৰিয়া যুক্ত বাক্যংশ থাকিলে সেই বাক্যংশতো পূৰ্ণ বাক্যৰ দৰে ক্ৰিয়া বিভক্তি প্ৰয়োজন মতে ব্যৱহাৰ হয়।

m°ǵ ক্ৰিয়াত বিভিন্ন কালত বিভিন্ন ক্ৰিয়া বিভক্তি যোগ।

ক] বৰ্ত্তমান - সাধাৰণ - mó m°ǵ — মই খাওঁ।

ঘটমান - mó m°ǵ w° m̃ — মই খাইছো/খাই আছো।

পূৰাঘটিত - mʃ m°ǵ mˀ — মই খালো।

পূঃ ঘঃ ঘটমান - mʃ m°ǵ w° m̃ mˀ — (মই তেতিয়াৰ পৰা এতিয়াও) খাই আছো, মই খাই আহিছো।

খ] অতীত - সাধাৰণ - mʃ m°ǵ m;

mʃ m°ǵ wó — মই খাইছিলো।

mʃ m°ǵ w°

ঘটমান - mó m°ǵ w° m̃ wó — (সেই ক্ষণত) মই খাই আছো।

mʃ m°ǵ w wó — " " "

পূৰাঘটিত - mʃ m°ǵ mˀ wó — (সেই ক্ষণৰ আগেয়ে) মই খালো।

mʃ m°ǵ wó w° — " " "

পূঃ ঘঃ ঘটমান - mʃ m°ǵ w° m̃ mˀ wó — (আগৰে পৰা সেই ক্ষণলৈকে) মই খাই আহিছিলো।

সাম্ভাব্য ভূত - mʃ m̃ ơ° m°ǵ wó — মই খালো হেতেন।

খ] ভৱিষ্যত - সাধাৰণ - mʃ ơ° m°ǵ

mʃ ơm̃ m°ǵ — মই খাম।

ঘটমান - mʃ ơ° m°ǵ w° m̃ — (সেই ক্ষণত) মই খাই থাকিম।

mʃ m°ǵ w wó — " " "

পূৰাঘটিত - [illegible] (সেই ক্ষণৰ আগেয়ে) মই খাম।

[illegible] " " "

পূঃ ঘঃ ঘটমান - [illegible] (আগৰে পৰা সেই ক্ষণলৈকে) মই খাই থাকিম।

***

ষষ্ঠদশ পাঠ ঃ
বিভিন্ন কালৰ ব্যৱহাৰ (Uses of Tense)

ক] সাধাৰণ কালৰ ব্যৱহাৰ ঃ-

ক্রিয়াই নির্দ্দেশ কৰিব লগীয়া সময়টো যদি সাধাৰণ ভাৱে অতীত, বর্ত্তমান, ভৱিষ্যত হয় কোনো বিশেষ ক্ষণ একোটা নির্দ্দেশ নকৰে বৰং এছোৱা সময়হে বুজায়, ক্রিয়াৰ কামটো প্রকৃতিগত ভাৱে বা অভ্যাসগত ভাৱে বা সচৰাচৰ ভাৱে হোৱা বুজায়, কোনো এছোৱা সময়ৰ ভিতৰত হোৱা বুজায় তেন্তে সেই ক্রিয়াৰ কাল হয় সাধাৰণ কাল।

যি ছোৱা কালৰ ভিতৰত কামটো সম্পাদন হোৱা বুজায় সেই ছোৱা কাল যদি গোটেই অতীত সময় চোৱা বা তাৰ ভিতৰৰে কোনো এছোৱা হয় তেন্তে সি হয় সাধাৰণ অতীত। সেই সময় ছোৱাৰ ভিতৰত যদি বর্ত্তমান (অর্থাৎ কথাটো কোৱাৰ সময়টো) সময়টো সোমাই থাকে তেন্তে সিয় হয় সাধাৰণ বর্ত্তমান। আৰু সেই সময়ছোৱা গোটেই ভৱিষ্যত সময় ছোৱা বা তাৰ ভিতৰৰ কোনো এছোৱা হয় তেন্তে সিয় হয় সাধাৰণ ভৱিষ্যত।

উদাহৰণ ঃ–

১] [illegible] বান অক তি বান অক – বেলি পূবফালে ওলায়।

[illegible] প্লা জূ তি নাম – মাছ পানীত থাকে।

[illegible] কুন মৌঙ ৰাও নুঙ ফা ৰেম – আমাৰ দেশৰ মানুহে চুৰিয়া পিন্ধে।

[illegible] নাম লা লা উ নাম চেম – সাগৰ পানী লুণীয়া।

[illegible] লাঙি ছন লিক তি তি ফাও – লাঙিয়ে ডিব্রুগড়ত পঢ়ে।

কুন না কিন ফেঞ তি না কিপ –
খেতিয়কে পথাৰ ডৰাত হাল বায়।

২] মান পাই তি কাত জাও – সি বজাৰলৈ গৈছিল।

মৌ বান লীঙ কাও দাই ত্ৰা তক লীঙ জাও – মই এদিন এটা টকা পাইছিলো।

ৰিণা লিক নাই ফাত ছি – ৰিণাই এই কিতাপটো পঢ়িছিল।

চাও ফা জু তি চে মৌঙ জাও - স্বৰ্গদেউ ৰাজধানীত আছিল।

ছী কা ফা কিন মৌঙ ৰাও কা – ছীকাফাই আমাৰ দেশখন গঢ়িছিল।

৩] মাও তি কিন ভাই – তুমি জলপান খাবা।

নও ত্ৰিঙ তি ছাক ফা চু কাও – ভনীয়ে মোৰ চোলাটো ধুব।

নও মান কাও তি পাই তি হ হুন লিক – মোৰ ভাই স্কুললৈ যাব।

খ) ঘটমান কালৰ ব্যবহাৰ ঃ-

যদিহে এটা বিশেষ ক্ষণ বুজায় আৰু সেই ক্ষণটোত ক্ৰিয়াই বুজোৱা কামটো চলি থকা বুজায় বা কামটো পূৰ্ব্বতে আৰম্ভ হ'ল কিন্তু শেষ হোৱা নাই আংশিক বাকী আছে এনে ভাব প্ৰকাশ কৰা হয় তেন্তে ক্ৰিয়াৰ কাল হয় ঘটমান কাল।

সেই বিশেষ ক্ষণটো যদি অতীত কাল ছোৱাৰ অন্তৰ্গত হয় তেন্তে ক্ৰিয়াটোৰ কাল হয় ঘটমান অতীত, ভবিষ্যত কালছোৱাৰ অন্তৰ্গত হ'লে ঘটমান ভবিষ্যত আৰু বৰ্ত্তমান ক্ষণ (কথাটো কোৱা ক্ষণটো) হয় তেন্তে ঘটমান বৰ্ত্তমান হয়।

উদাহৰণ ঃ-

১] কাও ফাত লিক ছি উ – মই (এতিয়া) কিতাপ পঢ়ি আছো।

[illegible] খাউ কিন খাও ছু — সিহঁতে ভাত খাই আছে।

[illegible] নুক নাম বিন ছু তি ফা—চৰাইবোৰ আকাশত উৰিছে।

[illegible] মীনা কণ পিন খক ফা ছি উ — মীনাই এতিয়া মুগা কাপোৰ বৈ আছে।

২] [illegible] লুক ঞেঙ এ উ জাও — ছোৱালীয়ে (সেই সময়ত) গান গায় আছিল।

[illegible] মনি ফান তুন লৌঙ উ জাও—মনিয়ে (তেতিয়া) এজোপা গছ কাটি আছিল।

[illegible] মাও আপ খিঙ ছু জাও —তুমি গা ধুই আছিলা।

[illegible] মু নান তিম লিক লৌঙ উ জাও — সেই সময়ত সি এখন কিতাপ লিখি আছিল।

৩] [illegible] মু খেক ফী মাও তি নাঙ উ —দেউ পূজাৰ সময়ত তুমি বহি থাকিবা।

[illegible] মী বান অক খাও তি নন ছু —বেলি ওলোৱা সময়ত সিহঁত শুই থাকিব।

গ) পূৰাঘটিত আৰু পূৰাঘটিত ঘটমান কাল ঃ-

ক্ৰিয়াই যদি এটা বিশেষ ক্ষণ নিৰ্দ্দেশ কৰে আৰু সেই ক্ষণটোৰ আগৰ সময়ো নিৰ্দ্দেশ কৰে তেন্তে ক্ৰিয়াৰ কালটো হয় পূৰাঘটিত কাল।

নিৰ্দ্দিষ্ট ক্ষণটোৰ আগৰ এটা সময়ত যদি ক্ৰিয়াৰ কাম আৰম্ভ হৈ সেই ক্ষণটোলৈকে কামটো চলি অহা আৰু ক্ষণটোতো কামটো চলি থকা বুজায় তেন্তে ক্ৰিয়াটোৰ কাল হয় পূৰাঘটিত ঘটমান কাল।

নিৰ্দ্দিষ্ট ক্ষণটো বৰ্ত্তমান অৰ্থাৎ কথাটো কোৱা ক্ষণটো হ'লে পূৰাঘটিত বৰ্ত্তমান, অতীত কালছোৱাৰ অন্তৰ্গত হ'লে পূৰাঘটিত অতীত আৰু ভৱিষ্যত কালছোৱাৰ অন্তৰ্গত হ'লে পূৰাঘটিত ভৱিষ্যত হয়। অতীতৰ কামৰ ফল ক্ষণটোলৈকে থকা বুজালেও পূৰাঘটিত কাল হয়।

উদাহৰণঃ-

১] মান কিন খাও কয় — সি ভাত খালে।

কুন ৰা ফূ ৰাই ছি কয় —বেমাৰী মানুহটো মৰিল।

প মান তি চে মুন পাই কয় — দেউতা ৰংপুৰলৈ গ'ল।

কাও হান চ ৰীন লাঙ কয় — মই ৰংঘৰটো দেখিছো।

২] পি কাই মান পাই তি ৰীন জাও অ্ — তাৰ ককায়েক (আগতে) ঘৰলৈ গ'ল।

নুক আন ফুঞ জাওছী — চৰাইটো (আগতে) উৰি গ'ল।

৩] ছিপ বান মান ফাত লিক আন ছী উ কয় -১০ দিন ধৰি সি কিতাপটো পঢ়ি আছে।

মু নান কুন ৰাও ত উ কয় তি শৰাইঘাট জাও — সেই সময়ত আমাৰ সৈন্যই শৰাইঘাটত যুদ্ধ চলাই আছিল।

৪] মান ফাত লিক তি কয় — সি (আগতেই) কিতাপ পঢ়া শেষ কৰিব।

মান ফাত লিক তি উ কয় — সি আগৰে পৰা কিতাপ পঢ়ি থাকবি।

ঘ] সাম্ভাব্য ভূত / ভূত ভবিষ্যত কাল ঃ

যদিহে ক্ৰিয়াই বুজোৱা কামটো হোৱাৰ সম্ভাৱনা আছিল বা সম্পন্ন কৰাৰ ইচ্ছা আছিল কিন্তু কাৰ্যতঃ সি নহ'ল বা নহব তেন্তে সেই অৰ্থ প্ৰকাশ কৰিবলৈ ক্ৰিয়াৰ কালটো হয় সাম্ভাব্য ভূত কাল। এনে অসমীয়া ক্ৰিয়াত ইলো হেতেন, ইলাহেতেন ক্ৰিয়া বিভক্তি যোগ হয়।

অতীতৰ কোনো এক সময়ৰ লগত সঙ্গতি ৰাখি সেই সময়ৰ পাচত (ভবিষ্যত) ক্ৰিয়াৰ কাম সম্পন্ন হোৱা বুজালে সেই ক্ৰিয়াৰ কালটো হয় ভূত ভবিষ্যত কাল (অৰ্থাৎ অতীত ক্ষণৰ ভবিষ্যত)

সপ্তদশ পাঠ
ক্রিয়া বিশেষণ

যি বিলাক শব্দ বা শব্দ সমষ্টিয়ে ক্রিয়াৰ কর্ম সম্পাদনৰ ঠাই, কাৰণ, প্রকাৰ পদ্ধতি, পৰিমাণ, অৱস্থা, উদ্দেশ্য, সর্ত্ত-পৰিমাণ ইত্যাদি নির্দ্দেশ কৰে সেই শব্দ বা শব্দ সমষ্টিক বোলা হয় ক্রিয়া বিশেষণ।

ক্রিয়াৰ ওপৰত "ক'ত, কলৈ, ক'ৰ পৰা কেতিয়া, কাহানি, কিয়, কেনেকৈ, কিমানকৈ, কি অৱস্থাত" আদি প্রশ্ন কৰিলে যিটোহঁত উত্তৰ হয় সেই বিলাকেই ক্রিয়া বিশেষণ।

এই ক্রিয়া বিশেষণ বিলাক হয় ঃ–

১] ক্রিয়া বিশেষণ পদ বিলাক

২] ৩য়, ৫মী আৰু ৭মী বিভক্তি যুক্ত হোৱা বিশেষ্য সর্ব্বনাম শব্দ বিলাক বিভক্তি সহ একত্রে

৩] বহু সময়ত ক্রিয়া শব্দও উদ্দেশ্য বোধক, প্রকাৰ বোধক ক্রিয়া বিশেষণ হয়।

৪] বাক্যাংশ বা খণ্ডবাক্য (Phrase and Clause) ই ক্রিয়া বিশেষণ ৰূপে কাম কৰে।

কিছুমান ক্রিয়া বিশেষণ ঃ (ক) স্থান বাচক ক্রিয়া বিশেষণ কিছুমান ঃ–

[illegible]	ত/লৈ
[illegible]	পৰা
[illegible]	ক'ত/কলৈ/কৰ
[illegible]	কৰ পৰা
[illegible]	ইয়াত, এই ঠাইত
[illegible]	ইয়াৰ পৰা
[illegible]	তাত
[illegible]	তাৰ পৰা
[illegible]	কোন ঠাইত
[illegible]	কোন ফালে

[Tai script]	কাহানি, কোন দিনা, কি বাৰে
[Tai script]	এতিয়া
[Tai script]	তেতিয়া, তাৰ পাচত
[Tai script]	যেতিয়া
[Tai script]	আজি
[Tai script]	কালি
[Tai script]	কালিলৈ
[Tai script]	পৰহি
[Tai script]	পৰহিলৈ
[Tai script]	সদায়, প্রতি দিনে, নিতৌ
[Tai script]	এসময়ত
[Tai script]	আজি কালি
[Tai script]	সেই কালত
[Tai script]	তাহানি
[Tai script]	অতীজত
[Tai script]	সততে, যেতিয়াই তেতিয়াই
[Tai script]	ক্রমে ক্রমে, কাল ক্রমে
[Tai script]	কালক্রমে, যথা সময়ত
[Tai script]	অলপ দিনৰ আগতে
[Tai script]	তাৰ পাচত
[Tai script]	তাৰ আগত
[Tai script]	পাচত
[Tai script]	শেহত
[Tai script]	সোনকালে

গাৱত এজন বুঢ়া মানুহ মাটিয়েদি গৈ আছিল।

[illegible]

চাও ফা পাই জু তি চে মুন তাম চে ছুঙ জাও — স্বৰ্গদেৱ গড়গাৱৰ পৰা গৈ ৰংপুৰত থাকিলগৈ।

খ] ক্ৰিয়া বিশেষণৰ ব্যৱহাৰ ঃ —

[illegible]

মা নাই মাও তি কিন খাও কা জাও — আজি তুমি ক'ত ভাত খাবা।

[illegible]

মু নাই নাঙ ৰ্ঘ মান পাই তি ৰৌন নিউ — সি এতিয়া অকলে কেনেকৈ ঘৰলৈ গৈছে

[illegible]

জিম মু বাৰ মী ফী মী ছাঙ ছাক কুন — অতীজত দেৱতা মানুহ একো নাছিল।

[illegible]

চাও ফা চাঙ তাক ৰিক ফু কে লুঙ তি চে মুন — স্বৰ্গদেৱে তেতিয়া বৰবৰুৱাক নগৰলৈ মাতিলে।

[illegible]

তেন লেন ফু কে লুঙ মা খান মা চাঙ — তেতিয়া বৰবৰুৱা অতি সোণ কালে আহিল।

[illegible]

পয় চাও লুঙ ছাই ৰিঙ ফুন চাও ফা —তাৰ পাচত চাৰিং ৰজাই স্বৰ্গদেৱৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে।

[illegible]

[illegible] পয় লাক নী ৰাই মিত দিন হা চাম মে মৌঙ চাও ফা ৰাই ছি মৌঙ জাও — তাৰ পাচত স্বৰ্গদেৱৰ মাক (ৰাজমাও) লাকনি ৰাইমিতৰ চ'ত মাহত ঢুকাল।

[illegible]

পী হান খাও মা ছঙ ফাউ তি মৌঙ ৰাও জাও — একে বছৰতে সিহঁত আমাৰ দেশলৈ

দুবাৰ আহিছিল।

[illegible]

ম্যু লেঙ ৰান লুঙ লাঙ লাঁও জাঙ তা নন জাও — এসময়ত তাত এটা ডাঙৰ ঘৰ আছিল।

[illegible]

পয় ছুত ছি লুক মান পিন খুন — যথাসময়ত পুতেক ৰজা হ'ল।

[illegible]

পয় কা লাঙ মান পাই তি দয় চে — তাৰ পাচত তেওঁ চৰাইদেউলৈ গ'ল।

গ] কেতিয়াবা কেতিয়াবা একোটা অসমাপিকা ক্ৰিয়াইও উদ্দেশ্য বাচক পদ্ধতি বাচক ক্ৰিয়া বিশেষণৰ কাম কৰে।

উদাহৰণঃ—

[illegible]

মান মা তি ফাত লিক — সি পঢ়িবলৈ আহিছে।

[illegible]

মান ফাত লিক তিন/চুক উ — সি ঠিয়হৈ কিতাপ পঢ়িছে।

[illegible]

লুক এঙ এ এগম উ জাও — ছোৱালী জনীয়ে হাঁহি হাঁহি গান গাইছিল।

[illegible]

খী চাঙ চাও ফা পাই তি দয় চে জাও —স্বৰ্গদেৱে হাতীত উঠি চৰাইদেউলৈ গৈছিল।

[illegible]

খাও নাঙ কিন ঙাই জাও —সিহঁতে জলপান খাবলৈ বহিছিল।

***

উনবিংশ পাঠ

অব্যয় পদ (Conjunction)

যি বিলাক শব্দই দুটা শব্দ বা দুটা বাক্যাংশক সংযোগ কৰে সেই বিলাক শব্দই অব্যয়। একোটা শব্দ বাক্যত কেনেদৰে ব্যৱহাৰ হৈছে সি কি কাম কৰিছে তাৰ ওপৰতহে নির্ভৰ কৰি শব্দটো কোন পদ হয় তাক নির্ণয় কৰা হয়। গতিকে অব্যয় পদে কৰিব লগীয়া কাম (দুটাক যোগ দিয়া) যি শব্দই কৰে সিয়ে অব্যয় বুলি ধৰা হয়। ফলত ক্রিয়া-বিশেষণ, সর্ব্বনাম আদি অন্য শব্দই অব্যয়ৰ কাম কৰিলে তাকো অব্যয় বুলি ধৰা হয়।

কেইটামান অব্যয় শব্দ ঃ—

[illegible] - আৰু।

[illegible] - আৰু, তাৰোপৰি।

[illegible] - কিয়নো, কাৰণ।

[illegible] - বা, নাইবা

[illegible] - কিন্তু।

[illegible] - তথাপি

[illegible] - যদি।

[illegible] - যে, বোলে।

অব্যয় পদৰ ব্যৱহাৰ ঃ উদাহৰণ —

[illegible]

মে থাও ফু লীঙ জাঙ মে কাই লীঙ চাম মে পেত তু লীঙ — এজনী বুঢ়ীৰ এজনী কুকুৰা আৰু এজনী হাঁহ আছে।

[illegible]

খাম চাও ফা দাই ঙিন লে ৰিক চাও ফ্রঙ জাও —স্বৰ্গদেৱে বাতৰিটো শুনিলে আৰু বুঢ়া গোহাঁইক মাতিলে।

[illegible]

কাও তি কিন খাও পয় তী পাই তি হ ছন — মই ভাত খাম আৰু পাচত বিদ্যালয়লৈ যাম।

[illegible]

নঙ মান মউ পাই তি চে ছঙ পয় লুন লাঙ পাই তি নাজিৰা — তোমাৰ ভায়েৰ গড়গাঁও

তাৰোপৰি নাজিবালৈ যায়।

[illegible]

হাউ কাও খাও ৰূ ঙাই তি কিন — মোক ভাত বা জলপান খাবলৈ দিয়া।

[illegible]

মনু হান হূ ৰূ খাই জাও — মনুয়ে হয় গৰু নহয় ম'হ দেখিছিল।

[illegible]

মে মান হাউ খাও তু বা মান মি কিন জাও — মাকে ভাত দিলে কিন্তু সি নেখালে।

[illegible]

কাও তেন নাম না ত লাক কাও ছুন বৌ দাই — মই খুব চেষ্টা কৰিছিলো তথাপি শিকিব নোবাৰিলো।

[illegible]

ছাঙ বা মাও মা কাও ক তা পাই তা কাত — যদি তুমি আহা ময়ো বজাৰলৈ যাম।

[illegible]

লঙ খাম বা তি লঙ ছাম চাম কাও ক ছুন লিক — লঙখামে লঙছামক ক'লে বোলে ময়ো কিতাপ পঢ়ো।

* * *

বিংশ পাঠ

সমাপিকা আৰু অসমাপিকা ক্ৰিয়া

কৰ্ত্তা আৰু ক্ৰিয়া যুক্ত শব্দৰ সমষ্টিৰে যেতিয়া এটা ভাৱ সম্পূৰ্ণ হয় তেতিয়াই এটা কথা বাক্য হয় আৰু সেই ক্ৰিয়াটো হয় "সমাপিকা ক্ৰিয়া"। কিন্তু যেতিয়া কৰ্ত্তা ক্ৰিয়া দুয়োটা থকা স্বত্বেও শব্দ সমষ্টিটোৰে ভাৱ পূৰ্ণ নহৈ অসম্পূৰ্ণ হৈ থাকে তেতিয়া সেই ক্ৰিয়াটোক বোলে — অসমাপিকা ক্ৰিয়া।

ক্ৰিয়া তলত দিয়া উপায়েৰে অসমাপিকা কৰা হয় :—

১) কেৱল ক্ৰিয়াৰে

২) ক্ৰিয়াৰ আগত [Ahom script] যোগ কৰি [Ahom script] + ক্ৰিয়া

৩) ক্ৰিয়াৰ আগত [Ahom script] যোগ কৰি [Ahom script] + ক্ৰিয়া

৪) ক্ৰিয়াৰ পাচত [Ahom script] যোগ কৰি ক্ৰিয়া + [Ahom script]

৫) ক্ৰিয়াৰ পাচত [Ahom script] যোগ কৰি ক্ৰিয়া + [Ahom script]

৬) ক্ৰিয়াৰ পাচত [Ahom script] [Ahom script] যোগ দি ক্ৰিয়া + [Ahom script] [Ahom script]

৭) ক্ৰিয়াৰ পাচত [Ahom script] [Ahom script] যোগ কৰি ক্ৰিয়া + [Ahom script] [Ahom script]

৮) . দ্বিপদ ক্ৰিয়া বিলাক অসমাপিকা ক্ৰিয়া ৰূপে ধৰা হয়।

মন কৰিব লগীয়া ঃ–

ক) আহোম ভাষাত ক্ৰিয়াৰ লগত [Ahom script], [Ahom script] যোগ দিলে সি হয় Present Participle

খ) আহোম ভাষাত ক্ৰিয়াৰ লগত [Ahom script] [Ahom script], [Ahom script] [Ahom script] যোগ দিলে সি হয় Past Participle

গ) আহোম ভাষাত ক্ৰিয়াৰ লগত [Ahom script] [Ahom script], [Ahom script] [Ahom script] যোগ দিলে সি হয় Perfect Participle

এই Participle বিলাকেই সাধাৰণতে অসমাপিকা ক্ৰিয়া হয়।

উদাহৰণ ঃ অসমাপিকা –

[Ahom script] মান পাই তি ৰীন কিন খাও জাও

সি ঘৰলৈ গৈ ভাত খালেগৈ।

[Ahom script] মান কিন খাও পাই তি কাত জাও

সি ভাত খাই বজাৰলৈ গ'ল

[Ahom script] খাম দাই ড়িন কুন ফু ৰুন জাও -

বাতৰিটো শুনি মানুহজনে কান্দিলে।

[Ahom script] জন ছিক্লু তক লীং মান দাই ক -

এতোলা নিমখ খুজি সি পালে।

[Ahom script] দাই ড়িন ইউ মান কুন বান খাও আও ফা আও ৰক্ আও কুঙ লেঞঙ মা জাও -

তাৰ চিঞৰ শুনি গাঁৱৰ মানুহবিলাকে দা, যাঠি, ধনু লৈ দৌৰি আহিল।

[illegible] লুক ছি লুপ না ছুক - শুই উঠি মুখ ধুবা।

[illegible] খি চাঙ চাও ফা পকমা তি বিঙ জাও

হাতীত উঠি স্বৰ্গদেৱ দুৰ্গলৈ উভতি আহিল।

[illegible] মা পাই তি বিঙ খাও ৰাঙ কান পঙ কান

দুৰ্গলৈ আহি সিহঁতে আলোচনা কৰিলে।

[illegible] কাও খুপ পাই বঞ চাও ফ্রা ত্রা

মই আঠু কাঢ়ি ভগবানক প্ৰাৰ্থনা কৰোঁ।

মন কৰিব লগীয়াঃ

কেৱল দুটা ক্ৰিয়া থাকিলে সাধাৰণতে আগৰ ক্ৰিয়াটো 'অসমাপিকা' আৰু পাচৰটো 'সমাপিকা' হয়। কিন্তু এটা ঘাই ক্ৰিয়া আৰু আনটো দ্বিপদ ক্ৰিয়া (ক্ৰিয়া – উদ্দেশ্য, প্ৰকাৰাদি বাচক ক্ৰিয়া বিশেষণীয়) হ'লে আগৰটো *সমাপিকা* আৰু পাচৰটো *দ্বিপদ অসমাপিকা* হয়।

উদাহৰণঃ

[illegible] মান মা দু হ তু

১) সি আহি গৰুটো দেখিলে ([illegible] ঘাই ক্ৰিয়া আৰু [illegible] অসমাপিকা ক্ৰিয়া)।

২) সি গৰুটো চাবলৈ আহিলে ([illegible] উদ্দেশ্য বোধক দ্বিপদ ক্ৰিয়া)।

[illegible] মান দু হ তু মা

সি গৰুটো দেখি আহিলে ([illegible] অসমাপিকা আৰু [illegible] ঘাই ক্ৰিয়া)।

[illegible] মান পাই কিন খাও জাও

১) সি গৈ ভাত খালে ([illegible] অসমাপিকা আৰু [illegible] ঘাই ক্ৰিয়া)।

২) সি ভাত খাবলৈ গ'ল ([illegible] ঘাই সমাপিকা আৰু [illegible] উদ্দেশ্য বাচক দ্বিপদ অসমাপিকা)।

৩) সি ভাত খাই খাই গৈ আছিল ([illegible] ঘাই সমাপিকা আৰু [illegible] প্ৰকাৰ বাচক দ্বিপদ অসমাপিকা)।

ক) বহু সময়ত এটা বাক্যৰ অসমাপিকা থকা অংশটোৱে এটা বাক্যাংশ হয়। সমাপিকা

আৰু অসমাপিকা ক্ৰিয়া দুয়োটাৰে যদি কৰ্ত্তা একেটাই হয় তেন্তে অসমাপিকা অৰ্থ কৰা অংশটোৰ ক্ৰিয়াটো সমাপিকা কৰা হয় আৰু সেই অংশ আগত দি [illegible], [illegible] আদি অব্যয়ৰে সৈতে যোগ কৰি সমাপিকা খণ্ডটো পাচত দিয়া হয়। কৰ্ত্তাটো এবাৰহে উল্লেখ হয়।

উদাহৰণঃ

[illegible] লুক এঙেণ্ড ফু হান গু তু লে ইউ জাও ছোৱালীজনীয়ে সাপটো দেখিলে আৰু চিঞৰিলে/সাপটো দেখি চিঞৰিলে।

[illegible] ইউ মান প' মান ভিন চাম পাই তি নান-তাইৰ চিঞৰ বাপেকে শুনিলে আৰু তালৈ গ'ল/শুনি তালৈ গ'ল।

[illegible] পাই তি নাজিৰা কাও তি চম মাউ - নাজিৰালৈ গৈ মই তোমাক লগ পাম।

[illegible] কাও তা পাই কা নাজিৰা লে চম মাউ - মই নাজিৰালৈ যাম আৰু তোমাক লগ পাম/গৈ তোমাক লগ পাম।

[illegible] আও লিক পাই তি হ্ ছ্ন লিক - কিতাপ লৈ স্কুললৈ যোৱা।

[illegible] আও লিক চাম পাই তি হ্ ছ্ন লিক-কিতাপ লোৱা আৰু স্কুললৈ যোৱা।

খ) এটা কৰ্ত্তাই সম্পন্ন কৰা এটা ক্ৰিয়া সিদ্ধ হোৱাৰ পাচত বা ফলত অন্য এটা কৰ্ত্তাই সম্পন্ন কৰা ক্ৰিয়া সম্পন্ন হ'লে, ফল বাচক ক্ৰিয়াটো সমাপিকা কৰি আনটো ক্ৰিয়াত [illegible] বা [illegible] যোগ কৰি 'পূৰাঘটিত অসমাপিকা' কৰি দিয়া হয় আৰু এই খণ্ডটো বাক্যৰ আগ অংশ কৰি [illegible] বা [illegible] অব্যয়ৰে সমাপিকা ক্ৰিয়া হয় আৰু এই খণ্ডটো যোগ কৰা হয়।

মন কৰিব লগীয়া যে এনে অসমাপিকা ক্ৰিয়া যাই ক্ৰিয়াৰ আগতে সম্পন্ন হয় বাবে 'পূৰাঘটিত অসমাপিকা' হয় আৰু পূৰাঘটিত হোৱাৰ বাবে Perfect Participle -[illegible], [illegible] যোগ হয়।

উদাহৰণ ঃ-

[illegible] বান তুক ছি কয় লে মান জাও -
[illegible] চুমান চাও ৰাই ছি কয় পয় লুক
মান পিন চাও - এইজনা ৰজা চুকালত পুতেক ৰজা হ'ল।

[illegible]
কুন ৰাও খাত দাই কয় চাম ছঙ ফূ কিন মৌঙ ৰাঙ কান প্লঙ কান — আমাৰ সৈন্য হাৰিলত
দুই ৰাজখোৱাই আলোচনা কৰিলে।

[illegible] খম চাও ফা দাই ডিন লে
পয় জূ তি তুন ৰুন দাম - খবৰটো শুনি (শুনিলত) স্বৰ্গদেৱ গৈ কলিয়াবৰত থাকিলগৈ।

গ) **অসমাপিকা দ্বিপদ ক্ৰিয়া ঃ** যদিহে এটা শব্দ বাক্যত ব্যৱহাৰ হওঁতে একে সময়তে দুটা পদৰ কাম কৰে তেন্তে তেনে পদক 'দ্বিপদ' বোলে। এটা ক্ৰিয়া পদেও একে সময়তে আংশিক ভাৱে ক্ৰিয়া আৰু আংশিক ভাৱে বিশেষ্য বা বিশেষণ বা ক্ৰিয়া বিশেষণ ৰূপে কাম কৰে তেন্তে সেই ক্ৰিয়াক 'দ্বিপদ ক্ৰিয়া' বোলা হয়। উদাহৰণ ঃ-

১) **উদ্দেশ্য বাচক অসমাপিকা দ্বিপদ ক্ৰিয়া ঃ-**

বাক্যৰ সমাপিকা ক্ৰিয়াৰ সম্পাদনাৰ উদ্দেশ্য বা কাৰণ, ইত্যাদিবিলাক দ্বিপদ ক্ৰিয়াই নিৰ্দ্দেশ কৰে (অৰ্থাৎ কিয় বা কি কাৰণে তাক কৈ দিয়ে); এনে ক্ৰিয়াই কেতিয়াবা আগত [illegible] যুক্ত হৈ কেতিয়াবা অকলেই এই কাম কৰে, এনে ক্ৰিয়া সমাপিকাৰ পাচত বহে; দুয়োটা ক্ৰিয়া আঁতৰা আঁতৰি হৈ বহিলে আগত [illegible] যোগ হ'ব পাৰে।

উদাহৰণ ঃ-

[illegible] কাও নাঙ কিন খাও উ — মই ভাত খাবলৈ বহিছোঁ।
[illegible] তি কিন মাক খাম মান জন ক্লু —
আমলখি খাবলৈ সি নিমখ খুজিলে।
[illegible] খাও পাই তি হ ছুন তি ছুন লিক —
সিহঁতে পঢ়িবলৈ স্কুললৈ যায়।
[illegible] তি চাও ছেঙ লুঙ চাও ফা পুক ত

ফাঙ — স্বৰ্গদেৱে বৰপাত্ৰ গোহাঁইক মুছলমানৰে যুঁজিবলৈ পঠালে।

[illegible] খুন ৰাও হাউ মাউ মা পৃ হাউ ঙীন ছিপ ৰিঙ — আমাৰ ৰজাই দহ হাজাৰ টকা দিবৰ কাৰণে তোমাক মতাইছে।

[illegible] কাও পাই বা খম নাই তী চাও ফা — স্বৰ্গদেৱক এই কথা ক'বলৈ মই আহিছোঁ।

২) **প্ৰকাৰ, পদ্ধতি বাচক অসমাপিকা দ্বিপদ ক্ৰিয়া ঃ-**

বাক্যৰ সমাপিকা ক্ৰিয়াৰ সম্পাদনাৰ প্ৰকাৰ, পদ্ধতি এনেবিলাক দ্বিপদ ক্ৰিয়াই নিৰ্দ্দেশ কৰে অৰ্থাৎ কি প্ৰকাৰে, কেনেকৈ তাক কৈ দিয়ে। কেৱল ক্ৰিয়াটোৰেহে এনে অসমা পিকা হয় আৰু সাধাৰণতে বাক্যৰ আৰম্ভণিতে ব্যৱহাৰ হয়।

উদাহৰণ ঃ

[illegible] চুক মাউ ফাৎ লিক - তুমি ঠিয় হৈ কিতাপ পঢ়িছা।

[illegible] খি মা মান পাই জাও — ঘোঁৰাত উঠি সি গৈছিল।

[illegible] তি মৃ খাও প তাই — গাহৰিটো সিহঁতে মৰিয়াই মাৰিলে।

[illegible] ছঙ কুন ফু এৱাম তাউ জৃ — মানুহ দুজনে হাঁহি হাঁহি কথা পাতিছে।

[illegible] লুক চাই ফু ৰুণ মা তি ৰীন — ল'ৰাটোৱে কান্দি কান্দি ঘৰলৈ আহিছে।

৩) **অৱস্থা বাচক অসমাপিকা দ্বিপদ ক্ৰিয়াঃ**

বাক্যৰ সমাপিকা ক্ৰিয়াটো কেতিয়া কি অৱস্থাত সম্পাদন হয় সেইবিলাকৰ উত্তৰ দ্বিপদ ক্ৰিয়াই দিয়ে।

উদাহৰণ ঃ-

[illegible] কাও হান মনু ফাত লিক - মই মনুক কিতাপ পঢ়ি থকা দেখিছিলো।

[illegible] মাউ হুপ মান পাই তি কাত - সি বজাৰলৈ যাওঁতে তুমি তাক লগ পাইছিলা।

[illegible] মান ঙিন লুক গ্ৰিঙ এ - সি ছোৱালী জনীৰ গানটো শুনিছে।

এনেবিলাক বাক্য সমাপিকা ক্রিয়াৰে দুটা খণ্ড কৰি অব্যয় পদৰে লগ লগাই কৰি লিখিব পাৰি। তেনেদৰে লিখিলে ক্রিয়াটো কিন্তু দ্বিপদ ক্রিয়া নহয়। যেনে—

মনু ফাত লিক উ চাম কাও হান জাও -
মনুৱে কিতাপ পঢ়ি আছিল আৰু মই দেখিছিলোঁ/
মনুৱে কিতাপ পঢ়ি থাকোঁতে মই দেখিছিলোঁ।

মান পাই তি কাত জাও পয় মাউ হুপ -
সি বজাৰলৈ গৈছিল তেতিয়া তাক লগ পাইছিলা।

কাও নাঙ তি নান পয় মান পাই জাও -
মই তাত বহি আছিলোঁ সি গৈছিল/
মই তাত বহি থাকোঁতে সি গৈছিল।

* * *

একবিংশ পাঠ
সহায়কাৰী ক্রিয়া

ক্রিয়া সম্পৰ্কীয় কিছুমান অৰ্থ বা ভাব প্ৰকাশ কৰিবলৈ মূল ক্রিয়াক সহায় কৰিবৰ কাৰণে বিভিন্ন অৰ্থত কিছুমান বিভিন্ন ক্রিয়া যোগ কৰা হয়, সেই মূল ক্রিয়াৰ লগত যোগ হোৱা ক্রিয়াবিলাকেই 'সহায়কাৰী ক্রিয়া'। তেনে কিছুমান সহায়কাৰী ক্রিয়াৰ ব্যৱহাৰ আলোচনা কৰা হৈছে।

ক) সামৰ্থ অৰ্থত :-

ইংৰাজী ভাষাত Can, অসমীয়াত 'পৰা'ৰ দৰে সামৰ্থ থকা বুজাবলৈ আহোম ভাষাত ক্রিয়াৰ পাচত যোগ কৰা হয়।

উদাহৰণঃ-

নঙ এেঙ মনু কা দাই -
মনুৰ ভনীয়েকে নাচিব পাৰে।

[illegible]

নুক কা ফুঞ দাই তূ বা নুক পেত বাও দাই –
কাউৰীয়ে উৰিব পাৰে কিন্তু হাঁহে নোৱাৰে।

[illegible] নাও কুন নুক ছিও ফক দাই –
মানুহৰ দৰে মইনা চৰাইয়ে কথা ক'ব পাৰে।

[illegible]

কুন ৰাও পুক দয় বৌ দাই লে খাও তাঙ মা জাও
আমাৰ মানুহে পৰ্ব্বত বগাব নোৱাৰিলে/গুচি আহিল।

[illegible] মান চাও ফাত দাই পেঞ কা কা –
তেখেতে পেঞ কা কা পঢ়িব পাৰে।

খ) **বিশেষ্য বোধক দ্বিপদ ক্ৰিয়া কৰিবলৈ [illegible] ঃ**

একোটা ক্ৰিয়াই কেতিয়াবা একে সময়তে ক্ৰিয়া ৰূপে কাম কৰা বা হোৱা বুজায় আৰু বিশেষ্য ৰূপে ক্ৰিয়াৰ কৰ্ত্তা কৰ্ম আদিৰ কাম কৰে। এনে দ্বিপদ ক্ৰিয়া (ইংৰাজীত Gerund বা Infinitive) কৰিবলৈ ক্ৰিয়াৰ আগত [illegible] যোগ দিয়া হয়।

উদাহৰণ ঃ-

[illegible]

দাই আপ নাম কূ মী কূ বান উ দী – নিতৌ গা ধোৱাটো ভাল।

[illegible] কাও ৰূ দাই ফাত লিক – মই কিতাপ পঢ়িব জানো।

[illegible]

দাই ফুক ল'ই খুঞ মাও জাও – সাতুৰিবলৈ শিকাটোৱে তোমাক ৰক্ষা কৰিলে।

[illegible]

প মান বাও হান দাই কিন নাম লাও – দেউতাই মদখোৱা দেখিব নোৱাৰে।

[illegible] দাই লাক চাম দাই ঙা ৰাই – চুৰ কৰাটো পপা কৰা।

গ) **সম্ভাৱনা অৰ্থত [illegible] ঃ**

ইংৰাজীত May, Might অসমীয়াত 'পৰা' হোৱাৰ দৰে সম্ভাৱনা থকা অৰ্থত আহোম ভাষাৰ ক্ৰিয়াৰ আগত [illegible] যোগ দিয়া হয়।

উদাহৰণঃ

[illegible]

মৌ ফুক কাও পিন পাই তি চে হুঙ — কালিলৈ মই গড়গাঁৱলৈ যাব পাৰোঁ।

[illegible]

মা নাই পিন ৰা তি খেন — আজি ৰাতিলৈ বৰষুণ হব পাৰে।

[illegible]

পী পাই তা তি থেন ছু/ছী পিন অক — হাবিলৈ নাযাবা বাঘ ওলাব পাৰে।

[illegible]

প্লা নাও পী কিন তা মাও পিন থুম লুম খাই — গেলা মাছ নেখাবা বেমাৰ হ'ব পাৰে।

[illegible]

চাঙ পাই চম মা তু পিন কাপ মান — ওচৰলৈ গ'লে কুকুৰটোৱে তাক কামুৰিব পাৰে।

[illegible]

চপ তা দী হৰাই তু পিন জু তি নাই — হেৰোৱা গৰুটো ইয়াত থাকিব পাৰে ভালকৈ বিচাৰা।

ঘ) **সম্ভাৱনাৰ ধাৰণাত [illegible] :-**

ক্রিয়া সম্পাদন হোৱা সম্ভাৱনা ধাৰণা কৰা অৰ্থ প্ৰকাশ কৰিবলৈ ইংৰাজী May have ৰ দৰে আহোম ভাষাত ক্রিয়াৰ আগত [illegible] যোগ দিয়া হয়। (দায়িত্বমূলক বাধ্যতা বুজাবলৈ যোগ দিয়া হয় [illegible])।

উদাহৰণঃ-

[illegible]

তান তি মান কাও তি দাই হান — মই তাক ক'ৰবাত দেখিছো হবলা।

[illegible]

মাও তি দাই ফাত লিক নাই — তুমি এইখন কিতাপ পঢ়িছা কিজানি।

[illegible]

তাঙ ছু কা ফা কুন মী ক তী দাই মা জাও — ছীকাফাৰ লগত তিৰোতাও আহিছিল সম্ভৱ।

[illegible]

কুন ৰা ফু তী দাই ৰাই ছি কয় — বেমাৰী মানুহটো মৰিল যেন লাগিছে।

[illegible]

খাম ইউ কাও তি দাই ঙিন কয় — মই শুনিছো শুনিছো লাগিছে।

ঙ) উচিত প্ৰয়োজন অৰ্থত [illegible], [illegible] ঃ

ইংৰাজীত উচিত বুজাবলৈ Should, ought to আৰু প্ৰয়োজন বুজাবলৈ need to ব্যৱহাৰ কৰাৰ দৰে এই বিলাক অৰ্থ প্ৰকাশ কৰিবলৈ আহোম ভাষাত [illegible] বা [illegible] ক্ৰিয়াৰ আগত যোগ দিয়া হয়।

(অৱস্থামূলক বাধ্যতা বুজাবলৈও ক্ৰিয়াৰ আগত [illegible] যোগ হয়।)

উদাহৰণ ঃ

[illegible]

আন নাই মাও থুক ফাত লিক — এতিয়া তুমি কিতাপ পঢ়া উচিত।

[illegible]

তি কুন থাও লা নক উ — বুঢ়া মানুহক সন্মান কৰিব লাগে।

[illegible]

দাই কিন নাম লাও বাও থুক উ — লাও পানী খোৱা উচিত নহয়।

[illegible]

খঙ কিন তাঙ উ থুক চা দী — খোৱা বস্তুবোৰ ভালকৈ ঢাকি থব লাগে।

[illegible]

ৰাও থুক ফ্ৰাই তী আ — আমি মুকলি ঠাইত ফুৰা উচিত।

[illegible] মাও কিন নাম নিঙ বাও থুক কয় — তুমি চাহ খাব নেলাগিছিল /চাহ খোৱা উচিত নহয়।

চ) নিশ্চয় অৰ্থত [illegible] ঃ

জোৰ দিয়া বা নিশ্চয় অৰ্থ প্ৰকাশ কৰিবলৈ ইংৰাজীত Must, Certainly ব্যৱহাৰ হোৱাৰ দৰে আহোমত ক্ৰিয়াৰ আগত [illegible] যোগ দিয়া হয়।

উদাহৰণঃ-

[illegible] ক

কাও ক নিঙ তে পাই তি কাত — মইও বজাৰলৈ যামেই।

[illegible]

মৌ ব্ধ খাও তাঙ লাই নিঙ তে তি মা — কালিলৈ নিশ্চয় সিহঁত আহিব।

[illegible]

কুন ৰা নিঙ তে কিন এগা —বেমাৰী মানুহে দৰব খাবই লাগিব।

[illegible] কুন না কিন তাঙ নিঙ তে ফিএগ তি না কিপ — খেতিয়ক সকলে পথাৰত হাল বাবই লাগে।

ছ) আহবান কৰাৰ বাবে [illegible] পাঁচনি ক্রিয়াত [illegible] ইচ্ছা, পৰামর্শ, প্রস্তাব কৰা, কামনা আর্শীবাদ আদি বুজাবলৈ [illegible] যোগ কৰা হয়।

(বিভিন্ন প্রকাৰৰ বাক্য পাঠ দ্রষ্টব্য)

জ) **অভ্যাস অর্থত [illegible] ঃ**

ক্রিয়াৰ কাম অভ্যাসগত ভাৱে সচৰাচৰ কৰা বুজাবলৈ ইংৰাজীত used to ব্যবহাৰ কৰাৰ দৰে আহোম ভাষাত ক্রিয়াৰ আগত [illegible] যোগ দিয়া হয়।

(এই বিলাক সাধাৰণতে অতীত কালত হয়)

উদাহৰণঃ

[illegible]

সেই কালত আহোম মানুহে দেৱ দেৱতাৰ পূজা কৰিছিল।

[illegible]

দেৱতাৰ পূজাত মদ পানী দিছিল।

[illegible]

তিৰোতা সকলে মুগা কাপোৰ পিন্ধিছিল।

[illegible]

অতীতত মানুহ বিলাকে মিছা কথা নকৈছিল, সঁচা কথা কৈছিল।

দ্বাবিংশ পাঠ

দ্বিপদ ক্রিয়া, ক্রিয়া বিশেষ্য, ক্রিয়া বিশেষণ

বিংশ পাঠত অসমাপিকা ক্রিয়াৰ আলোচনা কৰোতে দ্বিপদ ক্রিয়া অসমাপিকা দ্বিপদ ক্রিয়া ৰূপে ব্যৱহাৰ হোৱা দেখুৱা হৈছে। দ্বিপদ ক্রিয়া কেতিয়াবা ক্রিয়া আৰু বিশেষ্য বা ক্রিয়া আৰু বিশেষণ ৰূপে ব্যৱহাৰ হয়।

ক) ক্রিয়া বিশেষ্য ঃ

একোটা ক্রিয়া শব্দই কেতিয়াবা একে সময়তে ক্রিয়াৰ কাম (কৰা বা হোৱা বুজোৱা) আৰু কৰ্ত্তা কৰ্ম আদি স্বৰূপে বিশেষ্যৰ কাম কৰে। এনে দ্বিপদ ক্রিয়া কেতিয়াবা কেৱল ক্রিয়াটোৰেই হয় আৰু কেতিয়াবা আগত [illegible] বা [illegible] বা পাচত [illegible] যোগ দিয়া হয়।

উদাহৰণ ঃ

[illegible] নিতৌ গা ধুবা ভাল।

[illegible] মই কিতাপ পঢ়িব জানো।

[illegible] দেউতাই মদ খোৱাটো দেখিব নোবাৰে।

খ) ক্রিয়া বিশেষণ ঃ

একোটা ক্রিয়া শব্দ বিশেষ্যৰ পাচত বহি একে সময়তে ক্রিয়া ৰূপে কাম কৰাৰ ওপৰিও বিশেষ্যটোৰ বিশেষণ ৰূপেও কাম কৰে। এনে ক্রিয়া, ক্রিয়া আৰু বিশেষণ ৰূপে দ্বিপদ।

উদাহৰণ ঃ

[illegible] — মোক এবাতি খোৱা পানী দিয়া।

[illegible] — মোৰ বাইদেৱে গেলা মাছবোৰ দলিয়াই দিলে।

[illegible] —

বজাৰলৈ গৈ সি খোৱা বস্তুবোৰ আনিলে।

[illegible] — তুমি কোৱা কথা মই বিশ্বাস কৰিছিলো।

চতুৰ্বিংশ পাঠ
পাঁচনি ক্ৰিয়া

ক) ক্ৰিয়াৰ কাম কৰ্ত্তাই নিজে সম্পাদন নকৰি আনৰ হতুৱাই কৰালে সি হয় পাঁচনি ক্ৰিয়া বা অনুজ্ঞা।

পাঁচনি ক্ৰিয়া কৰিবলৈ ক্ৰিয়াৰ আগত [illegible] শব্দটো দিয়া হয়। যদিহে কৰ্ম, যাৰ হতুৱাই কামটো কৰোৱা হয় সি থাকে তেন্তে সিহঁতৰ আগত ‘হাউ’ দিয়া হয়।

উদাহৰণ ঃ

[illegible]

তুমি গামোচা বোৱালা।

[illegible]

তুমি মীনাৰ হতুৱাই গামোচা বোৱালা।

[illegible]

স্বৰ্গদেৱে বৰ ফুকনৰ হতুৱাই শৰাইঘাটত গড় মৰালে।

[illegible]

ছীপাত ফাই লংকাকত সোনাদৈ পুখুৰী খনাইছিল।

[illegible]

তাৰ পিচত নগা বিলাকক আনি লংকাকৰ যমুনা মুখত বধ কৰালে।

খ) কৰ্ত্তাই ক্ৰিয়াৰ কাম কাৰোবাক পাচি অন্য কাৰোবাৰ হতুৱাই সম্পাদন কৰালে ওপৰত কোৱাৰ দৰে ক্ৰিয়া বা কৰ্ম বা যাৰ হতুৱাই সম্পন্ন কৰোৱা হয় তাৰ আগত [illegible] আৰু যাক পচা হয় তাৰ আগতে [illegible] যোগ দিয়া হয়।

উদাহৰণঃ

[illegible]

তুমি মীনাক গামোচা বোৱালা (বোৱালা নহয়)।

[illegible]

মই তাক কিতাপখন অনোৱালো।

স্বৰ্গদেৱে বৰবৰুৱাক পাচি ঘৰবোৰ মেৰামতি কৰালে।

গ) যদি বাক্যত সমাপিকা আৰু অসমাপিকা দুয়োটা পাচনি ক্ৰিয়া হয় তেন্তে দুয়োটা ক্ৰিয়াৰ আগতে দুবাৰ বা মুঠতে এবাৰ দিয়া হয়। কিন্তু যৌগিক বাক্য হ'লে প্ৰতিটো সমাপিকাৰ আগতে দিব লাগে।

উদাহৰণঃ

মই তাক কিতাপখন অনাই পঢ়ালো।

মই তাৰ হতুৱায় কিতাপখন অনালো আৰু তোমাৰ হতুৱায় পঢ়ালো।

সিহঁতে মৃতকৰ ঘৰ সজোৱাই মৃতক দেৱতাৰ পূজা কৰালে।

মন কৰিব লগীয়া ঃ

ইচ্ছা, অনুমতি বাক্য, কামনা, আৰ্শীবাদ বোধক বাক্য আৰু পাঁচনি ক্ৰিয়া এই তিনিও বিধ বাক্যতে ৰ প্ৰয়োগ হয়। গতিকে এই ৰ প্ৰয়োগৰ পাৰ্থক্য কিছু আছে। সেই খিনি মন কৰিব লগীয়া কথা কেইটা হ'ল —

১) ইচ্ছা, অনুমতি, কামনা, আৰ্শীবাদ বাচক হ'লে ৰ পাচত কৰ্ত্তা বহে কিন্তু পাঁচনি ক্ৰিয়া হ'লে ৰ পাচত কৰ্মহে বহে।

২) ইচ্ছা, অনুমতি বাচকত ক্ৰিয়াৰ পাচত , বহে কিন্তু আৰ্শীবাদ বাচক হ'লে , , বহে। পাঁচনি ক্ৰিয়া হ'লে এনে একো নাথাকে।

উদাহৰণঃ

বুঢ়াগোহাঁই শৰাই ঘাটলৈ যাওক।

বুঢ়াগোহাঁইক স্বৰ্গদেৱে শৰাইঘাটলৈ পঠালে।

স্বৰ্গদেৱে যেন বুঢ়াগোহাঁইক ক্ষমা কৰে।

পঞ্চবিংশ পাঠ

সৰ্ত্ত পৰিণাম বাচক বাক্য

বাক্যত থকা এটা ক্ৰিয়া সম্পন্ন হোৱা নোহোৱাৰ পৰিণাম স্বৰূপে অন্য এটা ক্ৰিয়া সম্পন্ন হোৱা নোহোৱাটো হয় তেন্তে "পৰিণাম" বুজোৱাটো এটা খণ্ড আৰু যি ক্ৰিয়াৰ সম্পন্ন হোৱা নোহোৱাৰ সৰ্ত্তত পৰিণামটো সেই ক্ৰিয়াৰে এটা খণ্ড হয় ই সৰ্ত্ত খণ্ড।

এই সৰ্ত্ত আৰু পৰিণাম দুয়োটা খণ্ড প্ৰকাশ বেলেগ বেলেগ ধৰণে হয়। সৰ্ত্ত খণ্ডত যদি থাকে।

ক) এই সৰ্ত্ত পৰিণাম বাচক বাক্য যদি পোনপতীয়া ভাৱৰ হয় তেন্তে ক্ৰিয়া কৰ্ত্তা কৰ্ম আদি সাধাৰণ বাক্যৰ দৰে বহে, কিন্তু সৰ্ত্ত খণ্ডৰ আৰম্ভণিত [illegible], [illegible] দিব লাগে।

উদাহৰণঃ

[illegible]

যদি তুমি আহা মইও যাম।

[illegible]

যদিহে তুমি ভাল নোপোৱা পকা কল নেখাবা।

[illegible]

তোমাৰ যদি ঘৰ নাই মোৰ ঘৰতে থাকা।

[illegible]

ভাত নেথাকিলে তুমি কি খাবা।

[illegible]

নপঢ়িলে সি কেনেকৈ জানিব পাৰিব।

খ) সৰ্ত্ত পৰিণাম দুয়োটা খণ্ড যদি "যদি হেতেঁন" যুক্ত হয় আৰু হাঁ বাচক ক'লে না বাচক ভাৱ, না বাচক ক'লে হাঁ বাচক অৰ্থ হয় তেন্তে সৰ্ত্ত খণ্ডত [illegible], [illegible] বা [illegible] দিয়া হয় আৰু পৰিণাম খণ্ডত ক্ৰিয়াৰ লগত [illegible] দিয়া হয় পৰিণাম খণ্ডত ক্ৰিয়া সাম্ভাব্য ভুত কালতো দিব পাৰি।

উদাহৰণঃ

[illegible]

যদি সি আহিলেহেঁতেন ময়ো গলোহেঁতেন।

[illegible]

তোমাক যদি দেখিলেহেঁতেন সি তোমাক মাতিলেহেঁতেন।

[illegible]

মনুৱে যদি কিতাপটো নেপালেহেঁতেন মোক খুজিলেহেঁতেন।

[illegible]

যদি সি নগ'লহেঁতেন ভায়েক গ'লহেঁতেন।

[illegible]

ভাত খাব পৰা হ'লে মানুহটো নমৰিলহেঁতেন।

✱✱✱

ষষ্ঠ বিংশ পাঠ

পৰিচয়বোধক শব্দ বা বাক্যাংশ

কোনো বিশেষ্য পদ অন্য এটা বিশেষ্য পদৰ পাচত বহি দুয়োটা বিশেষ্যই যদি একেটা বস্তুকে বুজায় আৰু পাচৰটোৱে আগৰটো পৰিচয়হে দিয়ে তেন্তে পাচৰ বিশেষ্যটোক ইংৰাজীত Case in Apposition বোলে। আহোম ভাষাটো তেনে ব্যৱহাৰ আছে। তেনে শব্দ বা শব্দ সমষ্টিয়েই — পৰিচয় বোধক শব্দ বা বাক্যাংশ।

উদাহৰণঃ

[illegible]

পুতেক ছ্যু বিনফা ৰজা হ'ল।

[illegible]

চাও ছ্যুতেউফাৰ পুতেক ছ্যু বিনফা ৰজা হ'ল।

[illegible]

কোঁচ ৰজা নৰনাৰায়নলৈ স্বৰ্গদেৱে দুটা হাজী দিলে।

[illegible] — বৰপাত্ৰগোহাঁই লাকু ভায়েক নাওশলীয়া ফুকনক তেওঁলোকৰ ভাই পোৰে সৈতে মৰালে।

[illegible] — বৰপাত্ৰ গোহাঁই লাকুৰ জীয়েকে ছী ছিঙৰ পুতেক লাপেতৰ মাকক সুধিলে।

[illegible] — তেতিয়া জপৰজল চেতিয়াৰ নাতি মৰঙিখোৱা গোহাঁইক সেনাপতি পাতিলে।

[illegible] — মুছলমানৰ সেনাপতি ৰামসিংহ লোহিতেদি ভতিয়াই গ'ল।

[illegible] — খুত ঙি বাৰৰ দিনা নাঙ ৰাকৰ নাতিয়েক বৰগোহাঁই জীয়েক ৰাজমাও ঢুকাল।

মন কৰিব লগীয়া ঃ

দুটা বিশেষ্য একেলগে থাকি দুয়োটাই যদি একেটা বস্তুকে বুজায় আৰু পাচৰটো আগৰটোৰ পৰিচয়হে হয় তেন্তে পাচৰটো "পৰিচয় বোধক" শব্দ বা বাক্যাংশ হয়। কিন্তু যদি দুয়োটা বিশেষ্যই বেলেগ বেলেগ বস্তুক বুজায় আৰু পাচৰটোৱে "কাৰ" "ক'ৰ" তাকহে বুজায় তেন্তে পাচৰটো হয় "সম্বন্ধ পদ" আৰু যদি পাচৰটোৱে আগৰটো বিশেষ্য কেনেকুৱা তাকহে কয় তেন্তে সি হয় "বিশেষণ"।

***

সপ্তবিংশ পাঠ

বাচ্য

আহোম ভাষাৰ পুথিত পোৱা মতে কৰ্ত্তৃবাচ্য কৰ্মবাচ্য দুয়ো বাচ্যতে ক্ৰিয়াৰ ৰূপ একেটাই, পাৰ্থক্য নাই। গতিকে আহোম ভাষাত বাচ্যৰ বিচাৰৰ প্ৰয়োজন নথকাৰ দৰেই। মুঠতে ক্ৰিয়াই যাৰ বিষয়ে কথা কয় সি যদি ক্ৰিয়াৰ সম্পাদন কাৰী (কৰোতা) হয় তেন্তে তাক কৰ্ত্তা ৰূপে ধৰি ১মা বিভক্তি যুক্ত কৰি বা কেৱল কৰ্ত্তা শব্দটো দিয়া হয় তেন্তে সেই ক্ৰিয়াৰ বাচ্যক কৰ্ত্তৃবাচ্য বুলি ধৰা হব পাৰে। আৰু যাৰ বিষয়ে ক্ৰিয়াই কথা কয় সি যদি আচলতে কৰ্মহে হয় আৰু ২য়া বিভক্তি যুক্ত কৰি ক্ৰিয়াৰ আগত বা কৰ্ত্তাৰো আগত দিয়া হয় তেন্তে ক্ৰিয়াৰ বাচ্যক কৰ্ম বাচ্য বুলি ধৰিব পৰা হয়।

আহোম বুৰঞ্জীত ২য়া বিভক্তি [Ahom script] ৰ ব্যৱহাৰহে দেখা যায়। [Ahom script] বিভক্তিৰ ব্যৱহাৰ প্ৰায় নায়েই। কৰ্মটো প্ৰাণী বা বস্তুবাচক হ'লে বিভক্তি নোহোৱাকৈয়ে আগত দিয়া হয়।

বাচ্যৰ প্ৰয়োগ ঃ

কৰ্ত্তৃ - [Ahom script] মই গৰুটো দেখিছিলো (কৰ্ত্তৃবাচ্য)

কৰ্ম - [Ahom script] গৰুটো মই দেখিছিলো (কৰ্মবাচ্য)

কৰ্ত্তৃ - [Ahom script] তুমি সেই কিতাপটো পঢ়িবা।

কৰ্ম - [Ahom script] সেই কিতাপখন তুমি পঢ়িবা।

কৰ্ত্তৃ - [Ahom script] ফ্ৰাছেঙে গাহৰিটো মৰিয়াই মাৰিলে।

কৰ্ম - [Ahom script] গাহৰিটো ফ্ৰাছেঙে মৰিয়াই মাৰিলে।

কৰ্ত্তৃ - [Ahom script] সি ভাত খালেনে?

কৰ্ম - [Ahom script] তাৰ দ্বাৰা ভাত খোৱা হ'লনে?

* * *

অষ্টবিংশ পাঠ

প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি

কোনো ব্যক্তিয়ে কোৱা একোটা কথা এজনলোকে অন্য এজনৰ আগত বৰ্ণনা কৰোতে যি কথা কয় সিয়ে উক্তি। যিটো বাক্যৰে বৰ্ণনাকাৰীয়ে বক্তাৰ কথাযাৰৰ বৰ্ণনা দিয়ে সেই বাক্যক বোলে "বিবৰণী বাক্য"। সেই বাক্যটোৰ প্ৰধান ক্ৰিয়াটো হয় "বিবৰণী ক্ৰিয়া"।

বক্তাৰ মুখৰ যি কথাৰ বৰ্ণনা দিয়া হয় সি হয় বিবৃত বাক্য আৰু তাৰ ক্ৰিয়াটো বিবৃত ক্ৰিয়া। বিবৃত বাক্যটো বিবৰণী বাক্যৰ এটা অংশ ৰূপে বিবৰণী বাক্যত সোমাই থাকে। ই হয় বিবৰণী ক্ৰিয়াৰ মুখ্য কৰ্ম। বক্তাই বিবৃত বাক্যটো যাক কয় সি হয় গৌণ কৰ্ম।

এই বিবৰণী দিওঁতে বৰ্ণনাকাৰীয়ে বক্তাই কোৱাৰ কথাযাৰৰ পোনে পোনে উদ্ধৃত কৰিও দিব পাৰে বা তাৰ সাৰমৰ্ম্ম খিনিও কব পাৰে। পোনে পোনে উদ্ধৃত কৰি দিলে সি হয় প্ৰত্যক্ষ উক্তি আৰু সাৰৰ্মমখিনি ক'লে সি হয় পৰোক্ষ উক্তি।

বিবৃত বাক্যটো বক্তাজন বক্তা বিবৰণী বাক্যটো কওঁতাজন বৰ্ণনাকাৰী বিৱৰণী বাক্যটো বৰ্ণনা কাৰীয়ে যাক কয় সি শ্ৰোতা, বিবৃত বাক্যটো বক্তাই যাক কয় সি হয় বিৱৰণী ক্ৰিয়াৰ গৌণ কৰ্ম।

আহোম ভাষাত উক্তি ঃ

আহোম ভাষাত আদি পুথিত পোৱা মতে আহোম ভাষাত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োটা উক্তিতে বিবৃত বাক্যৰ কোনো পাৰ্থক্য নাই। প্ৰত্যক্ষ উক্তিৰ পৰা পৰোক্ষলৈ সলনি কৰিলেও বিবৃত বাক্যৰ সৰ্বনাম, ক্ৰিয়া বিশেষণ, ক্ৰিয়াৰ কাল আদি একেই থকা দেখা যায়। ইংৰাজী, অসমীয়া হোৱাৰ দৰে আহোমত সলনি নহয়।

মন কৰিব লগীয়া ঃ

১) পুৰণি পুথিত বিবৃত বাক্যটো উদ্ধৃতি চিনৰ ভিতৰত দিয়া নহয়।

২) দুয়োটা উক্তিতে বিৱৰণী ক্ৰিয়াটো [illegible] বা [illegible] দিয়া হয়।

৩) বিৱৰণী ক্ৰিয়াৰ পাচতে গৌণ কৰ্ম (বক্তাই যাক বিবৃত বাক্যটো কয়) থাকে। গৌণ কৰ্মৰ আগত কেতিয়াবা ২য়া বিভক্তি [illegible] কেতিয়াবা [illegible] [illegible] বা [illegible] [illegible] [illegible] বা [illegible] [illegible] [illegible] দিয়া হয়।

৪) পৰোক্ষ উক্তি হ'লে গৌণ কৰ্মৰ পাচত [illegible] বা [illegible] শব্দ থাকে।

৫) বিবৃত বাক্য খণ্ডটোৰ পাচত [illegible] বা [illegible] বা [illegible] বা [illegible] শব্দকেইটা দিয়া হয়।

(তুংখুঙীয়া ৰাজত্ব খণ্ডৰ বুৰঞ্জীত এই শব্দ কেইটা নাই)

৬) দুয়োটা উক্তিতে বক্তাই কোৱা বাক্যকে উদ্ধৃত কৰা হয়। পৰোক্ষ উক্তিত বিবৃত বাক্যৰ সাৰাংশ বা সাৰমৰ্ম্ম দিয়া নহয়। ফলত সৰ্বনাম, ক্ৰিয়াৰ কাল, ক্ৰিয়া বিশেষণ আদি একেই থাকে।

৭) বিবৃত বাক্য আদেশ অনুৰোধ আদি হ'লে পৰোক্ষ উক্তিত সি সাধাৰণতে বিবৃত বাক্যৰ বিৱৰণ নহৈ ঘটনাৰ বিৱৰণহে হয়।

অন্যান্য পুথিৰপৰা কেইটামান উক্তিৰ উদাহৰণঃ

[illegible]

তেতিয়া (সি তাক) ধৰি সুধিলে "মোৰ নিমখ কিয় খালি।

[illegible]

সি ক'লে, এতোলা নিমখ এতেমা কৰিলি।

[illegible]

সেই কাৰণে ল'ৰা ছোৱালীবোৰে এতিয়াই গায় —
এটা আমলখি এতোলা নিমখ।

[illegible]

সি ধেমালিতে বাঘ আহিছে বাঘ আহিছে বুলি চিঞৰিলে।

[illegible]

সিহঁতে ক'লে, চাও ভেলাই বৰুৱাই ধপাত খাই পেলালত তাৰ পৰা জুই জ্বলি ঘৰ ভঁৰাল পুৰিলে।

[illegible]

সিহঁতে ক'লে, চাৰিং ৰজা আহি তাই ম্যুং নগৰ ল'লেহি।

ঊণত্ৰিংশ পাঠ

বাক্যৰ গঠন

আহোম ভাষাত নিৰ্দ্দিষ্ট নীতি আৰু শব্দৰ নিৰ্দ্দিষ্ট অৱস্থান অনুসৰি শব্দ গাঠনিৰ একোটা সম্পূৰ্ণ ভাৱ প্ৰকাশ হয়। অৱশ্যে কোনো ক্ষেত্ৰত ব্যতিক্ৰমো আছে। কিছুমান ক্ষেত্ৰত আকৌ প্ৰয়োজনৰ বাবেহে ব্যতিক্ৰম ঘটোৱা হয়।

আহোম ৰাজত্বৰ আগ খণ্ডৰ লিখনি আৰু পাচ খণ্ডৰ লিখনিৰ মাজত কিছু পাৰ্থক্য দেখা যায়। আগ খণ্ডৰ বাক্যৰ পদ্ধতিৰ লক্ষণ তলৰ ধৰণৰ—

১) **শব্দ বা বাক্যাংশ প্ৰয়োগত হাত ধৰা ঃ** হয়তোবা যিমান পাৰি কম শব্দৰে ভাৱ প্ৰকাশৰ বাবে বহুতো শব্দ বা বাক্যাংশ লিখা বা কোৱা নহয়। আনকি কৰ্ত্তা, কৰ্ম্ম আদি প্ৰয়োজনীয় খণ্ডত লিখা নহয়। পাঠকে বা শ্ৰোতাই উহ্য কথা শব্দকেইটা বুজি লব লাগে।

২) একোটা ভাৱ সম্পূৰ্ণকৈ প্ৰকাশ কৰিবলৈ বাক্যটোৰ প্ৰয়োজনীয় খণ্ড কেইটা ইংৰাজী অসমীয়া দৰে একেটা বাক্যতে গাঁথি সম্পূৰ্ণ বাক্য নকৰি খণ্ড খণ্ডকৈ বেলেগ বেলেগ চুটি বাক্য কৰি প্ৰকাশ কৰা হয়। ইয়াৰ ফলত খণ্ডবোৰ কেতিয়াবা স্থান চ্যুতহৈ ৰহে।

৩) কেতিয়াবা আকৌ দুটা পৃথক বাক্যত প্ৰকাশ কৰিব লগীয়া কথা বা বিষয়ো একেটা বাক্যতে সামৰি লোৱা হয় আৰু কিছুমান শব্দ উহ্য কৰি ৰাখিব লগীয়া হয়।

৪) কেতিয়াবা আগতে ক'ব লগীয়া কথা পিচলৈ আৰু পিচত কবলগীয়া কথা আগলৈ অনা হয়।

পাছৰ ফালে আহোম বুৰঞ্জীত আহোম ভাষাৰ গত কিছু পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। স্থানীয় প্ৰভাৱ বা সময়ৰ গতিত এই পৰিবৰ্তন হোৱা স্বাভাৱিক।

টাই আহোম ভাষাতো বাক্যৰ খণ্ড আৰু শব্দ ব্যৱহাৰৰ উদ্দেশ্য লক্ষণাদি আছে। তাৰোপৰি সেই খণ্ড আদিৰ নিৰ্দ্দিষ্ট নীতিও আছে। সেই নীতি মতে খণ্ড বিলাক আৰু শব্দ বিলাক গাঁথিহে একোটা বাক্য ৰচনা কৰা হয়।

সকলো ভাষাৰ দৰে টাই আহোম ভাষাতো বাক্যৰ মূল গঠনটো হ'ল কৰ্ত্তা আৰু ক্ৰিয়া। এই মূল গঠনৰ লগত অন্য খণ্ড কেইটা কৰ্ম্ম, পুৰক, ক্ৰিয়া বিশেষণ যোগহৈ

সম্প্ৰসাৰিত বাক্য গঠন হয়। মূল খণ্ড কেইটাও আকৌ গঠন হোৱাত অন্য শব্দ বা চিন কিছুমান আছে। তাৰোপৰি দুই বা অধিক শব্দ বা বাক্যাংশক লগলগোৱা সংযোজক শব্দও থাকিব পাৰে। এই খণ্ড আৰু শব্দ বিলাকৰ নিৰ্দ্দিষ্ট স্থান আৰু বিশিষ্ট উদ্দেশ্য আছে।

কৰ্ত্তা - ক্ৰিয়া ঃ সাধাৰণ বাক্যত কৰ্ত্তা আগত আৰু ক্ৰিয়া পাচত বহে। কিন্তু বিশেষ কাৰণত বা বিশেষ গঠনত কেতিয়াবা ক্ৰিয়া কৰ্ত্তাৰ আগতো বহিব পাৰে।

কৰ্ত্তা ক্ৰিয়া - পুৰক ঃ বাক্যৰ ক্ৰিয়াটো ভাববধি (Incomplete) ক্ৰিয়া হ'লে তাৰ পুৰক ক্ৰিয়াৰ পাচত বহে (বাক্যটোৰ গঠন হয়, কৰ্ত্তা-ক্ৰিয়া-পুৰক)।

কৰ্ত্তা-ক্ৰিয়া-কৰ্ম্ম ঃ বাক্যৰ ক্ৰিয়াটো সকৰ্ম্মক হ'লে বাক্যৰ সাধাৰণ গঠন হয় কৰ্ত্তা + ক্ৰিয়া + কৰ্ম্ম (বাক্যত কৰ্ম্মৰ স্থান সম্পৰ্কে পিচত আলোচনা কৰা হৈছে)।

কৰ্ত্তা-ক্ৰিয়া-কৰ্ম্ম-ক্ৰিয়া বিশেষণীয় ঃ বাক্যত ক্ৰিয়া বিশেষণীয় স্থানৰ বিষয়ে পিচত আলোচনা কৰা হৈছে।

বিশেষ্য + বিশেষণীয়/সম্বন্ধপদ ঃ বিশেষণ পদে যি বিশেষ্য/সৰ্বনামৰ গুণ বুজায় সদায় সেই বিশেষ্য পদৰ পাচত বহে। সেই দৰে সম্বন্ধপদো সদায় মূল বিশেষ্যটোহতৰ পাচত বহে।

প্ৰধান ক্ৰিয়া-সহায়কাৰী ক্ৰিয়া ঃ বিভিন্ন সহায়কাৰী ক্ৰিয়াৰ বাবে প্ৰতিটোৰে নিজা নিৰ্দ্দিষ্ট স্থান থাকে।

সমাপিকা-অসমাপিকা ক্ৰিয়া ঃ (১) অসমাপিকা হোৱা গোটীয়া ক্ৰিয়া কৰ্ত্তাৰ পাচত আৰু সমাপিকা ক্ৰিয়াৰ আগত বহে (২) অসমাপিকা ক্ৰিয়াযুক্ত বাক্যাংশ কৰ্ত্তাৰ আগতো বহিব পাৰে পিচতো বহিব পাৰে। কিন্তু সমাপিকা ক্ৰিয়াৰ পাচত কাহানিও নবহে (৩) ক্ৰিয়া বিশেষণীয়ৰ দৰে উদ্দেশ্য, প্ৰকাৰ, পদ্ধতি, অৱস্থা বাচক অসমাপিকা ক্ৰিয়া হোৱা ক্ৰিয়া বা তেনে ক্ৰিয়া যুক্ত বাক্যাংশ সমাপিকা ক্ৰিয়াৰ পাচত বহে।

ক্ৰিয়া-ক্ৰিয়া বিভক্তি ঃ বাক্যত ক্ৰিয়া বিভক্তিৰ স্থান সম্পৰ্কে পিচৰ এটা পাঠত আলোচনা কৰা হৈছে। বিশেষ্য — উপশব্দ/বিশেষণ/লিঙ্গ, বচন শব্দ আদি ঃ [illegible] ৰ ২য় খণ্ডৰ ৪ৰ্থ, ৫ম ৬ষ্ঠ ১১শ পাঠত আলোচনা দ্ৰষ্টব্য।

***

ত্ৰিংশ পাঠ

বাক্যত কৰ্ম্মৰ স্থান

সাধাৰণ নিয়মমতে বাক্যত কৰ্মৰ স্থান হ'ল ক্ৰিয়াৰ পাচত আৰু বাক্যৰ গঠন হয় কৰ্ত্তা + ক্ৰিয়া + কৰ্ম। কিন্তু বহুক্ষেত্ৰত সাধাৰণ নিয়মৰ ব্যতিক্ৰম হয়।

ক) ১] কৰ্ম উল্লেখ নথকা সকৰ্মক ক্ৰিয়াৰ বাক্যত কৰ্ত্তাৰ পাচতক্ৰিয়া বহে।

২] এটা কৰ্ম উল্লেখ থাকিলে সি ক্ৰিয়াৰ পাচত বহে।

৩] ক্ৰিয়াটো বিভক্তি যুক্ত হ'লে কৰ্ম ক্ৰিয়াটো আৰু বিভক্তি চিনৰ মাজত বহে।

উদাহৰণঃ

[illegible] — মই খাইছিলো।

[illegible] — সি মোক নেদেখিলে।

[illegible] — ল'ৰাটোৱে শিকি আছে।

[illegible] — তুমি চাহপানী খোৱা।

[illegible] — মানুহটোৱে ভাত খায়।

[illegible] — তাৰ ভায়েকে ভাত খাই আছিল।

[illegible] — বানছেঙে কিতাপটো পঢ়িলে।

খ) মুখ্য কৰ্ম গৌণ কৰ্ম দুয়োটা কৰ্ম উল্লেখ থাকিলে —

১] মুখ্য কৰ্মটো ক্ৰিয়াৰ পাচত বহে।

২] গৌণ কৰ্ম ক্ৰিয়াৰ আগটো বহিব পাৰে পিচটো বহিব পাৰে।

৩] গৌণ কৰ্ম মুখ্য কৰ্মৰ আগতো বা পিচতো বহিব পাৰে।

৪] গৌণ কৰ্মত সাধাৰণতে ২য়া বিভক্তি [illegible] চিন থাকে। মুখ্য কৰ্মত বিভক্তি চিন নেথাকে।

উদাহৰণঃ

[illegible]

দেউতাই মোক ৰূপ এটকা দিলে।

[illegible]

[illegible]

দেউতাই ৰূপ এটকা মোক দিলে।

[illegible]

শদিয়াখোৱা গোহাঁয়ে স্বৰ্গদেৱক কথাটো জনালে।

[illegible]

তেওঁ তোমাক কটাৰীখন খুজিছিল।

[illegible]

স্বৰ্গদেৱে বুঢ়াগোহাঁইক ৰংপুৰলৈ পঠালে।

গ) ১] ভবিষ্যত কালৰ ক্ৰিয়া বিভক্তি [illegible] ৰ বাহিৰে অন্য কোনো ক্ৰিয়া বিভক্তিৰ পাচত কোনো কৰ্মই নবহে।

২] গৌণ কৰ্ম কৰ্ত্তৃবাচ্যৰ বাক্যত কেতিয়াও কৰ্ত্তাৰ আগলৈ নাহে। কৰ্ম বাচ্য হ'লে গৌণ কৰ্ম কৰ্ত্তাৰূপে প্ৰকৃত কৰ্ত্তাৰ আগলৈ আহিব পাৰে।

৩] মুখ্য কৰ্ম দুটা ক্ষেত্ৰত কৰ্ত্তাৰ আগত বহিব পাৰে।

ক) কৰ্মটোত বিশেষ ভাবে জোৰ বা গুৰুত্ব দিব লগা হ'লে

খ) কৰ্মবাচ্যৰ ক্ৰিয়াৰ কৰ্ত্তা হ'লে

৪) মুখ্য কৰ্মৰ ক্ৰিয়াৰ পাচত বহিব লগীয়া নিয়ম হ'লেও এই কৰ্মত জোৰ দিয়াটো হ'লে ক্ৰিয়াৰ আগত বহিব পাৰে।

উদাহৰণঃ

[illegible]

ল'ৰাটোক তাৰ দ্বাৰা কিতাপটো দিয়া হৈছিল।

[illegible]

কিতাপটো তাৰ দ্বাৰা ল'ৰাটোক দিয়া হৈছিল।

[illegible]

কছাৰী ৰজাৰ দ্বাৰা ২টা হাতী স্বৰ্গদেৱলৈ দিয়া হৈছিল।

[illegible] সি কিতাপটো পঢ়িলে।

[illegible] সি চিৰাহে খালে।

[illegible] সি হাতীটো নেপালে।

ঘ) কৰ্ম যদি Complex অৰ্থাৎ কেইটামান শব্দ বা বিষয় যুক্ত (Phrase) হয় তেন্তে তাৰ প্ৰধান অংশ ক্ৰিয়াৰ ঠিক আগত আৰু অপ্ৰধান অংশ ক্ৰিয়াৰ পাচত দিয়া হয়।

উদাহৰণঃ

[illegible]

সি আনন্দ কৰা গীতমাত নাচবাগৰ কোঢ়াল শুনিলে।

[illegible]

সি লিখি শেষ নকৰা কিতাপটো তুমি পাইছিলা।

[illegible]

তাৰ আঙঠিটো চোৰ কৰি আনি মোক দিয়া ল'ৰাটোক বাপেকে কোবালে।

ঙ) উক্তি বাক্যবোৰত বিবৃত বাক্যটো মুখ্য কৰ্ম আৰু কৰ্ত্তাই যাৰ আগত বিবৃত বাক্যটো কয় সি গৌণ কৰ্ম। এনে কৰ্মও অন্য কৰ্মৰ দৰেই মুখ্য কৰ্ম গৌণ কৰ্ম ৰূপে যথা স্থানত বহে।

উদাহৰণঃ

[illegible]

সি ক'লে এতোলা নিমখ তই এটেমা কৰিলি।

[illegible]

তুমি কৈছিলা বোলে মই বজাৰলৈ যাওঁ।

[illegible]

লাঙিদেৰে মুছলমানক চিঞৰিলে "হেৰ চোৰ, মোৰ ঘোঁৰাটো লৈ আহ"।

[illegible]

তুমি জানা যে ভাতে তাৰে ভাতে মাৰে।

***

একত্ৰিংশ পাঠ
বাক্যত ক্ৰিয়া বিশেষণৰ স্থান

বাক্যৰ আদি, মধ্য আৰু অন্ত - এই তিনিটা স্থানত ক্ৰিয়া বিশেষণ পদ ব্যৱহাৰ হয়। কিন্তু ক্ৰিয়া বিভক্তি যুক্ত ক্ৰিয়া থকা বাক্যত ক্ৰিয়া বিশেষণ শেষ ক্ৰিয়া বিভক্তিৰ পাচত কেতিয়াও নবহে।

ক) কৰ্ত্তা প্ৰধান বাক্যত কৰ্ত্তা আগত দি ক্ৰিয়া বিশেষণ বাক্যৰ মাজলৈ বা শেষলৈ লিখা হয়।

উদাহৰণঃ

[illegible]

সিহঁত সকলো গড়গাঁৱত থাকে।

[illegible]

সি আজি ৰংপুৰলৈ গৈছে।

[illegible]

লংখাম সোনাৰী নগৰৰ পৰা আহিব।

[illegible]

তাৰ ভায়েক স্কুলত পঢ়িবলৈ যায়।

খ) বাক্যত যেতিয়া কৰ্ত্তা বাক্যটোৰ কথাবাৰৰ প্ৰধান লক্ষ্য বিষয় নহয় অৰ্থাৎ কৰ্ত্তা অপ্ৰধান হয় ক্ৰিয়া বিশেষণটোহে প্ৰধান লক্ষ্য বিষয় হয় তেতিয়া কাল বাচক, স্থান বাচক, কাৰণ বাচক উদ্দেশ্য বাচক আদি ক্ৰিয়া বিশেষণ বাক্যৰ আৰম্ভণিলৈ আহে।

উদাহৰণঃ

[illegible]

অতীজতে দেৱতা মানুহ একো নাছিল।

[illegible]

এসময়ত এজন দুখীয়া মানুহ আছিল।

[illegible]

আজি সি যোৰহাটত থাকিব।

[illegible]

এখন গাঁৱত এজনী বুঢ়ীৰ এজনী কুকুৰা আছিল।

[illegible]

তুমি তালৈ কিয় যোৱা।

[illegible]

এই কাৰণেই লালুকে বুঢ়াগোহাঁইক মৰালে।

গ) ভাৱাবধি ক্ৰিয়া (Incomplete Verb) ক্ৰিয়া বিভক্তি হীন হ'লে ক্ৰিয়া বিশেষণ পূৰকৰ পাচত বহে। ক্ৰিয়া বিভক্তি যুক্ত হ'লে পূৰক আৰু ক্ৰিয়া বিভক্তিৰ মাজত বহে।

উদাহৰণঃ

[illegible] তেওঁ আজিকালি এজন শিক্ষক।

[illegible]

খামপেঙ সেই গাঁৱত বৰমূৰীয়া লোক।

[illegible]

ছ্যুকাফা মুংদুনত ৰজা হৈছিল।

ঘ) ক্ৰিয়া বিভক্তিহীন অকৰ্মক ক্ৰিয়াৰ বাক্য হ'লে ক্ৰিয়া বিশেষণ ক্ৰিয়াৰ পাচত বহে। ক্ৰিয়া বিভক্তি যুক্ত হ'লে বিভক্তি চিনৰ আগত ক্ৰিয়াৰ পাচত বহে।

উদাহৰণঃ

[illegible] মানুহজন গড়গাঁৱত থাকে।

[illegible]

সিহঁত কালি ম্যুং তাইৰ পৰা আহিছিল।

ঙ) কৰ্ম থকা বাক্যত ক্ৰিয়া বিশেষণ কৰ্মৰ পাচত দিয়া হয়। ক্ৰিয়াৰ ক্ৰিয়া বিভক্তি থাকিলে ক্ৰিয়া বিশেষণ পাচত দিয়া হয়।

উদাহৰণঃ

[illegible] মই গৰুটো পথাৰত দেখিছিলো।

[illegible]

তাৰ ভায়েকে কণীটো চোৰৰ দৰে আনিলে।

[illegible]

সিহঁতে মনুৰ পৰাই নাজিৰাত লগ পাইছিল।

চ) মন কৰিব লগীয়া যে কৰ্ত্তা, কৰ্ম, ক্ৰিয়া বিশেষণৰ গুৰুত্ব তথা প্ৰাধান্য অনুযায়ী অগা পিচা হয়। অধিক গুৰুত্ব থকা বিষয়টো আগলৈ আহে। এই গুৰুত্ব বা প্ৰাধান্যইহে আচলতে ক্ৰিয়া বিশেষণৰ স্থান নিৰ্ণয় কৰে। বাক্যত ক্ৰিয়া থকা বাক্যাংশ থাকিলে সেই ক্ৰিয়াৰো ক্ৰিয়া বিশেষণ থাকিব পাৰে।

***

দ্বাত্ৰিংশ পাঠ
বাক্যত ক্ৰিয়া বিভক্তিৰ স্থান

বাক্যত ক্ৰিয়া বিভক্তিৰ স্থান সম্পৰ্কত [illegible] ৰ পঞ্চদশ পাঠত কিছু আলোচনা কৰা হৈছে।

ক্ৰিয়া বিভক্তি ব্যৱহাৰৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা কেইটামান হ'ল –

১] ক্ৰিয়া বিভক্তি ওলাই নথকাকৈয়ে যদি কালৰ ধাৰণা অন্য প্ৰকাৰে হব পাৰে তেন্তে ক্ৰিয়া বিভক্তি দিয়াই নহয়।

২] একোটা বাক্যৰ গোটেই কথা খিনিয়েই যদি অতীত কালৰ হয় তেন্তে বাক্যৰ শেষত [illegible] দিলেই হয়।

৩] বাক্যৰ গোটেই কথাখিনি ভৱিষ্যত কালৰ হ'লে বাক্যৰ আৰম্ভণিতে [illegible] দিলেই হয়। কিন্তু এনে কৰিলে কেইটামান ভ্ৰম হোৱাৰ সম্ভাৱনা হয়।

ক) [illegible] ৰ পাচৰ প্ৰথম শব্দটো বিশেষ্য বা সৰ্বনাম হ'লে তাক কৰ্ম বাচ্যৰ ক্ৰিয়াৰ কৰ্ত্তা যেন লাগিব পাৰে।

খ) [illegible] ৰ পাচৰ শব্দটো ক্ৰিয়া হ'লে দুয়োটা মিলি উদ্দেশবোধক ক্ৰিয়া বিশেষণ যেন লাগিব পাৰে।

গ) ᱚᱸ বিভক্তি যোগহৈ হোৱা ক্রিয়া বিশেষণ যেন লাগিব পাৰে।

ঘ) যিহেতু কৰ্ম ক্রিয়া বিশেষণ আদি ক্রিয়া বিভক্তি চিনৰ পাচত কাহানিও নবহে গতিকে বিভক্তি যুক্ত ক্রিয়া থকা বাক্যত ক্রিয়া বিভক্তিৰ স্থান বাক্যৰ একেবাৰে অন্তত।

ঙ) ক্রিয়া বিভক্তি যুক্ত ক্রিয়া থাকিলে ক্রিয়াৰ পাচত কৰ্ম ক্রিয়া বিশেষণ আদি দি তাৰ পাচতহে ক্রিয়া বিভক্তি দিয়া হয়।

চ) ভাৱাবধি ক্রিয়া বিভক্তি যুক্ত হ'লে ক্রিয়াৰ পাচত পূৰক দি তাৰ পাচতহে ক্রিয়া বিভক্তি দিয়া হয়।

ছ) বাক্যত যদি সমাপিকা ক্রিয়া যুক্ত খণ্ড বাক্য থাকে তাৰ সেই ক্রিয়াৰো কৰ্ম ক্রিয়া বিশেষণ থাকে তেন্তে পূৰ্ণ বাক্যত ব্যৱহৃত ক্রিয়া বিভক্তিৰ দৰেই খণ্ড বাক্যটোতো ক্রিয়া বিভক্তি দিয়া হয়।